To,
The Director
Centre for Cultural Resources and Trainning (CCRT)
15-A, Sector 7, Dwarka, New Delhi-110075
Ph. : 011-25074256
Dated : 8/03/2019, Guwahati, Assam

Sub : Final report sending through a pen drive.

Please find herewith the final Report for the Junior fellowship 2013-14, File No. JF3/472015

Regards
Nibha Rani Roy
Bonda, Ramdhenu Nagar
District--Kamrup (Metro)
Guwahati-26, Assam
Ph.- 09854926680
email : nibharoy.1983@gmail.com

# অসমৰ লোকধৰ্ম, বিশ্বাস আৰু ৰীতি-নীতিৰ ৰেঙণি

নিভা ৰাণী ৰায়

টাইটেল পেজ

# আগকথা

নানা জাতি উপজাতিৰে ভৰা আমাৰ অসম। নদ-নদী, পৰ্বত-কন্দৰ, সুবিস্তীৰ্ণ শ্যামলিমা আৰু ফটিক পানীৰ জান-জুৰিয়ে যিদৰে অসমখন মনোমোহা কৰি ৰাখিছে ঠিক সেইদৰে ৰাজ্যখনৰ জাতি-জনগোষ্ঠীসমূহৰ ঐতিহ্যপূৰ্ণ তথা বৰ্ণময় লোকসংস্কৃতি আৰু লোকাচাৰেও ইয়াক অতীজৰে পৰা বাৰেৰহণীয়া কৰি ৰাখিছে। অসমৰ লোকধৰ্ম, বিশ্বাস আৰু ৰীতি-নীতি সমূহৰ বিষয়ে বিশদ অধ্যয়ন কৰাৰ ইচ্ছা পুহি ৰাখিছিলো মনতে। পুথিগত অধ্যয়নৰ বাহিৰেও সেই বিষয়ত কিছু পৰিমাণে ক্ষেত্ৰ অধ্যয়নো কৰিছিলো। এইক্ষেত্ৰত আৰু অধিক অধ্যয়নৰ সুযোগ বিচাৰি ভাৰত চৰকাৰৰ সংস্কৃতিক মন্ত্ৰণালয়ৰ জুনিয়ৰ ফেলোশ্বিপৰ বাবে আবেদন জনাইছিলো। মোৰ আশা পূৰ্ণ কৰি মন্ত্ৰালয়ে জুনিয়ৰ ফেলোশ্বিপ ২০১৩-১৪ ৰ অমসীয়া সাহিত্য বিষয়ত মোক বাছনি কৰি দুবছৰীয়া এক অধ্যয়নৰ বাবে সুবিধা প্ৰদান কৰিলে। মন্ত্ৰালয়ৰ অধীনত কৰা মোৰ অধ্যয়নৰ চাৰিটা ষন্মাষিক প্ৰতিবেদনৰ বাবে যুগুতোৱা তথ্যৰ আধাৰত এই গ্ৰন্থখন সংকলন কৰা হৈছে।

অসমৰ লোকসংস্কৃতি, লোকাচাৰ অথবা ৰীতি-নীতিৰ কথা এখন গ্ৰন্থত সীমাৰদ্ধ কৰা সহজ কাম নহয়। ইয়াৰ অধ্যয়নৰ বাবে দুটা বছৰৰ সময়সীমাও পৰ্যাপ্ত নহয়। তথাপি অনেক জাতি-জনগোষ্ঠীৰ মিলনভূমি এই ৰাজ্যখনৰ লোকধৰ্ম, বিশ্বাস আৰু ৰীতি-নীতিৰ এটা থূলমূল আভাস মোৰ এই গ্ৰন্থৰ জৰিয়তে দিব বিচাৰিছো। লোকসংস্কৃতিৰ গতিপ্ৰকৃতি বুজিবলৈ কেৱল পুথিগত অধ্যয়নেই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন হয় প্ৰচুৰ ক্ষেত্ৰ অধ্যয়ন। যোৱা দুটা বছৰত অসমৰ বিভিন্ন ঠাই ঘূৰি-পকি কৰা ক্ষেত্ৰ অধ্যয়নত মোৰ প্ৰধান উপলব্ধি--সময়ৰ সোঁতত লোকসংস্কৃতিৰ সুঁতি সলনি হৈছে, সলনি হৈছে ৰেহৰূপ।এয়া অৱশ্যেই স্বাভাৱিক।লোকজীৱনে সময়ৰ সোঁতত বাট বুলিলে লোকাচাৰ,লোকবিশ্বাস,পৰম্পৰাৰোতো সালসলনি ঘটিবই। পূৰ্বতে লোকসংস্কৃতি আছিল জনজীৱনৰ অবিচ্ছেদ্য অংগ। বোকা-মাটি, তৰু-তৃণ আছিল তাৰ ভূষণ। কিন্তু আধুনিকতাই লোকসংস্কৃতিক চুচি-মাজি নতুন ৰূপ দিলে। বোকাৰ পৰা,মাটিৰ পৰা,পাকঘৰৰ এলান্ধুৰ পৰা, গোহালিৰ গোবৰ,পাছচোতালৰ চেচুকীয়াখিনিৰ পৰা,চুৰাপাতনিৰ পৰা আহি লোকসংস্কৃতি কিতাপৰ পাত পালে। অধ্যয়নৰ বিষয় হৈ পৰিল। লগে লগে লোকসংস্কৃতিত আহি প্ৰৱেশ কৰিলে প্ৰদৰ্শনধৰ্মিতাও। কাৰণ সময়ৰ লগে লগে লোকসংস্কৃতি ধৰি ৰাখিব পৰা উপাদানবোৰ হেৰাই যাবলৈ ধৰিলে। গতিকে প্ৰয়োজন হ'ল সংৰক্ষণৰ বাবে চিন্তা কৰাৰ। লগে লগে লোকসংস্কৃতি, লোকাচাৰসমূহ প্ৰদৰ্শনৰ জৰিয়তে সংৰক্ষিত কৰি ৰখা চিন্তা কৰা হ'ল। সময়ৰৰ সোঁতত এদিন যিদৰে বিহু গছতলৰ পৰা, পথাৰৰ পৰা আহি মঞ্চ পাইছিল ঠিক সেইদৰে আন বহু অসমীয়া লোকাচাৰ, লোকপৰম্পৰাও আজি মঞ্চ পাইছে। আজিকালি মাঘ বিহুৰ উৰুকা, মেজি জলোৱা আদি ৰাজহুৱাকৈ পালন কৰা দেখা গৈছে, কাতি বিহুও ঠায়ে ঠায়ে ৰাজহুৱাকৈ পালন কৰা হয়। সেইদৰে গোঁসাই বাঁহ উৎসৱ, মে-ডাম-মেফি, বৈশাখু, বায়খো, বাথৌ পূজা আদিও একোটা বৃহৎ অঞ্চলে লগ হৈ ৰাজহুৱাকৈ পাতে। চহা জীৱনৰ একেডাল নাড়ীতে বান্ধ খাই থকা লোককৃষ্টি আজিৰ নগৰীয়া জীৱনত নাটক, ছবি, চলচিত্ৰ, গীত-মাত, আলেখ্য আদিৰ মাধ্যমেৰে উদ্ভাসিত হৈ প্ৰদৰ্শিত হৈছে মঞ্চত।

এই ন-পুৰণি লগ হৈ লোকসংস্কৃতি আজি যি স্থানত উপনীত হৈছে, সি হৈছে ঘঁহি মাজি চকচকীয়া কৰা এক নতুন কৃষ্টি। আজিৰ প্ৰজন্মই ইয়াকে লোকসংস্কৃতি, লোকাচাৰ বুলি শিকিছে, বুজিছে। আমাৰ এই গ্ৰন্থত অসমৰ লোকসংস্কৃতি সুবিশাল ক্ষেত্ৰখনৰ এক আভাস দিব বিচাৰিছো। অতীজত আমাৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি কেনে আছিল তাৰ এটি থূলমূল আভাস আজিৰ প্ৰজন্মই এই গ্ৰন্থৰ জৰিয়তে পাব।

সীমিত সময়ৰ ভিতৰত গ্ৰন্থখন যুগুত কৰি উলিয়াওতে বহুখিনিয়েই হয়তো বাদ পৰিছে, সেয়ে ভৱিষ্যতে গ্ৰন্থখন পৰিবৰ্ধিত ৰূপত প্ৰকাশ কৰাৰ পৰিকল্পনাও আমাৰ আছে ।

গ্ৰন্থখন যুগুতোৱাৰ ক্ষেত্ৰত অনেক ব্যক্তিৰ পৰা দিহা -পৰামৰ্শ , সহায় সহযোগিতা লাভ কৰিছো। সকলোৰে নাম ইয়াত সন্নিবিষ্ট কৰাটো সম্ভৱ নহয় যদিও মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো ক্ষেত্ৰ অধ্যয়নৰ সময়ত লগ পোৱা , মোক বিভিন্ন ঠাইলৈ যোৱাত সহায় কৰা প্ৰতিজন ব্যক্তিলৈ। সদৌশেষত ভাৰত চৰকাৰৰ সংস্কৃতিক মন্ত্ৰণালয়ৰ ফেল'শ্বিপ বিভাগলৈ মোৰ অশেষ কৃতজ্ঞতা তথা ধন্যবাদ জনাইছো, যাৰ পৃষ্ঠপোষকতা অবিহনে এয়া সম্ভৱ হৈ নুঠিলহেতেন।

# সূচীপত্ৰ

## প্ৰথম অধ্যায়

অসমীয়া নৱবৰ্ষ আৰম্ভ হয় ব'হাগ মাহৰ পৰা অৰ্থাৎ এপ্ৰিলৰ দ্বিতীয় পষেকৰ পৰা। নতুন বছৰক আদৰা হয় বিহুৰে। বিহুক লৈ অসমীয়া সমাজত কিমান যে লোকাচাৰ, বিশ্বাস আদি চলি ধিছে তাৰ লেখ-জোখ নাই। এই বিশ্বাস আৰু ৰীতি-নীতি গোটেই বছৰজুৰি চলি থাকে। অসমৰ জাতীয় উৎসৱ বুলি কোৱা বাপতি সাহোন বিহু ৰাজ্যখনৰ প্ৰায় সকলো জনগোষ্ঠীয়েই পালন কৰে। জনগোষ্ঠীভদে বিহুৰ ৰূপ-ৰঙো ভিন ভিন। বিহু আৰু বিহু নৃত্য, বিহু হুচৰিয়ে অসমৰে নহয় ভাৰতৰো পৰিধি নেওচি বিশ্ব মঞ্চতে উজলি উঠিছে। মোৰ অধ্যয়নত সাঙুৰি লৈছো বিহুকেন্দ্ৰিক লোকধৰ্ম, ধৰ্মীয় বিশ্বাস আৰু ৰীতি-নীতিসমূহ।বিহু কেৱল এটা অনুষ্ঠান বা পৰ্ব মাত্ৰ নহয়,বিহু অসমীয়াৰ জীৱন-ৰেখা। বিহুৱে বছৰটোৰ বাবে অসমীয়া মানুহক জীয়াই থকাৰ , আগবাঢ়ি যোৱাৰ আৰু জাতিটোৰ মংগলৰ হকে কাম কৰাৰ বাবে প্ৰতিজ্ঞাৱদ্ধ কৰি তোলে। সেইকাৰণে সুধাকণ্ঠ ভূপেন হাজৰিকায়ো কৈ গৈছেঃ

"ব'হাগ মাথো এট ঋতু নহয়,
নহয় ব'হাগএটি মাহ
অসমীয়া লোকৰ ই আয়ুসৰেখা
জনজীৱনৰ ই সাহ"

অসমীয়া লোক-কৃষ্টি, সংস্কৃতিৰ প্ৰাণস্পন্দন বিহুক তিনিটা ভাগত ভগোৱা হৈছে ঃ ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বা ভোগালী বিহু। উজনি অসমত বছৰৰ প্ৰথম বিহুটিক ব'হাগ বিহু বা ৰঙালী বিহু বুলি কোৱা হয়, আনহাতে নামনি অসমত এই বিহুটিক ব'হাগৰ দোমাহী বা ঠাইভেদে দোমহী বুলি কোৱা হয়। ব'হাগ বিহু আৰম্ভ হয় চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা। সেইদিনা অসমীয়া মানুহে গৰু বিহু পালন কৰে।

## গৰুবিহুক লৈ প্ৰচলিত বিশ্বাস

ব'হাগ বিহু আৰম্ভ হয় অসমীয়া বছৰৰ শেষ দিনটোৰ পৰা। চ'তৰ সংক্ৰান্তিৰ দিনা বিহুৰ উৰুকা বা গৰু বিহু। গো-পূজা ভাৰতীয় সমাজত বহুলভাৱে প্ৰচলিত। অসমীয়া হিন্দু সমাজতো নতুন বছৰৰ প্ৰাকমুহূৰ্তত গৰুক গা ধুৱাই ন-পঘা দি বছৰটোলৈ গৃহস্থৰ কল্যাণ কামনা কৰা হয়। চ'তৰ সংক্ৰান্তিৰ দিনা গৰুক কেন্দ্ৰ কৰিয়েই পাতনি মেলা হয় ব'হাগ বিহুৰ। সেইদিনা ৰাতিপুৱা শুই উঠিয়েই ঘৰৰ গৃহিনীয়ে মাটিমাহ-হালধি বটি এটা বাতিত মিঠাতেলৰ সৈতে মিহলাই যতনাই থয়। ঘৰৰ গৃহস্থ বা ডেকাসকলে সেই বটি লোৱা মাটিমাহ-হালধিখিনি গৰুৰ শিং আৰু গাত ঘঁহি দিয়ে। তেওঁলোকে জাতিলাও (নামনি অসমত পানীলাও বুলি কয়), সৰুজাতৰ বেঙেনা, কেঁচা হালধি কাটি সৰু সৰুকৈ টুকুৰা কৰি বাঁহৰ তমালত বিন্ধাই লৈ মালা গাঁথে। তাৰপছত নৈ বা পুখুৰী-বিল আদিলৈ নি গৰুক গা ধুওৱা হয়। গৰুক গা ধুওৱা কামটো বহু অঞ্চলত গাঁৱৰ ৰাইজে একেলগ হৈ সমূহীয়াভাৱেও কৰে। গা ধুওৱা হোৱাৰ পাছতে গৰুক মালা পিন্ধোৱা হয়। তাৰপাছত মাখিয়তি আৰু দীঘলতী গছৰ ডালেৰে গৰুৰ গাত কোবাই কোবাই গৰাকীয়ে গায়ঃ

"লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু, বাপেৰ সৰু তই হবি বৰ গৰু।"

তাৰপিছত গৰুক পিন্ধোৱা মালাবোৰ তিনিঘৰ মানুহে পৰস্পৰৰ মাজত সালসলনি কৰে। গৰুবোৰ মুকলি পথাৰত এৰি দিয়া হয়। সেইদিনা গৰু এৰাল দিয়া নহয়।গৰুক গা ধুওৱা হোৱাৰ পিছত মালাবোৰ তিনি ঘৰৰ মাজত তিনিবাৰ সালসলনি কৰিব লাগে। গৰুক গা ধুওৱা হোৱাৰ পিছত মানুহেও গা ধুৱে। গা ধুৱাৰ আগতে গৰু বন্ধা পুৰণি পঘাবোৰ নদীত ধুই লৈ প্ৰতিঘৰৰ এদালকৈ পঘাৰে সাংখ দিয়ে। সাংখ দিয়া মানে হ'ল গাঁৱৰ কেইবা ঘৰৰ পঘা লগ লগাই নদীৰ ইপাৰৰ পৰা সিপাৰলৈ লগপোৱাকৈ জোৰা দি দি দীঘলকৈ নিয়া হয়। যেতিয়া পঘাবোৰ নদীৰ ইপাৰ সিপাৰ লগ পায় তেতিয়া পঘাৰ দুয়োমূৰত মাখিয়তিৰ ঠাৰি দুদাল বান্ধি খুঁটা কৰি নদীৰ দুয়োপাৰে পুতি দিয়ে ইয়াৰ পিছত অৱশিষ্ট মালা কেইডাল আৰু মাখিয়তি, দীঘলতি আদি ঘৰলৈ লৈ আহি গোহালি ঘৰৰ চালত খুচি থোৱা হয়। এইদৰে থলে গৰুৰ কোনো অপায় অমংগল নহয় বুলি মানুহে বিশ্বাস কৰে।

গৰু বিহুৰ দিনা কেঁচা হালধিৰ ৰস ঘৰৰ সকলোৱে গাত সানি গা ধোৱাৰ নিয়ম। এইদৰে গা ধুলে বছৰটোৰ বাবে মানুহৰ ছালৰ বেমাৰ নহয় বুলি বিশ্বাস কৰে।

মানুহ বিহু বা বৰবিহুঃ ব'হাগৰ পহিলা দিনটোক বৰবিহু বা নামনি অসমৰ ফালে বৰদোমহী বুলি কোৱা হয়। বৰবিহুৰ দিনা পুৱাই মানুহে মাহ-হালধি সানি গা ধুৱে আৰু নতুন কাপোৰ পিন্ধে। নিজৰ সামৰ্থ্য অনুসৰি পৰিয়ালৰ সদস্য আৰু আপোন লোকসকলক বিহুৱান হিচাপে নতুন গামোচা বা আন কাপোৰ-কানি দিয়ে। বছৰৰ পহিলা দিনটোত নিজৰ ঘৰৰ লগতে ৰাজহুৱা নামঘৰতো শৰাই আগবঢ়োৱা হয়। সেইদিনা নাহৰ পাতত ওঁম শব্দটো লিখি ঘৰৰ চালত বা কোনো বিশেষ ঠাইত থৈ দিয়া নিয়মো কোনো কোনো ঠাইত প্ৰচলন আছে। ঘৰতে তৈয়াৰ কৰা জা-জলপান সকলোৱে খায়। ঘৰৰ জীয়ৰী-বোৱাৰীয়ে হাত-নখত জেতুকা লগায়।

চেৰা বিহুঃ চ'তৰ শেষ দিনটোৰ পৰা আৰম্ভ কৰি ব'হাগৰ ছদিনলৈকে অৰ্থাৎ সাত দিন ধৰি ব'হাগ বিহু চলি থাকে। সাতদিনৰ দিনা অৰ্থাৎ ব'হাগৰ ছয় তাৰিখৰ দিনা নামনি অসমৰ ফালে সাত শাক খোৱা নিয়ম। উজনি অসমত এই নিয়ম গৰু বিহুৰ দিনাই পালন কৰা হয়। উজনিত এশ এবিধ শাক আৰু আমৰলি পৰুৱাৰ টোপ ভাজি খোৱাৰ নিয়ম প্ৰচলিত হৈ আহিছে। গাঁৱৰ মহিলাসকলে লগ হৈ একেলগে বাৰীত শাক বুটলিবলৈ যায়। শাকৰ সৈতে আমৰ কলি, কঁঠালৰ মুচি আদিও খোৱা হয়। নিজৰ নিজৰ বাৰীতে পোৱা কচু, ঢেকীয়া, ,পুৰৈ, মৰিচা, পদিনা, মছন্দৰী, মানি-মুনি, নৰসিংহ, লাই-লফা, পালেং চুকা, ব্ৰাহ্মী, টেঙেচী, খুতুৰা, কলমৌ, মেথি, মাটিকান্দুৰি, মধুসোলেং, জিলমিল আদি কত যে শাক বোটলা হয়। জীয়ৰী-বোৱাৰী একলগ হৈ শাকতোলাটোও ব'হাগ বিহুৰ এক অনন্য ৰীতি। আনকি শাক তুলিবলৈ যাঁওতেও তেঁওলোকে বিহুনাম গাই যায়।

## মাঘ বিহুক লৈ প্ৰচলিত বিশ্বাস

পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনাৰ পৰাই এই বিহুৰ আৰম্ভণি যদিও ইয়াৰ যা-যোগাৰৰ বাবে অসমীয়া ৰাইজ পুহ মাহৰ দ্বিতীয় পষেকৰ পৰা বা তাৰো আগৰে পৰা। মাঘ বিহুৰ আন এটা নামেই ভোগালী বিহু, অৰ্থাৎ ভোগৰ বিহু। খোৱা-বোৱাই এই বিহুটিত যথেষ্ঠ গুৰুত্ব লাভ কৰে। পিঠা-পনা চিৰা- সান্দহ, দৈ, উজনি অসমত আখৈ, হুৰুম আদি বিহুৰ সময়ছোৱাত উভৈনদী হৈ পৰে। গাঁৱৰ গৃহিণীসকলে পিঠা-পনা, চিৰা-সান্দহৰ যোগাৰত পুহৰ আধা দিন যোৱাৰে পৰা যিদৰে ব্যস্ত হৈ পৰে , তেনেদৰে ডেকাসকল ব্যস্ত হৈ পৰে ভেলাঘৰ আৰু মেজি সজাত। মাঘৰ উৰুকাৰ দিনা সকলোৰে মিলি ভোজভাত খোৱা হয়। এই ভোজভাত কিছুমান ঠাইত নিজৰ নিজৰ ঘৰে ঘৰে আৰু কিছুমান ঠাইত গাঁৱৰ সমূহ ৰাইজে মিলিও খোৱা দেখা যায়। ডেকাসকলে মুকলি পথাৰত বাঁহ-খেৰ, নৰা, কলৰ ঢকুৰা (শুকান কলপাত)আদিৰে ভেলাঘৰ আৰু মেজি সাজে। ভেলাঘৰ সজা ঠাইত ৰাতি ভোজভাত খাই স্ফুৰ্তি কৰা হয়। ৰাতি ডেকাসকলে ভেলাঘৰতে নানা আনন্দ-স্ফুৰ্তি কৰি জুই পুৱাই কটায়। মাঘ বিহুৰ সময়ত অসমত অত্যন্ত ঠাণ্ডা হয়। অথচ হাড় কঁপোৱা জাৰতো ৰাতিপুৱা সকলোৰে সোনকালে উঠি গা-পা ধুই মেজি পুৱাবলৈ যায়। মেজি জ্বলোৱাৰ পূৰ্বে মেজিৰ কাষত শৰাই আগবঢ়োৱা হয়। তাৰপিছত ৰাইজৰ মাজৰ কোনো এজনে খেৰৰ মুঠি এটি জ্বলাই লৈ মেজিৰ চাৰিওফালে সাতপাক ঘূৰি মেজিটো জ্বলাই দিয়ে। সকলোৰে মিলি মেজি পুৱাওতে মেজিলৈ মাহ-চাউল-তিল ছটিয়াই গায়ঃ

“মাহ-কৰাই খাই যা
বছৰে বছৰে বাঢ়ি যা”

মেজি জ্বলি শেষ হোৱাৰ পিছত সকলোৰে মেজিৰ ছাইৰে ফোঁট লয়। শৰাই বা ঠগিৰ মাহ-প্ৰসাদ সকলোকে ভগাই দিয়া হয়। তাৰপিছত সকলোৰে ঘৰাঘৰি যায়। মাঘৰ এক তাৰিখৰ দিনা ৰাতিপুৱা ঘৰ-চোতাল সাৰি-মচি গা পা ধুই গৃহিণীসকলে পৰিয়ালৰ কল্যাণৰ হকে ঘৰৰ গোঁসাই থাপনাৰ সমুখত নৈবেদ্য আগবঢ়ায়। সৰুৱে ডাঙৰক সেৱা কৰে। দিনৰ ভাগত সকলোৰে চিৰা-দৈ-সান্দহ আদি জলপান খায়। ঠায়ে ঠায়ে এই বিহু চাৰি-পাঁচদিন বা তাতোকৈও বেছিদিন চলি থাকে। কোনো কোনো অঞ্চলত মাঘ বিহুত মেলা অনুষ্ঠিত হয়। ইয়াৰ ভিতৰত বৰপেটা জিলাৰ বজালী অঞ্চলৰ ভোগেশ্বৰ গোঁসাইঘৰৰ মেলা লেখত ল’বলগীয়া। কালদিয়া নদীৰ পাৰৰ উলুৱা আৰু পিপলা নামৰ ঠাইৰ মাজত অনুষ্ঠিত এই মেলাখনলৈ দূৰ-দূৰণিৰ পৰা মানুহৰ সমাগম হয়। ভক্তসকলে নিজৰ মনোকামনা পূৰণৰ বাবে ভোগেশ্বৰ গোঁসাইলৈ কমলা, চেনি, বুট-মাহ আদি আগবঢ়ায় আৰু গোঁসাইঘৰত নতুন ৰুমাল,গামোছা আদি বান্ধে। ভোগেশ্বৰৰ মেলা সাতদিনলৈকে চলি থাকে যদিও গোটেই মাঘ মাহ জুৰি এই গোঁসাইঘৰলৈ মানুহৰ সোঁত বৈয়েই থাকে।

# ব'হাগ মাহত অনুষ্ঠিত লোকধৰ্মীয় উৎসৱ, প্ৰচলিত বিশ্বাস, লোকাচাৰ

## গোঁসাই বাঁহ উৎসৱ

অসমীয়া সমাজৰ প্ৰতিখন গাঁওতেই নামঘৰ, মন্দিৰ বা গোঁসাই ঘৰ এটা থকাতো এক পৰিচিত দৃশ্য।জনজাতীয় গাঁওসমূহতো একোটা গোঁসাই ঘৰ থকাতো একপ্ৰকাৰৰ বৈশিষ্ট্য। গোঁসাই ঘৰত অসমীয়া লোকে বছৰৰ ভিন-ভিন সময়ত ভিন-ভিন উপলক্ষ্যত নাম-সবাহ পাতে। কিন্তু গোঁসাই ঘৰত পতাৰ বাহিৰেও বছৰৰ প্ৰাৰম্ভতে জনজাতীয় সমাজত গোঁসাই বা ভগবানক বেলেগ বেলেগ ৰূপত উপাসনা কৰাও দেখা যায়।

নামনি অসমৰ ৰাভা আৰু শৰণীয়া কছাৰী লোকসকলে অসমীয়া বৰ্ষৰ অন্তিম দিনটোৰ পৰা অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনৰে পৰা গোঁসাই বাঁহ উৎসৱ পালন কৰে। বাঁহ গোসাই উৎসৱ বৃক্ষ পূজাৰ নামান্তৰ বুলিও ক'ব পাৰি। চ'তৰ সংক্ৰান্তিৰ দিনা গএঃা ৰাইজে গাঁৰৰ গোঁসাইঘৰৰ দেউৰীৰ তত্বাবধানত গোঁসাইঘৰৰ চৌহদত গোট খায়। সেইদিনা পুৱা গাঁৰৰ ডেকাসকলে বাঁহনিৰ পৰা এটা পুৰঠ বাঁহ কাটি আনে। বাঁহদাল কাটি অনাৰ পূৰ্বে তেঁওলোকে বাঁহৰ চোপটোক তামোল-পাণেৰে পূজা কৰে।তাৰপিছত বাঁহদাল গোঁসাইঘৰলৈ লৈ যোৱা হয়। এই বাঁহদাল সাধাৰণতে নহাত পাঁচ আঙুল দীঘল হ'ব লাগে। গোঁসাইঘৰৰ চৌহদত স্থাপন কৰাৰ পূৰ্বে বাঁহদাল নৈ বা আন পানীৰে ধুৱাই লোৱা হয়। ধুৱাই-পখলাই অনা বাঁহদাল প্ৰথমে বগা কাপোৰেৰে মেৰিওৱা হয় (ইয়াক জামা পিন্ধোৱা বুলি কোৱা হয়) আৰু তাৰপাছত নতুন গামোছা, ৰুমাল আৰু ছোৰৰেৰে সজোৱা হয়। বাঁহদালৰ মূৰত এটা পিতলৰ মুখা পিন্ধাই তাত সেন্দুৰেৰে ফোঁট দিয়া হয়। গাঁৰৰ ৰাইজে সমাজৰ শান্তি আৰু সমৃদ্ধি কামনাৰে গোঁসাই বাঁহক সেৱা জনায়। পূজা-অৰ্চনাৰ শেষত মানুহে বাঁহদাল পোনকৈ ঠিয় কৰাই লৈ পৰম্পৰাগত নাম-গুণ গাই গোঁসাইঘৰৰ চাৰিওপিনে সাতপাক ঘূৰায়। গোঁসাই ঘৰৰ আগত থাপনা পাতি এটা খুঁটাত বাঁহদাল বান্ধি গোঁসাইঘৰৰ চৌহদত স্থাপন কৰা হয়।

পিছদিনা অৰ্থাৎ পহিলা ব'হাগৰ দিনা গাঁৰৰ ডেকা-বুঢ়া সকলোৱে গা পা ধুই গোঁসাই ঘৰলৈ আহে আৰু ঢোল, তাল, শংখ, ঘণ্টা, বৰকাঁহ আদি বজাই গোঁসাই বাঁহদাল লৈ গাঁৰৰ ঘৰ ফুৰাবলৈ আৰম্ভ কৰে। গোঁসাই বাঁহদাল ফুৰাবলৈ নিওতে দুই মূৰত দুজন মানুহৰ প্ৰয়োজন। বাঁহদালৰ আগপিনে ধৰাজনক আগধৰা আৰু পিছপিনে ধৰাজনক 'গোৰধৰা' বুলি কোৱা হয়। আগধৰাজনৰ হাতত গোঁসাই বাঁহ দাল থিয় কৰি ৰখাৰ বাবে এখন বঁটা থাকে। এই বঁটাখনত এখন বগা কাপোৰেৰে আৱৰি ৰখা হয়। যেতিয়া মানুহৰ পদূলি পায় গহস্থই বাঁহদাল আদৰি আনে।চোতাললৈকে আদৰি অনাৰ পাছতে আগধৰাজনে বাঁহদাল ওপৰলৈ উৰুৱাই দিয়ে আৰু গোৰধৰাজনে বাঁহদাল কিছুসময় ওপৰতে ধৰি ৰাখে তাৰপাছত আগধৰাজনে হাতত থকা বঁটাখন গৃহস্থই চোতালৰ আগত গোঁসাই বাঁহ আহি পোৱাৰ আগে আগে পানীৰে মচি থোৱা ঠাইত থব আৰু গোৰধৰাজনে বাঁহদাল মাটিত নলগাকৈ সেই বঁটাখনৰ ওপৰত থব।গোঁসাই বাঁহ চোতালত থিত হোৱাৰ পিছত গৃহস্থই গোঁসাই বাঁহ আগমনৰ বাবে আগেয়ে সাজু কৰি ৰখা ঠগি নৈবেদ্য, ধুপ-ধুনা, চাকি, বৰঙণি আদি এখন কলপাত পাৰি দি আগবঢ়ায়। নৈবেদ্য আগবঢ়োৱাৰ পিছত ৰাইজে নাম পৰিৱেশন কৰে।অৱশ্যে সকলো পৰিয়ালতে শৰাই দি নাম পৰিৱেশন কৰা নহয়। কাৰণ গোটেই গাঁওখন ঘূৰিবলৈ বহুত সময়ৰ প্ৰয়োজন হয়। বেছিভাগ লোকৰ ঘৰত সাধ্যানুসাৰে চাউল আৰু মাননি দি বাঁহ গোঁসাইৰ সন্মুখত আঁঠু লয় । বাঁহ গোঁসাইৰ লগত যোৱা ৰাইজে হৰিধ্বনি দি আশীৰ্বাদ দিয়ে। বঁটাৰ পৰা সেৱা কৰা জনক নিৰ্মালি দিয়া হয়। নাম পৰিৱেশন কৰা গঘস্থৰ ঘৰত নাম শেষ হোৱাৰ পিছত গৃহস্থৰ সকলো সদস্যই গোঁসাই বাঁহৰ সমুখত আঁঠুলৈ সেৱা কৰে। নিজৰ মনৰ কামনা পূৰণ হঁওক

বুলি গোঁসাইৰ নাম ধৰি “জয় গোপালক সুমৰ, হৰি বোল, হৰি বোল, হৰি বোল, হৰি বোল, গৃহস্থৰ মনৰ কামনা পূৰ্ণ হঁওক হৰি বোল, হৰি বোল, হৰি বোল বুলি আশীৰ্বাদ দিয়ে।”এইদৰে গৃহস্থই আগবঢ়োৱা মাহ-প্ৰসাদ সকলোৱে গ্ৰহণ কৰাৰ পাছত গোঁসাই বাঁহ লৈ ৰাইজ আন এঘৰলৈ যায়।

গোঁসাই বাঁহ পোনতে গাঁৱৰ কোনো মান্যবৰ লোকৰ ঘৰলৈ নিয়া হয়। তাৰপিছত দেউৰীৰ ঘৰলৈ নিয়া হয়। তাৰপিছতহে সৰ্বসাধাৰণ ৰাইজৰ ঘৰলৈ নিয়া হয়। দিনটো গোঁসাই বাঁহ ফুৰাই সূৰ্য অস্ত যোৱাৰ পাছত গোঁসাই বাঁহ গোঁসাই ঘৰত থোৱা হয়। এইদৰে ৰবিহু অৰ্থাৎ মানুহ বিহুৰ দিনাৰ পৰা পাঁচ বিহুৰ দিনালৈ চলে। শৰণীয়া কছাৰীসকলে ছয় ব'হাগৰ দিনা আজিকালি সমূহ বাঁহ গোসাইক একেলগ কৰি এঠাইত লগ হৈ জাতীয় উৎসৱ হিচাপে পালন কৰিবলৈ লৈছে। ৰাইজৰ পৰা পোৱা টকা-পইচা, চাউল আদি বৰঙণিৰ এটা অংশ গোঁসাই ঘৰৰ উন্নয়নৰ কাৰণে ব্যয় কৰা হয় আৰু বাকী অংশ ৰাইজে লগভাত খায়। বছৰটোলৈ গোঁসাই ফুৰোৱা ইমানতেই সামৰণি পৰে।

তামুলপুৰ অঞ্চলৰ টোটোলা ৰাভাসকলে আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ধমধমা, ফুলতল, গোবালবিল, ঘোঁৰামাৰা. হাঁহকটা, টুপলীয়া, কটাহবাৰী, ৰৌমাৰী, কান্দুলিমাৰা, বৰভেৰা, চৰিয়া, মাজদিয়া, দৰঙা পাৰ, উলুবাৰী, সাপকাটা, দলংপাৰ, ভকতপাৰ, কালাকুচী, বৰবেলবাৰী, কছুবাৰী বৰ বালিসিয়া আদি ঠাইত থকা শৰণীয়া কছাৰীসকলে আজিও আন্তৰিকতাৰে পালন কৰি আহিছে।

## হোম পুৰা আৰু বাঁহ খহোৱা উৎসৱ ঃ

গোঁসাই বাঁহক কেন্দ্ৰ কৰি আন এটা লোকাচাৰ ব'হাগ মাহতে অনুষ্ঠিত হয়। ব'হাগৰ পূৰ্ণিমা তিথিৰ দিনা গোঁসাই ঘৰত হোম পুৰাৰ লগতে বাঁহ খহোৱা অৰ্থাৎ গোঁসাই বাঁহ নমাই থোৱা হয়। উক্ত দিনা গোঁসাই ঘৰত গাঁৱৰ ৰাইজৰ মংগলৰ হকে পুৰোহিতৰ দ্বাৰা হোম পুৰা হয়। এই উৎসৱত গাঁৱৰ ৰাইজে আগেয়ে মানস কৰি থোৱা ঠগি(শৰাই,নৈবেদ্য), হাঁহ, পাৰ, ছাগলী আদি দান কৰে।

পুৰোহিতে হোম পুৰি থকা সময়ত আন পিনে নাম চলি থাকে। এই নাম-কীৰ্তনৰ দল সমূহে ভগবানৰ আশীৰ্বাদ পোৱাৰ বাবে নিজে মানস কৰি নাম গাবলৈ আহে। নাম-কীৰ্তনৰ দলসমূহে এটা দলৰ শেষ হ'লে আনটো দলে গায়। এইদৰে হোম শেষ নোহোৱালৈকে নাম কীৰ্তন চলি থাকে। হোম শেষ হোৱাৰ পিছত সকলোৱে গোঁসাইৰ আগত আঠু কাঢ়ি সেৱা লয় আৰু পুৰোহিতে সকলোকে নিৰ্মালি দিয়ে। নিৰ্মালি লোৱা হোৱাৰ পাছত দুজন ডেকালৰাই বাঁহদাল গোঁসাই ঘৰৰ পৰা উলিয়াই লৈ আনে। আগধৰাজনে বাঁহদাল ওপৰলৈ উৰুৱাই দিয়ে আৰু গোৰধৰাজনে বাঁহদাল কিছুসময় ওপৰতে ধৰি ৰাখে । তাৰপাছত ৰাইজে ঢোল, তাল, শংখ ঘণ্টা আদি বজাই গোঁসাই ঘৰৰ চাৰিওফালে সাতপাক ঘূৰে। এইদৰে ঘূৰোতে প্ৰতিবাৰতে গোঁসাই বাঁহদাল গোঁসাই ঘৰৰ সমুখ পোৱাৰ লগে লগে আগৰ মুকুটটোৱে গোঁসাই ঘৰৰ পিনে মূৰ দোৱাই সেৱা কৰে গোঁসাই সাত পাক ঘূৰাই থাকোতে আয়তীসকলে গোঁসাইৰ দশ-অৱতাৰৰ ৰূপ বৰ্ণনা কৰি গীত গাই থাকে। সাতপাক ঘূৰালৈকে দশাবতাৰৰ গীত গায়েই থকা হয়।

সাতপাক ঘূৰা শেষ হোৱাৰ পিছত গোঁসাই বাঁহদাল পুনৰ গোঁসাই ঘৰৰ ভিতৰলৈ নিয়া হয় আৰু বাঁহ দাল দুদাল বাঁহৰ মাৰিৰ ওপৰত পেলাই লৈ বাঁহদালৰ পৰা ৰুমাল কাপোৰ ছোঁৰৰ আৰু মুকুট আদি খুলি হোমৰ পানী ছটিয়াই ছোঘৰৰ ভিতৰৰ বাকচত সুমুৱাই থোৱা হয়। তাৰপিছত আগৰ বছৰৰ পুৰণি বাঁহদাল উলিয়াই অনা হয় আৰু সেই বাঁহদালৰ ভেলৰ ওপৰত দি অৰ্থাৎ হোম শেষ হোৱাৰ পিছত যিবোৰ নৈবেদ্য নদীত উটুৱাই দিবলৈ নিয়া হয় তাৰ লগতে উক্ত বাঁহদালো উটুৱাই দিবলৈ নিয়া হয়। ভেলখন চাৰিজন ডেকা ল'ৰাই চাৰিটা কোণত ধৰি আৰু এজন আগত মুঠ পাঁচ জনে ধৰি নদীলৈ উটুৱাই দিবলৈ নিয়ে। পিছে পিছে ঢোল, তাল, ঘণ্টা আদি বজাই বছৰৰ কাৰণে গোঁসাই বাঁহক উটুৱাই দি বিসৰ্জন দিয়ে। নদীত উটুৱাই বিসৰ্জন দি ঘূৰি আহোতে পিছলৈ উভতি চাব নেপায় বুলি কোৱা হয়।

ইয়াৰ পিছত সকলো ৰাইজে গোঁসাই ঘৰৰ সমুখত বহি সেৱা কৰে আৰু পুৰোহিতে মন্ত্ৰ মাতি হোমৰ ছাইৰে সকলো ভক্তৰে কপালত তিলক লগায় আৰু পুস্পাঞ্জলি আগবঢ়ায়। ইয়াৰ পাছত প্ৰসাদ বিতৰণ কৰা হয়। প্ৰসাদ বিতৰণৰ পাছত প্ৰীতি ভোজ অনুষ্ঠিত হয়। ভক্তই গোঁসাইলৈ

আগবঢ়োৱা হাঁহ, পাৰ, ছাগলী আদি মুছৰি মাৰি গোঁসাইক আগবঢ়োৱাৰ পাছত মাংসখিনি প্ৰীতি ভোজনত ভক্ত ৰাইজক প্ৰসাদ হিচাপে আগ বঢ়ায়।

## ভঠেলি ঃ

ভঠেলি ব'হাগ মাহত নলবাৰী জিলা আৰু পুৰণি দক্ষিণ কামৰূপ অঞ্চলৰ ঠায়ে ঠায়ে অনুষ্ঠিত হৈ অহা এটি সুপ্ৰাচীন তথা পৰিচিত উৎসৱ। এই উৎসৱটোও সামাজিক ঐক্য -সংহতি আৰু সমৃদ্ধিৰ বাবে পালন কৰা এটি অৰ্থবহ লোক উৎসৱ। নলবাৰী জিলাৰ প্ৰায়বোৰ অঞ্চলতে এই উৎসৱ অনুষ্ঠিত হৈ আহিছে। নলবাৰী জিলাৰ চামতা, বেলশৰ, বাটচৰ, বালা, গমাৰিমূৰি, কৈঠালকুছি, কামৰূপ জিলাৰ আৰিকুছি, কমাৰকুছি, ৰামদিয়া, উলাবৰি, ছান্দকুছি, সন্ধা আদি অঞ্চলত অতি উৎসাহেৰে এই উৎসৱ পালন কৰা হয়। ঘাইকৈ লোকবিশ্বাসৰ আধাৰতে অনুষ্ঠিত এই উৎসৱৰ মূল হ'ল বৃক্ষপূজা। বজালী অঞ্চলৰ পাওৱা তোলা আৰু জনজাতীয় সমাজত প্ৰচলিত গোঁসাই বাঁহ উৎসৱৰ সৈতে ইয়াৰ কিছু সাদৃশ্য আছে।তিনিওবিধ লোকাচাৰতে বাঁহ এডালক গোঁসাই হিচাপে পূজা কৰা হয়। ব'হাগ বিহুৰ পাছত মাহটোৰ যিকোনো এটা দিন ভঠেলিৰ বাবে নিৰ্দিষ্ট কৰা হয়। অঞ্চলভেদে ভঠেলিৰ দিন বেলেগ বেলেগ। কোনো অঞ্চলৰ লোকে বছৰৰ নিৰ্দিষ্ট এটা দিনতেই ভঠেলি অনুষ্ঠিত কৰি অহাৰো উদাহৰণ নোহোৱা নহয়।যেনে চামতাৰ নিকটবৰ্তী গমাৰিমূৰি অঞ্চল। এই অঞ্চলৰ লোকে ব'হাগ মাহৰ ৩০ তাৰিখৰ দিনা প্ৰতিবছৰে ভঠেলি অনুষ্ঠিত কৰি আহিছে। অঞ্চলটোৰ প্ৰায় আঢ়ৈশ বছৰ পুৰণি এখন থানত ভঠেলি পতা হয়।১৯৯০ চনৰ পৰা অনুষ্ঠিত এই অঞ্চলৰ ভঠেলিৰ ৰূপালী জয়ন্তী বৰ্ষ আড়ম্বৰেৰে পালন কৰা হৈছিল। ভঠেলিৰ দিনা পুৱা গাঁৱৰ লোকসকলে গা-পা ধুই ভঠেলিৰ বাবে চাই থোৱা বাঁহ এদাল কাটি আনে । দীঘল, পোন আৰু পূৰঠ বাঁহ ভঠলিৰ বাবে লোৱা হয়।তাৰ পিছত বাঁহদাল চাচি-চুৰুকি, ধোৱাই -পখলাই লোৱা হয়। চিকুণ বাঁহদাল( যাক পাৰ বুলি কোৱা হয়)ৰ গাটো কাপোৰেৰে মেৰিওৱা হয়(নতুন বগা কাপোৰ বা নতুন গামোচা)। থানৰ পূজাৰীয়ে পূজা কৰাৰ পাছত ৰাইজে শোভাযাত্ৰা কৰি পাৰটোক থানত থকা বৰগছৰ তললৈ অনা হয় আৰু ৰাইওজে মিলি তাত পাৰ পোতে। গছজোপাৰ তলখিনি আগতেই সাৰি-মাচি চিকুণাই থোৱা হয়। তাৰপাছত ভঠেলিৰ ৰীতি-নীতি আৰম্ভ হয়।বিধিগত পূজা, হোম আদি কৰাৰ পাছত পূজাথলীত উপস্থিত ৰাইজে সেৱা লয়, পূজৰীয়ে আশীৰ্বাদ দিয়ে আৰু পিছতেই প্ৰসাদ বিতৰণ কৰা হয়। গাঁৱৰ ৰাইজে মিলি সেইদিনা ভঠেলিৰ থলীতেই খিচিৰি ভোগ গ্ৰহণ কৰে। সমূহ ৰাইজৰ অন্ন গ্ৰহণ সমাপণ হোৱাৰ পাছত পুনৰ ঠাইখন সাৰি-মচি চিকুণাই লৈ ওজাপালি পৰিৱেশনৰ বাবে সাজু কৰা হয়। উপস্থিত ৰাইজে একেলগে স্থানীয় ঢুলীয়া ভাৱৰীয়াই পৰিৱেশন কৰা ওজাপালি নৃত্য উপভোগ কৰে।

## পাওৱা তোলা ঃ

পাওৱা তোলা উৎসৱটো নামনি অসমৰ এক জনপ্ৰিয় লোক উৎসৱ। পাওৱা তোলা উৎসৱ নামনি অসমৰ বহুতো ঠাইত অনুষ্ঠিত হয় যদিও বজালীৰ পাওৱা তোলা উৎসৱৰ এক বিশেষ পৰিচিতি আছে। নলবাৰী জিলাৰ লগতে পুৰণি দক্ষিণ কামৰূপ অঞ্চলৰ বিভিন্ন ঠাইত ব'হাগ বিহুৰ সময়তে অনুষ্ঠিত হোৱা ভঠেলি উৎসৱৰে নামান্তৰ এই পাওৱা তোলা উৎসৱ। বৰপেটা জিলাৰ পাটাছাৰকুছি অঞ্চলৰ পাওৱা তোলা উৎসৱৰ এক বিশেষ পৰিচিতি আছে।

এই উৎসৱ সাতবিহুৰ দিনা অৰ্থাৎ ছয় ব'হাগৰ দিনা পালন কৰা হয়। ব'হাগ বিহু আৰম্ভ হোৱাাৰ লগে লগে পাটাছাৰকুছি অঞ্চলৰ আশে-পাশে থকা বৰনলীকুছি নিজ সৰিহ, বামুণকুছি, সৰিহ চাকলা, বেজকুছি আদি গাঁৱৰ মানুহবোৰে পাওৱা তোলা কামত লাগি যায়। স্থানীয় বিহু সমিতিয়ে আজিকালি এই উৎসৱৰ লগত সংগতি ৰাখি পাওৱা তোলা প্ৰতিযোগিতাৰ আয়োজন কৰা বাবে প্ৰত্যেক গাঁৱৰ মানুহে নিজৰ পাওৱাটো আটাইতকৈ ওখ আৰু দেখাত শুৱনি কৰিবলৈ চেষ্টা কৰে। পাওৱাটো ওখ কৰাৰ বাবে প্ৰত্যেক গাঁৱৰ মানুহে কেতিয়াবা দুই-তিনিদাল বা চাৰি-পাঁচদাল বাঁহো জোৰা দিয়া দেখা যায়। বাঁহবোৰ ঠেকাৰ ওপৰত তুলি দি এদাল বাঁহৰ লগত আন এদাল বাঁহ মজবুতকৈ জোৰা দিয়া হয়। কিছুমানে পাওৱাটোৰ মাজে মাজে বিভিন্ন

ৰং দিয়ে আৰু আন কিছুমানে গোটেই পাওৰাটোত ৰং-বিৰঙৰ কাপোৰ পিন্ধাই দিয়ে। এনেদৰে পাওৰা তৈয়াৰ কৰোতে তেঁওলোকৰ চাৰি পাঁচ দিন লাগি যায়। তাৰপিছত সাত বিহুৰ দিনা আবেলি ৰাইজে স্থানীয় শিৱ-দূৰ্গা মন্দিৰ প্ৰাংগনলৈ লৈ আহে। গাঁৱৰ পৰা মানুহে উৎসৱথলীলৈ পাওৰাটো আনোতে দহ-বাৰ জন মানুহে ধৰি আনিব লগীয়া হয়। পাওৰাটো দাঙি আনোতে সমূহ ৰাইজে বৰকাঁহ, তাল, খোল বজাই এক মাংগলিক শোভাযাত্ৰা কৰি আনে। পাওৰাকেইটা থিয় কৰোতে প্ৰতিখন গাঁৱৰ মানুহে হৰিধ্বনি দিয়ে। সমবেত ৰাইজে অঞ্চলটোৰ সুখ সমৃদ্ধি কামনাৰে পাওৰাৰ আগত সেৱা লয়।

আজিকালি পৰম্পৰাগত এই লোকাচাৰবিধক লৈ এক প্ৰতিযোগীতাৰ আৰম্ভণি হোৱা বাবে পাটাছাৰকুছি অঞ্চলটোত পাওৰা তোলা উৎসৱৰ জনপ্ৰিয়তা বৃদ্ধি হোৱা বুলি জনালে স্থানীয় প্ৰবক্তা হৰ্ষ শৰ্মাই।

একেটা লোকাচাৰেই আকৌ উত্তৰ বজালী মহকুমাৰ অন্তৰ্গত পাটাছাকুছিৰ পৰা প্ৰায় সাত-আঠ কিলোমিটাৰ উত্তৰে অৱস্থিত কুৰোবাহা নামৰ গাঁওখনত কিছু বেলেগ ধৰণে পালন কৰা হয়। কুৰোবাহাৰ বাসিন্দা শিক্ষক হিতেশ্বৰ তালুকদাৰে জনালে গাঁওখনত পাওৰা তোলা এক লোকধৰ্মীয় পূজাৰ দৰে অনুষ্ঠিত হয়। সাতবিহুৰ দিনা অৰ্থাৎ ছয় ব'হাগৰ দিনা কুৰোবাহাৰ ৰাইজে স্থানীয় গোঁসাইঘৰৰ প্ৰাংগনত উপস্থিত হৈ পাওৰা তোলে। তাৰপিছত গাঁৱৰ পুৰুষ-মহিলা, ডেকা-গাভৰু, ল'ৰা-ছোৱালী সকলোৱে পাওৰাটো লৈ স্থানীয় কেইখনমান গাঁৱলৈ সমদল কৰি যায়। মহিলাসকলে নাম গাই গাই যোৱাৰ লগতে পুৰুষসকলে শংখ, বৰকাঁহ, দবা, খোল আদি বজাই যায়। তেনেদৰে পাওৰাৰ সমদল পদূলিৰে যাঁওতে গৃহস্থই বৰঙণি আগবঢ়াই সেৱা যাচে আৰু সমদল কৰি যোৱা দলটোৱে সেৱকীক আশীৰ্বাদ দিয়ে। পাওৰা ঘূৰোৱা হোৱাৰ পিছত পাওৰাটো পুনৰ গোঁসাইঘৰলৈ লৈ অহা হয়। পাওৰা তোলা উপলক্ষে সেইদিনা গোঁসাইঘৰ প্ৰাংগনত ওজাপালি, ঢুলীয়া, নাম আদি পৰিৱেশন কৰা হয়।

## ক্ষেত্ৰী বৰবিলা অঞ্চলৰ ভেলপূজা ঃ

বিধি-নিয়ম কিছু বেলেগ যদিও প্ৰায় একেধৰণৰ এভাগ পূজা প্ৰতিবছৰে ক্ষেত্ৰী ধৰ্মপুৰ বৰবিলা অঞ্চলতো অনুষ্ঠিত হৈ আহিছে।ব'হাগ মাহত সৰ্বসাধাৰণৰ মংগলৰ বাবে কৰা পূজা এইবিধ। ভেলপূজা ঘাইকৈ মনসদেৱীৰ পূজা। পাঁচদিনীয়াকৈ পূজাভাগৰ আয়োজন কৰা হয়।গাঁৱৰ ৰাইজে পূজাৰ দিনা ৰাতিপুৱাৰে পৰা লগ হৈ কলগছ কাটি ভেল(ভূৰ) এখন সাজে। পূজা উপলক্ষে আগদিনাৰ পৰাই ব্ৰত পালন কৰে গাঁওবাসীয়ে।এই পূজাতো জীৱ-জন্তু উছৰ্গা তথা বলিৰ বিধান আছে।পূজা-ভাগ ঘাইকৈ মাছমৰীয়া সম্প্ৰদায়ৰ লোকে কৰে। পূজাৰ অন্তত চাকি-বন্তি, পূজাত ব্যৱহৃত ফুল-তুলসী আদি বিলত বিসৰ্জন দিয়া হয়।পূজা উপলক্ষে পূজাৰ আটাইকেইদিন ওজাপালি, নাগাৰা নাম, ঢুলীয়া নাম আদি পৰিৱেশন কৰা হয়।

## নদলাৰ চৌপূজাঃ

নলবাৰী জিলাৰ চামতা অঞ্চলৰ দাঁতিকাষৰীয়া নদলা অঞ্চলত ব'হাগ মাহত চৌপূজা অনুষ্ঠিত হয়। এই পূজাভাগে ১১৬ বছৰত ভৰি দিছে। পূজাভাগ কেঁচাইখাতী মন্দিৰত অনুষ্ঠিত হয়। জনশ্ৰুতি অনুসৰি শতিকাপূৰ্বে এই অঞ্চলটোত কলেৰা মেলেৰিয়া আদি ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰাত ৰোগৰ পৰা পৰিত্ৰাণ পোৱাৰ কামনাৰে অঞ্চলবাসীয়ে গাঁৱৰ কেঁচাইখাতী মন্দিৰত চৌপূজাৰ আৰম্ভণি কৰিছিল। গাঁৱৰ ৰাইজে পূজাৰ বাবে নিৰ্দিষ্ট দিনটোত কলগছ কাটি এখন ভূৰ সাজে। ভূৰখনত চাকি-বন্তি জলোৱা হয়। ৰাইজে সেই পূজাত অঞ্চলটোৰ কুশল-মংগল, ৰোগাৰোগ্য কামনা কৰি বলি-বিধান দিয়ে। ব্যক্তিগতভাৱেও কোনো পৰিয়াল বা লোকে হাঁহ-পাৰ ছাগলী আদি বলি দিয়ে। পূজাৰ অন্তত কলৰ ভেল বা চৌখন নপাৰাৰ বুঢ়াদিয়া নদীত উটুৱাই দিয়ে। নদলা অঞ্চলৰ বাসিন্দা খগেন বৰ্মনৰ পৰা জানিব পাৰিলো এই পূজাভাগৰ প্ৰতি স্থানীয় লোকৰ আস্থাৰ কথা। এটা শতিকাৰ পূৰ্বৰ অজ্ঞ, প্ৰায় অনাখৰী সমাজখনে মাৰি-মৰকৰ পৰা পৰিত্ৰাণ পাবলৈ আৰম্ভ কৰা পূজাভাগৰ প্ৰাসংগিকতা হয়তো আজিৰ চিকিৎসা বিজ্ঞানৰ জয়জয়কাৰৰ

দিনত পাবলৈ নাই। কিন্তু স্থানীয় সকলো লোকে আজিও অত্যন্ত নিষ্ঠাসহকাৰে চৌ-পূজা অনুষ্ঠিত কৰি আহিছে। পূজাভাগৰ মাহাত্ম্যৰ প্ৰতি স্থানীয় ৰাইজ আজিও শ্ৰদ্ধাশীল।

## পুতেলি বিয়া ঃ

পুতেলি বিয়া বা পুতলা বিয়াৰ লোকাচাৰ পালন কৰা হয় বসন্ত কালত অৰ্থাৎ ৰঙালী বিহুৰ বতৰত। বিহুৰ ছটা দিনৰ ৰং-ৰহইচৰ পাছত সাত বিহুৰ দিনা এই উৎসৱ পালন কৰা হয়। এই পুতলা বিয়া অকল যদিও মহিলা সকলৰ মাজতে সীমাবদ্ধ,ইয়াত আনকি গাভৰু ছোৱালীয়েও অংশ নলয়। পুৰুষৰ অংশগ্ৰহণ মুঠেও দেখা নাযায়। কিন্তু এই বিয়া প্ৰত্যক্ষ কৰাত কাৰো ওপৰত কোনো ধৰণৰ বাধা নাই।

বৰপেটা জিলাৰ বজালী মহকুমাৰ সৰিহ মৌজাৰ অন্তৰ্গত বৰবাটাবাৰী গাঁৱৰ টঙাৰকুৰ চুবুৰিত শতিকাপূৰ্বৰে পৰা এটি উৎসৱ পালন কৰি অহা হৈছে পুতেলি বিয়া। বিয়াৰ বাবে পুতলা সাজিবলৈ বয়ৰহাৰ কৰা উপাদান দুবিধ হ'ল--উলু খেৰ আৰু নানা ৰঙৰ সূতা। উলু খেৰবোৰ ডেৰ-দুফুটকৈ উচ্চতাত কাটি তাৰ ওপৰত নানাৰঙী সূতা মেৰিয়াই দিয়া হয়। উৎসৱৰ দিনাখন তিৰোতাবোৰে পুৱাৰে পৰা নামঘৰ বা তেনেকুৱা পৱিত্ৰ স্থানত নানা ৰঙৰ পুতলা সাজিবলৈ আৰম্ভ কৰে। কিছুমান মহিলাই নিৰ্দিষ্ট কোনো ৰঙৰ পুতলা মানসো কৰে। সেইবোৰ তেঁওলোকে নিজেই ঘৰত সাজি ৰাইজৰ পুতলাৰ লগত ঘৰত দি দিয়ে। পুতলাবোৰ দুই প্ৰকাৰৰ সজা হয়--কিছুমান দৰা (পুৰুষ) আৰু কিছুমান কইনা (মহিলা)।

মহিলাসকলে তেঁওলোকৰ মাজৰ পৰা কোনো এগৰাকীক দৰা-কইনাৰ মাক হিচাপে নিৰ্বাচন কৰে। অকল মাকহে থাকিব পাৰে, দেউতাক থাকিব নোৱাৰে।ইয়াত আকৌ এটা নিয়ম আছে-- যিকেইগৰাকী মহিলাক দৰা-কইনাৰ মাক নিৰ্বাচন কৰা হয়, তেঁওলোক নিঃসন্তান হ'ব লাগিব।

দিনত পুতলা সজোৱা কাম হোৱাৰ পিছত সন্ধিয়া সময়ত মহিলাসকলে বিয়া নাম গাই গাই দৰা-কইনাক বেলেগ বেলেগকৈ কলপুলিৰ তলত গা-পা ধুৱাই বিভিন্ন ৰঙৰ সাজ-পাৰ পিন্ধাই দিয়ে। ইয়াৰ পিছত দৰাক এদল মহিলাই ঘেৰি ৰাখে আৰু ঠিক তেনেদৰে কইনাকো আন এদল মহিলাই ঘেৰি থাকে যাতে দৰা-কইনাই এটাই আনটোক দেখা নাপায়। এইদৰে কইনাকো বহুৱাই ৰাখি আন মানুহে দেখা পোৱাকৈ কিন্তু দৰাই নেদেখাকৈ ৰখা হয়।এইখিনি সময়ত বিভিন্ন জনে মাছ, কণী আদি দৰা-কইনাক উপহাৰ হিচাপে দিয়ে।ইয়াৰ কিছু সময় পিছত দৰাক কইনাৰ কাষত উপস্থিত কৰোৱাৰ পাছত হোম-যজ্ঞ কৰি বিবাহকাৰ্য সমাপন কৰা হয়। এই বিবাহ অনুষ্ঠানত পৌৰোহিত্য কৰা, হোম-যজ্ঞ কৰা আদি সকলো কাম নিঃসন্তান মহিলাকহে কৰিবলৈ দিয়া হয়। বিবাহ হৈ যোৱাৰ পিছত উভয় পক্ষই দৰা-কইনাৰ বিবাহিত জীৱন অতিবাহিত কৰিবলৈ ওচৰতে যদি নদী থাকে তেন্তে কলৰ ভূৰ সাজি নদীত দুয়োকে উটুৱাই দিয়া হয় আৰু যদি নদী নাথাকে এজোপা ডাঙৰ গছৰ তলত থৈ আহে। অৱশ্যে কলৰ ভূৰখন কলঢকুৱাৰে চাৰিওফালে ঘেৰি দিয়া হয় আৰু ঠিক তেনেদৰে গছৰ তলতো চাৰিওফালে ঘেৰি এটি খেৰৰ ঘৰ সাজি দৰা-কইনাক বাস কৰিবলৈ দিয়া হয়। তাৰপিছত সকলোৱে মাহ-প্ৰসাদ খাই ঘৰলৈ ওভতে।

পুতলা বিয়াৰ এটি গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। এই বিয়াত মানুহৰ বিয়াৰ সকলোখিনি নীতি নিয়ম পালন কৰা হয়। জোৰণ দিয়া, পানী তোলা, উৰুলি দিয়া, আখৈ তোলা আদি সকলো মহিলাসকলে ভাগে ভাগে কৰে। আনহাতে মন কৰিবলগীয়া যে নিঃসন্তান মহিলাসকলক এইকামবোৰত আগভাগ ল'বলৈ দিয়া হয়। অৰ্থাৎ সতি-সন্ততি থকা মহিলাই নিজৰ পুত্ৰ-কন্যাক বিয়া দি যি আনন্দ লাভ কৰে পুতেলি বিয়াৰ জৰিয়তে নিঃসন্তান মহিলাসকলকো সেই আনন্দ উপভোগৰ সুযোগ দিয়ে লগৰীয়া মহিলাসকলে।

## জলাহ বামুণী গাঁৱৰ দেওধা পূজা ঃ

উত্তৰ গুৱাহাটীৰ দাঁতিকাষৰীয়া সাতগঢ় অঞ্চলটোৰ জনসাধাৰণৰ মাজত বিভিন্ন লোকধৰ্মীয় উৎসৱ বা পৰম্পৰা চলি আহিছে । এনে উৎসৱৰ ভিতৰত অন্যতম জলাহ বামুণী গাঁৱৰ বুঢ়া ডাঙৰীয়াৰ নামঘৰত প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা জকীপূজা বা দেওধা পূজা। গাঁওখনক মহামাৰী বা অপায়-অমংগলৰ পৰা ৰক্ষা কৰাৰ বাবে ইষ্ট দেৱতাক সন্তুষ্ট কৰাৰ উদ্যেশ্যে বছৰৰ

আৰম্ভণিতে এই উৎসৱ পালন কৰা হয়। ব'হাগ মাহৰ যিকোনো এটা দেওবাৰে এই পূজা পতা হয়। পূজাৰ দিনা যিসকল লোকৰ গাত দেও লম্ভে বা জকে তেঁওলোকে ভৰিষ্যতৰ কথাও ক'ব পাৰে বুলি অঞ্চলটোত লোকবিশ্বাস আছে। পৰম্পৰাগতভাৱে চলি অহা এই পূজাভাগ অঞ্চলটোৰ ঐতিহ্যত পৰিণত হৈছে।এই পূজাভাগৰ লগত ওতঃপ্ৰোতভাবে জড়িত নিৰ্মল দাসে জনোৱা মতে,পূজাৰ আগৰ দিনা ,শণিবাৰে গাঁৱৰ ৰাইজে ইয়াৰ ওচৰতে থকা দীৰ্ঘেশ্বৰী দেৱালয়লৈ গৈ দেৱীলৈ নৈবেদ্য আগবঢ়ায় আৰু পূজালৈ দেৱীক নিমন্ত্ৰণ জনায়। সেইদিনা গাঁৱৰ ৰাইজে দেৱীলৈ বুলি চাউল, দাইল, পাৰ এযোৰ আৰু পঠা ছাগলী উৎসৰ্গা কৰে। গাঁওখনৰ যিসকল লোক সেইদিনা তালৈ যায় , তেঁওলোকে তাতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি নিশাৰ ভাগত নাগাৰা নাম গায়। কোনো কোনো ভক্তই নিজৰ মনোবাঞ্চা পূৰণৰ বাবে ব্যক্তিগতভাবেও পাৰ চৰাই বা হাঁহ -ছাগলী উৎসৰ্গা কৰে। ইয়াৰ পৰবৰ্তী দিনা, দেওবাৰে দেওধাৰ মূল পূজা অনুষ্ঠিত হয়। চুবুৰীয়া অঞ্চলৰ লগতে বিভিন্ন স্থানৰ পৰা পূজাৰ বাবে মানুহৰ সমাগম হয়। সান্দহগুৰি, কল, পিঠাগুৰি, মলাচৰুত সজাই পূজা কৰা হয়। পূজাৰ ঢোল বজাৰ লগে লগে জকী বা দেওধাসকলে নাচিবলৈ আৰম্ভ কৰে নাচোনৰ তালে তালে দেওধাসকলে জীৱন্ত পাৰন চৰাই মুচৰি তাৰ তেজ খায়। পূজা চাবলৈ অহা লোকে দিয়া ডাব নাৰিকলো খায়। তেঁওলোকে জুইশিখা ভক্ষণ কৰা দৃশ্য লোমহৰ্ষক। ব'হাগ মাহ আৰম্ভ হোৱাৰ পৰাই জকীসকলৰ গাত পৰিবৰ্তন দেখা দিবলৈ ধৰে। জকী বা দেওধা সকলৰ নিৰ্দিষ্ট নামো আছে, যেনেঃ শিৱ, লক্ষী, বগলা, বিষহৰি, দীৰ্ঘেশ্বৰী আৰু কালী। লক্ষ্মী, বগলা আৰু বিষহৰিয়েহে ভৰিষ্যতৰ কথা ক'ব পাৰে। তেঁও জনোৱা মতে যিসকলৰ গাত দেওধাই লম্ভে তেঁও প্ৰথম ব'হাগৰ দিনা ব্ৰত পালন কৰিব লাগে আৰু পূজাৰ দিনালৈকে নিয়ম-নীতি মানি চলিব লাগে। এই সময়ছোৱাত তেঁওলোকে নিচাযুক্ত বস্তু গ্ৰহণ কৰিলে ভৰিষ্যতৰ কথা ক'ব নোৱাৰে হেনো। পূজাৰ আগদিনা নাগাৰা নামৰ সময়ত দেওধা সকলৰ গাত জক দিয়াৰ লক্ষণ দেখা দিয়ে।দেওধা পূজাৰ আৰম্ভণি হৈছিল শতিকাপূৰ্বেই। গাঁওখনত কোনো সময়ত কলেৰা ৰোগে মাহামাৰী ৰূপ ধাৰণ কৰাত গাঁৱৰ ধৰ্মপ্ৰাণ লোকসকলে ওচৰৰ দীৰ্ঘেশ্বৰী মন্দিৰত নৈবেদ্য আগবঢ়াই এই পূজাৰ আৰম্ভ কৰিছিল।

### দ্বিতীয় অধ্যায়

# অসমৰ কৃষিভিত্তিক লোকাচাৰ

অসম মূলত এখন কৃষিপ্ৰধান ৰাজ্য। ৰাজ্যখনত যিমানসংখ্যক জাতি-জনজাতি আছে সকলোৱেই কৃষিৰ সৈতে অতীজৰে পৰা জড়িত আৰু আজিও কৃষিৰ সৈতে সৰ্বসাধাৰণৰ ৰাইজৰ এই ওতঃপ্ৰোত সম্পৰ্ক অটুট আছে। ৰাজ্যখনৰ সকলো জাতি-জনজাতিৰে কৃষিভিত্তিক লোকাচাৰ আছে। লোকাচাৰসমূহৰ উদ্দেশ্য একেই, পালনৰ সময়ো একেই আৰু বহুতৰে পদ্ধতিও প্ৰায় একেই যদিও জনগোষ্ঠীভেদে লোকাচাৰসমূহৰ নাম ভিন ভিন হয়। ঋতুভেদে ভিন ভিন খেতি কৰা হয়। কৃষিকাৰ্য আৰম্ভ কৰাৰ পূৰ্বে কিছুমান নিয়ম-নীতি পালন কৰা হয়। এইধৰণৰ নিয়ম-নীতি মানি চলিলে ভাল ফচল উৎপাদন হয় বুলি লোকসমাজত বিশ্বাস প্ৰচলিত আছে।

কৃষিকাৰ্যৰ আৰম্ভণিৰ পৰা শেষলৈকে বহুতো লোকাচাৰ পালন কৰা হয়। তাৰ ভিতৰত প্ৰধান তথা উমৈহতীয়া লোকাচাৰসমূহ হ'ল--

হালযাত্ৰা, মুঠিমেলা, গছা দিয়া বা গছা পোতা, বাম্বোল পিটা,কাতি গাছা, আগ আনা, সাউৰি দিয়া, বিধান ৰখা, নতুন ধানৰ প্ৰসাদ দিয়া, ন-খোৱা, ম'হ খেদা আদি।

### হালযাত্ৰা ঃ

ব'হাগ বিহু পালন কৰাৰ পাছতহে সাধাৰণতে কৃষকে পথাৰত শালি খেতিৰ বাবে হাল নমায়। কোনো এটা শুভ দিন চাই গৰু হাল, নাঙল-যুঁৱলি, এচাৰি লৈ পথাৰলৈ যায় হালোৱা। পথাৰলৈ যোৱাৰ আগতে গৰু হালৰ শিঙৰ লগতে ঠেং কেইখনতো সৰিয়হৰ তেল ঘঁহি গাটোত পিহি সেৰা জনাই পথাৰলৈ উলিয়াই লৈ যায়। পথাৰত নামি প্ৰথমে পূৰৰ পৰা পশ্চিমলৈ এক

আতৰ মাটি চহায়। হাল যাত্ৰাৰ দিনা মাত্ৰ দুই বা তিনি ডবলাহে মাটি চহায়। মাটি চহোৱা হোৱাৰ পাছত হালখন এৰি দিয়ে। সেইদিনাৰ পৰা পথাৰত হাল বোৱা কাম আৰম্ভ কৰে কৃষকে। পূৰ্ণিমা আৰু অমাবস্যা তিথিত হাল নাবায়।

## মুঠিমেলা ঃ

সাধাৰণতে ব'হাগ আৰু জেঠ মাহতেই আহু খেতি কৰা হয়। অৱশ্যে আজিকালি আহু ধানৰ খেতি কৰিবলৈ খেতিয়কসকলে এৰিয়েই পেলাইছে। আহু খেতি কৰিবলৈ হ'লে কষকে হালযাত্ৰাৰ দিনাৰ পাছৰে পৰা হাল বাই পথাৰখনৰ বন-বাত নিৰাই, জাবৰ-জোঁথৰ এঠাইত দ'ম কৰি লয়। তাৰপাছত সেইবোৰ পথাৰতে পুৰি দি মাটিদৰা ভালদৰে চহাই-মৈয়াই লয়। সুন্দৰকৈ চহ কৰা মাটিদৰাত আহুধানৰ বীজ সিঁচি দিয়া হয়। এই বীজ সিঁচাকে মুঠি মেলা বুলি কোৱা হয়। বীজ গজি উঠাৰ পাছত বিধা দিয়া হয়, অৰ্থাৎ ধানৰ গুৰিবোৰ খুচৰি দিয়া হয়। তাৰপিছত নিৰানি দিয়া দিয়া হয়, অৰ্থাৎ ধানগছৰ মাজে মাজে গজি উঠা বন-বাতবোৰ নিৰাই দিয়া হয়।

## গছা দিয়া ঃ

কঠীয়া পৰাৰ পাছত যেতিয়া কঠীয়াখিনি ৰুব পৰা হয়, তেতিয়া এদৰা মাটি প্ৰথমে চহাই-মৈয়াই লৈ বাবে বা ৰোৱা কাৰ্য আৰম্ভ কৰিবৰ বাবে সাজু হয় কৃষকসকল। গছা পুতিবলৈ হ'লে প্ৰথমে পঞ্জিকা চাই ভাল দিন এটা ঠিক কৰি লোৱা হয়। গছা পোতাৰ দিনা কাকো একো দিব নাপায় বুলি বিশ্বাস। গছা দিবৰ বাবে কিছুমান সামগ্ৰী লৈ যাব লাগে। যেনেঃ এডাল তুলসী গছ, এডাল ক'লা কচু, এডাল মৰাপাটৰ গছ, সৰু কলপুলি এটা, ধূপ-ধূনা, চাকি তেল-শলিতা, এখন আগলতি কলপাত। গছা দিবলৈ নিয়া সকলো সামগ্ৰীতে সেন্দুৰৰ ফোঁট দি লোৱা হয়। প্ৰথমে ঘৰৰ গৃহিণীয়ে পথাৰৰ আলিৰ ওপৰত সামগ্ৰীসমূহ গোটাই লৈ চাকি-বন্তি জলায়। তাৰপিছত তুলসী পুলিটো পথাৰৰ একোণত ৰোৱে। মৰাপাটৰ গছ, ক'লা কচুডাল আৰু কলপুলিটো ৰুই লখিমীলৈ সেৱা যাচে। তাৰপিছত বাঁওহাতত কঠীয়া লৈ সোঁহাতেৰে তিনিগছ ভুঁই ৰুই গছা দিয়া কাৰ্য সম্পন্ন কৰে।

## কাতি গাছা ঃ

**আগ আনা ঃ** অসমীয়া কৃষ সমাজে লখিমী আদৰা প্ৰথাটোক বা প্ৰথম পথাৰৰ ধান কাটি অনা প্ৰথাটোক আগ আনা বুলি কয়। বড়োসকলে এই লখিমী আদৰা প্ৰথাটোক মায়নাও লায়নায় বুলি কয়। লখিমী আদৰিবলৈ সাধাৰণতে সোমবাৰ বা বৃহস্পতিবাৰৰ দিনটো বাছি লোৱা হয়। সেইদিনা ঘৰৰ মহিলাসকলে ঘৰ-চোতাল গোবৰ-পানীৰে মচি শুচি কৰি লয়। কিছুমান জনগোষ্ঠীৰ ক্ষেত্ৰত  ঘৰৰ মূৰব্বী বা গৃহস্থজনে আগ আনিবলৈ যায় যদিও কোচ-ৰাজবংশীসকলে চেমনীয়া ল'ৰাৰ আৰু বড়োসকলে ঘৰৰ মূল মহিলাগৰাকীক আগ আনিবলৈ দিয়ে। আগ আনিবলৈ যাওতে এখিলা কলপাত, পানী এলোটা আৰু কাচি এখন লৈ ঘৰৰ মন্দিৰ বা গোঁসাই থাপনাৰ আগত থৈ সেৱা জনাই পথাৰলৈ যায়। পথাৰত নামি প্ৰথমে লোটাৰ পানী ছটিয়াই পবিত্ৰ কৰি লয় আৰু ধানখিনি কলপাতেৰে মেৰিয়াই মূৰত লৈ ঘৰলৈ আনে। কিছুমানে বাঁহৰ খৰাহিও লৈ যয় আৰু ধানৰ আগখিনি খৰাহিত লৈ মূৰত তুলি আনে। আগ আনি আহি থাকোতে পিছলৈ ঘূৰি চাব নাপায় আৰু কাৰো সৈতে কথা পাতিবলৈ নাপায় বুলি লোকবিশ্বাস প্ৰচলিত। তিৱাসকলেও লখিমী আদৰা উৎসৱটো একেধৰণেই পাতে, তেঁওলোকে লখিমী আদৰা প্ৰথাটোক ৰাজেগিৰি লুখুমি ফুজা বুলি কয়।  কাটি অনা ধানৰ আগখিনি ভঁৰালৰ গাধৈত বা বেৰত  ওলোমাই থোৱা হয়।

**ন-খোৱা ঃ** নতুন ধান আহি চোতাল পোৱাৰ পাছতে আৰম্ভ হয় মৰণা পৰা পৰ্ব। প্ৰথম মৰণা মৰাৰ পাছত ন-ধান শুকুৰাই বানি অনাৰ পিছত নতুন ধানৰ চাউল বুট-মগুৰ সৈতে মিহলাই গোঁসাইলৈ শৰাই বা ঠগি আগবঢ়োৱা হয়। তাৰপিছত নখোৱাৰ ধূম উঠে। ন চাউল গৃহস্থই প্ৰথমে অকলে ৰান্ধি নাখায়। ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ, আত্মীয়-কুটুম্বকো খবৰ দিয়া হয় ন খাবলৈ অৰ্থাৎ নতুন ধানৰ চাউলৰ ভাতেৰে এসাঁজ খাবলৈ আহিবলৈ। অসমীয়া চহা জীৱনত ন-খোৱা পৰম্পৰাই এক বিশেষ স্থান লাভ কৰিছে। ন-খোৱা পৰ্বই কেৱল ভোজ-ভাত খোৱাৰ কথাই নুবুজায়। মানুহ যে সমাজপ্ৰিয় সেই কথাও এই পৰম্পৰাই প্ৰতিপন্ন কৰে। কিছুমান ঠাইত ন-খোৱা ঘৰে-ঘৰে নাপাতি, নামঘৰৰ চোতাল বা আনা কোনো ঠাইত গাঁৱৰ আটায়ে লগ হৈ সমজুৱাকৈও

পাতে। কোচ-ৰাজবংশীসকলৰ নখোৱা উৎসৱৰ নাম হৈছে নৱান্ন, বড়োসকলে ইয়াক কয় আংখাম গাৰলিজানাই বুলি, তিৱাসকলৰ নখোৱা পৰ্বটোৰ নাম ন'ৱান।

**আগ আনা ঃ** অসমীয়া কৃষ সমাজে লখিমী আদৰা প্ৰথাটোক বা প্ৰথম পথাৰৰ ধান কাটি অনা প্ৰথাটোক আগ আনা বুলি কয়। বড়োসকলে এই লখিমী আদৰা প্ৰথাটোক মায়নাও লায়নায় বুলি কয়।লখিমী আদৰিবলৈ সাধাৰণতে সোমবাৰ বা বৃহস্পতিবাৰৰ দিনটো বাছি লোৱা হয়। সেইদিনা ঘৰৰ মহিলাসকলে ঘৰ-চোতাল গোবৰ-পানীৰে মচি শুচি কৰি লয়। কিছুমান জনগোষ্ঠীৰ ক্ষেত্ৰত ঘৰৰ মূৰব্বী বা গৃহস্থজনে আগ আনিবলৈ যায় যদিও কোচ-ৰাজবংশীসকলে চেমনীয়া ল'ৰাৰ আৰু মূৰত লৈ ঘৰলৈ আনে। কিছুমানে বাঁহৰ খৰাহিও লৈ যয় আৰু ধানৰ আগখিনি খৰাহিত লৈ মূৰত তুলি আনে। আগ আনি আহি থাকোতে পিছলৈ ঘূৰি চাব নাপায় আৰু কাৰো সৈতে কথা পাতিবলৈ নাপায় বুলি লোকবিশ্বাস প্ৰচলিত। তিৱাসকলেও লখিমী আদৰা উৎসৱটো একেধৰণেই পাতে, তেঁওলোকে লখিমী আদৰা প্ৰথাটোক ৰাজেগিৰি লুখুমি ফুজা বুলি কয়। কাটি অনা ধানৰ আগখিনি ভঁৰালৰ গাধৈত বা বেৰত ওলোমাই থোৱা হয়।

**ম'হোহো ঃ** ম'হোহো নামনি অসমৰ উৎসৱ। আঘোণৰ পূৰ্ণিমাৰ দিনা সন্ধিয়া এই উৎসৱটো পালন কৰা হয়। কিংবদন্তি অনুসৰি আগৰ দিনত ধানখেতিৰ পথাৰলৈ জাকে জাকে বনৰীয়া ম'হ আহি ধান নষ্ট কৰিছিল। সেই সময়ত গাঁৱৰ লোকসকলে সন্ধিয়া হাতত টোকোন লৈ ম'হ খেদিবলৈ ওলাই আহিছিল। ম'হ খেদিবলৈ বা হুৱাবলৈ তেঁওলোকে সমস্বৰে কিছুমান গীত গাইছিল। সেই গীতবোৰক নামনি অসমত ম'হ খেদা বা মহোহো গীত বুলি কোৱা হয়। এনেদৰেই উৎপত্তি হোৱা এই উৎসৱটো পিছলৈ গঞাই ঘৰে ঘৰে গৈ গীত গাই স্ফুৰ্তি কৰি পালন কৰিবলৈ ল'লে। বছৰৰ একে সময়তে কোচ ৰাজবংশীসকলেও অনুৰূপ এটা উৎসৱ পালন কৰে। সেইটো হৈছে অ'ৰি মাগা উৎসৱ।

মহ'হো উৎসৱৰ সৈতে বিভিন্ন ধৰণৰ গীত জড়িত হৈ আছে। এই গীতবোৰ লোকবিশ্বাসৰ ভেটিতে প্ৰতিষ্ঠিত। অন্যান্য গীতৰ তুলনাত ম'হ খেদা গীতৰ ভাষা বেলেগ ধৰণৰ। এই গীতৰ ভাষাবোৰ নামনি অসমৰ ভাষাৰে বৰ্ণিত। ম'হ খেদিবলৈ অহা ল'ৰাবোৰে গায়—

আঘোণ মাহৰ পূৰ্ণিমা হ'ল
ম'হ খেদিবৰ হুকুম হ'ল

আন এটা গীতৰ কলি—
'মহোহৌ মহোহৌ। ভালা-ভলুকা খেদি থৌ।।
চাৰা ৰাতি ভালা-ভলুকা খেদি
পইচা আনিম খুজি-মাগি।।
খুজি-মাগি যত পাম।
মাঘ বিহুত দলভাত খাম।'

অঞ্চলভেদে মহোহো উৎসৱৰ গীতো বেলেগ বেলেগ। আন এটা গীতৰ উদাহৰণ—

অ' হৰি মহোহো।
মহ খেদিবা টোকান ল'।।
থুপৰি হউ ৰে থুপৰি হউ।
কাণা কুঁজা, একফাল হউ।।
কাণা কুঁজা ধন গুৱা।
ওজা মাতিলো বৰেৰ পুৱা।।
ওজা মাতি ল'লো লাজ।
অ' হৰি মহোহো।
মহ খেদিবা টোকান ল'।।
থুপৰি হউ ৰে থুপৰি হউ।
কাণা কুঁজা, একফাল হউ।।
কাণা কুঁজা ধন গুৱা।
ওজা মাতিলো বৰেৰ পুৱা।।
ওজা মাতি ল'লো লাজ।
তিনি বামুণৰ তিনি কাজ।।

কলৰ চোঁচনি বাঁহৰ দৈ।
ভাল-ভলুকা নাচন চাই।।
মহ গেল পাতালে।
হাল কেল সীৰালে।।
সকল মহক পাৰ কইল্লু।
বুঢ়াদিয়াৰ ঘাটে।।

বৰপেটা জিলাৰ বজালী অঞ্চলত মহ খেদা গীতৰ উদাহৰণ—
অ'হোহো মহোহো
মহ খেদবা যাং যউ
মহে বুলে মল্লু দে
টেপৰ পোৰা খালু দে
টেপৰত নহ'ল নুন
চাউল চৰিছে দুন দুন
চাউল নেদি দিলাক খৰি
আইথেৰ ঘৰ লৰি চৰি....

## অ'ৰি মাগা উৎসৱ

কোচ-ৰাজবংশী সমাজত প্ৰচতি অ'ৰিমাগা পৰ্বটো ঠিক মহ'হো উৎসৱৰ দৰেই। এই পৰ্বটোক কিছুমানে পুষণামাগা বুলিও কয়। ধান কটা হোৱাৰ পিছত আঘোণৰ পূৰ্ণিমা তিথিত এই পৰ্ব আৰম্ভ কৰা হয়। সৰু ল'ৰা-ছোৱালীৰপৰা আৰম্ভ কৰি ডেকা-বুঢ়া সকলোৱে ঘৰে ঘৰে গৈ গৃহস্থৰ চোতালত গীত গাই ধান বিচাৰে। গৃহস্থই কুলাত ধান লৈ অ'ৰিমাগা লোকসকলক সাধ্য অনুসাৰে ধান দি বিদায় দিয়ে। এই ধান গোটাই সকলোৱে লগভাত খায়। অ'ৰিমাগাৰ সময়ত গোৱা বিশেষ বিশেষ গান কিছুমান আছে। এটি উদাহৰণ—

অ'ৰি অ'ৰি
অ'ৰিৰ মুখ হাপাংপাং
এক চিলিম তাংখু খাং
তাংখু খাইতে হইল ৰাতি
অ'ৰি মাগুং কুন ৰাতি
অ'ৰি অ'ৰি
আইলুং গৃহস্থেৰ বাৰী
অ'ৰিৰ মাও লেচেৰী
ধান দি খচৰি
আইদৰতে কলৰ মূৰা
বাপ্পে আনে ধান কুলা
অ'ৰি অ'ৰি....

## ভালুক নাচনৰ গীত ঃ

নামনি অসমৰ মহ'হো আৰু কোচ-ৰাজবংশীসকলৰ অ'ৰিমাগা উৎসৱৰ দৰেই অনুৰূপ এটি উৎসৱ পাতিৰাভা আৰু বিতলীয়া ৰাভা জনগোষ্ঠীৰ মাজতো প্ৰচলিত। এই উৎসৱটোক ভালুক নাচনৰ গীত বুলি কোৱা হয়। ভালুক নাচনৰ গীত সাধাৰণতে ডেকা ল'ৰাসকলে আঘোণ মাহৰ পূৰ্ণিমাত ৰাতি ঘৰে ঘৰে গাই ফুৰে আৰু গৃহস্থই ধান-চাউল, টকা-পইচা আদি যি বৰঙণি দিয়ে পিছদিনাখন তাৰে লগ হৈ ভোজ ভাত খায়। এই অনুষ্ঠানত এজন ডেকা ল'ৰাক শুকান কলপাত আৰু মৰাপাটৰ আঁহেৰে ভালুকৰ দৰে সজাই লয় আৰু ভালুকৰ অংগী-ভংগীৰে তেওঁক মাজত ৰাখি নচুৱাই বাকীসকলেও গীত গাই নাচে। এই গীত পৰম্পৰাগতভাৱে চলি আহিছে। অতীজতে ৰাভাসকলৰ খেতিপথাৰৰ চৌপাশে হাবি আছিল। আঘোণ মাহৰ সময়ত বনৰীয়া ভালুকবোৰে আহি পকা সৰিয়হ খাই খান্তাং কৰিছিল। জনবিশ্বাস অনুসৰি এই অনুষ্ঠান পাতিলে ভালুকে আহি ধান-সৰিয়হ আদি খাই নষ্ট নকৰে। সেয়ে এই গীতক ভালুকখেদা গীত বুলিও কোৱা হয়। ভালুক খেদা গীতৰ কেইটামান নমুনা তলত দিয়া হ'ল।

ভালুক খেদিবলৈ অহা ডেকাসকলে গৃহস্থৰ নঙলামুখত গায়—
'ওলাওৰে গিৰিঘৰ,
ছাতি পোহৰ দিয়া,

আমাৰ ভালুক নাচন দে
কোমৰ হেলান দিয়া।’
গীত গাই গাই সিহঁতে পৰিচয় দিয়ে—
‘তেতেলিৰে গুটিনা
ভীম কলৰ গুটি
চিনে না নিচিনে
ঠেকাছু গায়া গুটি।’
গৃহস্থক ব্যংগ কৰি গায়—
‘কলপাত ঝিলি লিউ
ৰাতি কুকুৰ ভুকে
ছাওয়া নাই ছোট নাই
প্ৰাণ ফাটি থাকে।’
ভিক্ষা নিদিয়া যেন পালে গৃহস্থক নিন্দা কৰি গায়—
‘বাঙাল পণ্টাত আছেৰে ভাই
বৰ ইংকৰা,
এই গিৰি মানুষটা
বৰ চিপিৰা।’
গৃহস্থই ভিক্ষা দিয়া যেন পালে গায়—
‘কাঁঠলৰে মুচিৰে ভাই
কাঁঠলৰে মুচি,
ভাল কৰিয়া ভিক্ষা দিবি
আমি যাং গুচি।’
ভিক্ষা লৈ যোৱাৰ সময়ত ৰসপূৰ্ণ ভংগীৰে গায়—
‘নদী কোলাত উৰিয়া যায়
বগা বগিলা।
ভালুক নাচন চাই যদি
আয় গধূলা। ইত্যাদি।’

## বাম্বোলপিটা বা হেপৰপিটা উৎসৱ

উত্তৰ কামৰূপৰ বাক্সা অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত মহোহো উৎসৱৰ সৈতে সাদৃশ্য থকা এটি উৎসৱ আছে। অৱশ্যে এই উৎসৱটো ভাদ মাহৰ পূৰ্ণিমা তিথিতহে পালন কৰা হয়। ভাদ মাহত কৃষকসকলৰ খেতিৰ কাম হৈ উঠে। পথাৰৰ কাম কৰি আজৰি হোৱা কৃষকসকলে মনৰ আনন্দতে বাম্বলপিটা উৎসৱ পালন কৰে। ভাদ মাহৰ পূৰ্ণিমাৰ দিনা ৰাতি ডেকা ল'ৰাবোৰে দল বান্ধি ঘৰে ঘৰে গৈ হাতত নিয়া টোকোন, হুলাবাৰী বা ওখনামাৰিৰে চোতালত জোৰেৰে ধুমুচি ধুমুচি গীত গায়। গীতৰ শেষত গৃহস্থই দলটোক চাউল দি বিদায় দিয়ে। আজিকালি এই উৎসৱ বাক্সা অঞ্চলৰ অজনজাতীয় লোক কিছুমানেও পালন কৰা দেখা যায়। বাম্বলপিটা বা হেপৰপিটা উৎসৱত গোৱা গীতবোৰক বাম্বলপিটা গীত বুলি কোৱা হয়। ভাদ মাহত কৃষকসকলে খেতিৰ কাম সামৰি বোকা-পানীৰ কাম এৰি খৰালি কালৰ খেতিৰ বাবে সাজু হ'বলৈ মনতে বল বান্ধে। সেয়ে বাম অৰ্থাৎ বৰি বা আৰু বল মানে বোকা পানীৰপৰা বামলৈ যোৱা অৰ্থৎ বাম্বলপিটা গীত গোৱা হয়। এই উৎসৱত সাধাৰণতে পুৰুষে অংশগ্ৰহণ কৰে। বাম্বলপিটা লোকসকলে বিভিন্ন সুৰত গীত গাই নৃত্য কৰে। বাম্বলপিটা গীত এনে ধৰণৰ—

কোপোতিয়ে চোৰে নিলা চেপা
কি কৰি চেপা পাতছা
মুখত নাই সোপা
হিচি হিচি চেপা পাতছোং
মুখত দি সোপা
কি আইহাঁত ঔ বোলে
বাইহাঁত ঔ বোলে
বাম্বোল বাম্বোল পিটিবা যায়।
অ' হুৰেই অ' হুৰেই।।
চেপোতিয়ে চোৰে নিলা চেপা

তোৰ চেপা কোনে নিলা
আমাক ধৰা কিয়া
হিচি হিচি চেপা পাতছোং
মুখত সোপা দিয়া
কি আইহাঁত ঔ বাচা
বাইহাঁত ঔ বাচা
বাম্বোল বাম্বোল পিটিবা যাংহে যাংহে ৰাম
অ' দাদাই অ' ককাই
বাম্বোল বাম্বোল পিটিবা যাং
অ' হুৰেই অ' হুৰেই।।

**ন'ৰানঃ** তিৱাসকলৰ নখোৱা পৰ্বটোৰ নাম ন'ৰান।অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে মূলত কৃষিক কেন্দ্ৰ কৰি জীৱন-নিৰ্বাহ কৰা অসমৰ তিৱা বা লালুংসকলৰ ন-খোৱা পদ্ধতিও মন কৰিবলগীয়া। তেওঁলোকৰ এই পৰম্পৰা অন্যান্য জনগোষ্ঠীতকৈ কিছু বেলেগ। তিৱা সমাজত আঘোণ মাহ যোৱাৰ লগে লগে অৰ্থাৎ খেতি চপোৱা হোৱাৰ পিছত পুহ মাহৰ প্ৰথম সপ্তাহ বা দ্বিতীয় সপ্তাহৰ মঙল আৰু বুধবাৰে এই ন'ৰান উৎসৱ পালন কৰা হয়। ন'ৰানৰ অৰ্থ হ'ল বছৰৰ নতুন ফচল উপৰিপুৰুষক উচৰ্গা কৰি খোৱা। তিৱাসকলৰ একেটা কুলৰে লোকসকলে ওচৰ-চুবুৰিয়া বা গাঁওবাসীৰ সৈতে লগ হৈ সমজুৱাকৈ ন'ৰান পালন কৰে। ন'ৰানৰ দিন নিৰ্ধাৰণ কৰাৰ এসপ্তাহমান আগৰেপৰাই তিৱাসকলৰ হাৰি-কুৱৰী (মহিলা পুৰোহিত)ৰ নেতৃত্বত কুলৰ মহিলাসকলে লাথুৱা জ্যু অৰ্থাৎ উপৰিপুৰুষক উচৰ্গা কৰিবলগীয়া মদ তৈয়াৰ কৰে। তাৰ পিছত ন'ৰানৰ আগদিনা মঙলবাৰে উপৰিপুৰুষক মদ উচৰ্গা কৰা লাউপে অৰ্থাৎ তিতা লাউৰ খোলা আদি পৰিষ্কাৰ কৰি লয়। কুলৰ মুৰব্বীসকলৰ সমন্বিতে ন'ৰানৰ থাপনা পাতে। তাৰ পিছত কুলৰ বৰজেলাই (পুৰুষ পুৰুহিত) গোটেই পৰিয়ালবোৰক সেৱা জনাবলৈ কৈ অপায় অমংগলৰপৰা দূৰ কৰাৰ বাবে আশীৰ্বাদ দিয়ে। ন'ৰানলৈ আগবঢ়াই থোৱা কুকুৰা চৰাইবোৰ আগবঢ়োৱা হয়। ন'ৰানৰ দিনা দেৱতালৈ উৎসৰ্গা কৰি এইবোৰ বলি দিয়া হয়। ন'ৰানৰ খৰচৰ বাবদ প্ৰতিটো পৰিয়ালে সমানে ধন খৰচ কৰে। অতীতত তিৱাসকলে বছৰত দুবাৰ ন'ৰান পাতিছিল। এবাৰ আহু খেতিৰ বতৰত আৰু এবাৰ শালি খেতিৰ বতৰত। আজিকালি বয়বস্তুৰ জুই ছাই দাম হোৱা বাবে ন'ৰান এবাৰ পাতিবলৈ লৈছে।

## সাউৰি দিয়া প্ৰথা ঃ

গ্ৰাম্য জনসমাজত পৰম্পৰাগতভাৱে চলি অহা এটা প্ৰথা সাউৰি দিয়া প্ৰথা। ইয়াৰ অৰ্থ হ'ল বিনা মজুৰীৰে কৰা কাম। বহুতে সাউৰি দিয়াটোক হাৰিয়া দিয়া বুলিও কয়। সমাজ জীৱনৰ বিভিন্ন কামত সাউৰি দিয়া হয় যদিও প্ৰধানকৈ ধান দোৱা, ভুই ৰোৱা, হাল বোৱা, ডাঙৰি কঢ়িওৱা আদি কামত বিশেষভাৱে সাউৰি দিয়া হয়। অতীজত খেৰীঘৰত বাস কৰা গ্ৰামাঞ্চলৰ লোকে ঘৰছোৱা, খেৰকটা আদি কামত সাউৰি দিছিল। হাৰিয়া দিয়াৰ দিনা এঘৰৰ কাম-কাজ গাঁওখনৰ সকলো লোকে আহি লগে-ভাগে কৰি কামখিনি শেষ কৰি দিয়ে। সাধাৰণতে ভুঁই ৰোৱা আৰু ধান কটা সময়ত সাউৰি দিয়া কামটো গ্ৰামাঞ্চলত অধিক দেখা যায়। গাঁৱৰ ডেকাসকলক মাতি আনি এঘৰে সাউৰি দি চপাবলৈ থকা আটাইখিনি ধান চপোৱাৰ ব্যৱস্থা কৰে। সকলোৱে মিলিজুলি ৰং-ৰহইচৰ মাজেৰে এই কাম কৰে। দিনটো কাম কৰি অটাই যিঘৰৰ কাম কৰি দিছিল সেই ঘৰত ভোজ ভাত খায়। কিছুমানে পথাৰতো ভোজভাত খোৱা দেখা যায়। এনেধৰণৰ সাউৰি দিয়া কাৰ্য আজিৰ দিনত সাধাৰণতে দেখিবলৈ পোৱাই নাযায়। কাৰণ ক্ৰমশঃ গ্ৰামাঞ্চলত কৃষিজীৱী লোকৰ সংখ্যা হ্ৰাস পাই আহিছে। কৃষি কৰ্ম কৰা লোকসকলেও সাধাৰণতে ধনৰ বিনিময়তহে কাম কৰিব খোজে। মানুহৰ মাজত যান্ত্ৰিকতা আৰু ভোগবাদী মানসিকতা বাঢ়ি অহাৰ লগে লগে গ্ৰামাঞ্চলত এনে ধৰণৰ সুন্দৰ প্ৰথাবোৰ লাহে লাহে বিলুপ্তিৰ মুখলৈ গতি কৰিছে।

## ৰসী গাহেন ঃ

কৃষিজীৱী জনগোষ্ঠী হাজংসকলৰ জাতীয় কৃষ্টিৰ অন্যতম লোকগীত বা লোকাচাৰ হৈছে ৰসী গাহেন। কৃষিকাৰ্যৰ জীৱন-জীৱিকাৰ লগত এই গীত

ওতপ্ৰোতভাৱে জড়িত হৈ আছে। হাজংসকলে বিশ্বাস কৰি আহিছে ৰ'দ-বৰষুণ নেওচি যেতিয়া বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ ভুঁই ৰুই থকা সময়ত ৰোৱণীয়ে ৰসী গাহেন গায় তেতিয়া হেনো ৰোৱণীসকলৰ মনত কৰ্মপ্ৰেৰণাৰ জোঁৱাৰ উঠে। কামত ক্ষিপ্ৰতাও আহে আৰু দুখ-ভাগৰো পাহৰি পেলায়। গীত-মাতেৰে মুখৰিত হৈ বোকা কাদম খেলা সমাপ্ত কৰি ভুঁই ৰোৱা শেষ হ'লে ৰোৱণীসকলে কলহ ভৰাই বোকা লৈ গৃহিণীক বোকা দিবলৈ গৃহস্থৰ ঘৰলৈ আহে। সেই বোকাৰে ঘৰৰ আন মানুহৰ লগতো ৰোৱণীসকলে বোকা খেলে। হাজংসকলে বিশ্বাস কৰি আহিছে যে প্ৰথম ৰোৱাৰ সময়ত গৃহিণীজনীক বোকা দিলে গহস্থৰ খেতি ভাল হয়।

## খেতিৰ বতৰ সম্পৰ্কীয় বিশ্বাস

খেতিৰ বতৰ সম্পৰ্কীয় বিভিন্ন জনবিশ্বাস অসমত জনগোষ্ঠীয় সমাজত প্ৰচিলত আছে। কিছুমান শিক্ষিত লোকে খনাৰ বচন আৰু ডাকৰ বচনৰো সহায় লৈ খেতিৰ বাবে বতৰ গণনা কৰে। খনাৰ বচনত আছে—

ধন্য ৰাজাৰ পুণ্য দেশ
যদি বৰষে মাঘৰ শেষ
যদি বৰষে ফাগুণে
আউস (আহু খেতি) হবে দ্বিগুণে

খনাৰ বচনে কোন মাহত বৰষুণ পৰিলে শস্যৰ অৱস্থা কি প্ৰকাৰৰ হ'ব তাকো লোক সমাজত সকীয়াই দিছে।

ডকৰ বচনতো আমি বতৰ গণনা সম্পৰ্কে বহু কথা জনিব পাৰো। যেনে—

আনে বান কঁঠালে ধান

যি বছৰত আম বেছিকৈ মলিয়াব সেই বছৰ বেছিকৈ ধমুহা আৰু বানপানী হয় বুলি বিশ্বাস। আনহাতে কঁঠালে বেছিকৈ মুচি পেলালে ধানখেতিৰ শস্য সৰহ হয় বুলি বিশ্বাস কৰা হয়।

পূব দিশত ৰামধেনু ওলালে বানপানী হয় বুলি আৰু পশ্চিম দিশত ৰামধেনু ওলালে খৰাং হয় বুলি ডাকৰ বচনত পোৱা যায়।

সন্ধিয়া দুবৰি বা বননিত নিয়ৰ পৰিলে সোনকালে বৰষুণ নহয় বুলি বিশ্বাস কৰা হয়। যদি নিয়ৰ নপৰে তেন্তে সোনকালে বৰষুণ হয় বুলি চহা লোকসকলে কয়। অৰ্থাৎ প্ৰকৃতিৰপৰাই অতীজৰেপৰা মানুহে বতৰৰ জ্ঞান লৈ আহিছে।

### ধানখেতি সম্পৰ্কীয় মানি চলা লোকবিশ্বাস

খেতিৰ বাবে মাটি চহাই থকা অৱস্থাত গৰুৰ কান্ধৰ যুঁৱলি ভাঙিলে হাল বোৱা মানুহজনে মুখেৰে শব্দ নকৰাকৈ ভঙা যুঁৱলি টানি চোঁচৰাই দূৰলৈ নি পেলাব লাগে। তেওঁ সেইদিনা দুপৰীয়া লঘোণ দিব লাগে। আবেলি সময়ত হালবাই থাকিলে ৰাতিৰ সাঁজ লঘোণ দিয়া নিয়ম। ধান দাবৰ সময়ত শোকোতা বা আন কোনো তিতা খাই ধাননিলৈ যোৱা নিষেধ। তেতিয়াহ'লে ধান পতান হয় বুলি জনসমাজত বিশ্বাস কৰে।

### খৰালিৰ শস্য আৰু ভিন ভিন পাচলি সম্পৰ্কীয় বিশ্বাস

অসমত ধানখেতিৰ বাহিৰেও মৰাপাট আৰু অন্যান্য খৰালিৰ খেতিও উজনি-নামনি সকলোতে কৰা হয়। খৰালিৰ শস্যৰ বাবে হাল বোৱা আৰু গুটি সিঁচাৰ কাম শনিবাৰ আৰু মঙলবাৰে আৰম্ভ কৰা হয়। সৰিয়হৰ খেতি কৰিবলৈ হ'লে আহিন আৰু কাতি মাহৰ অমাৱস্যাৰ দিনা শস্যৰ গুটি সিঁচা কাম আৰম্ভ কৰে।

মাটিৰ গুণৰ ওপৰত নিৰ্ভৰ কৰি আঘোণ মাহৰ অমাৱস্যাৰ তিথিত সৰিয়হৰ খেতিৰ শস্যৰ গুটি সিঁচা হয়। শস্যৰ গুটি খেতিৰ মাটিত সিঁচোতে মানুহৰ মূৰৰ ওপৰতকৈ বেছি ওপৰলৈ ছটিয়াই দিব নাপায় বুলি জনবিশ্বাস প্ৰচলিত আছে। জনবিশ্বাস অনুসৰি বেছি ওপৰলৈ দিলে গুটি নগজে। ইয়াৰ তাৎপৰ্য হ'ল বেছিকৈ ওপৰলৈ গুটি ছটিয়াই দিলে যি ঠাইত পৰিব লাগিছিল সেই ঠাইত নপৰি সিঁচৰতি হৈ পৰিব পাৰে। অমাৱস্যাৰ দিনা গুটি সিঁচিলে সেই শস্য মোৱা পোকে নাখায়, অমাৱস্যাৰ দিনা বাঁহ কাটিলে বাঁহত ঘুণে নধৰে আদি অসমীয়া জনজীৱনত প্ৰচলিত কিছুমান লোকাচাৰ তথা লোকবিশ্বাস।

তৃতীয় অধ্যায়

# জন্ম, মৃত্যু সম্বন্ধীয় লোকাচাৰ

**আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বন তথা লোকবিশ্বাস ঃ**

কোনো এটা সম্প্ৰদায় বা কোনো এটা জাতিৰ সংস্কৃতিৰ সিংহভাগেই গঢ় লৈ উঠে সম্প্ৰদায়টো বা জাতিটোৰ ব্যক্তিৰ জন্ম আৰু মৃত্যুক কেন্দ্ৰ কৰি। অসমীয়া সমাজৰ সকলো জাতি, জনজাতি আৰু সম্প্ৰদায়ৰে নিজা নিজা নৃগোষ্ঠীয় জন্ম, মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি, লোকাচাৰ, উৎসৱ -পাৰ্বন তথা বিশ্বাস আছে। এই আচাৰ-নীতি সমূহে সমাজখন ধৰি ৰখাই নহয়, একোটা জাতি বা সম্প্ৰদায়ৰ লোকৰ মাজত পাৰস্পৰিক বান্ধোন অটুট ৰখাত সহায় কৰিছে। জন্ম, মৃত্যু --যিকোনো উপলক্ষক কেন্দ্ৰ কৰি একো একোটা নিৰ্দিষ্ট লোকাচাৰ আছে বাবেই সমাজ একোখনত মানুহে সুখে-দুখে, বিপদে-সম্পদে একেলগে থকাৰ অনুশীলন কৰি আহিব পাৰিছে। ইজনে -সিজনৰ সুখ বা দুখৰ ভাগ লোৱাত এখন সমাজত বাস কৰা লোকসকলক সহায় কৰিছে এই লোকাচাৰ সমূহেই।

অসমীয়া সমাজত একোজন ব্যক্তিৰ জীৱনবৃত্তক কেন্দ্ৰ কৰি যিমানবোৰ আচাৰ -নীতি আছে সেই সকলোবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰিলে অকল সেইখিনিক লৈয়ে এখন বৃহৎ গৱেষণা গ্ৰন্থ যুগুত কৰি উলিওৱাৰ থল আছে। অৱশ্যে তেনে গৱেষণা হ'ব বহু সময়সাপেক্ষ। তাৰবাবে সমল গোটাবলৈ প্ৰয়োজন হ'ব দীঘলীয়া সময়। ছমাহ সময় ইয়াৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ বাবে পৰ্যাপ্ত নহয় যদিও মই জন্ম , মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ যথাসম্ভৱ সমল গোটাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছো। প্ৰত্যক্ষ সাক্ষাতকাৰক এইক্ষেত্ৰত মই মোৰ ক্ষেত্ৰ অধ্যয়নৰ পদ্ধতি হিচাপে অধিক ব্যৱহাৰ কৰিছো।

মই মোৰ এই জুনিয়ৰ ফেলোশ্বিপৰ "অসমৰ লোকধৰ্ম, লোকাচাৰ আৰু বিশ্বাস " সম্পৰ্কীয় অধ্যয়নৰ বিষয়টোত এটা অধ্যায় হিচাপে জন্ম, মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি, লোকাচাৰ, উৎসৱ -পাৰ্বন তথা বিশ্বাসক সামৰি ল'ব বিচাৰিছো। বিগত ছমাহ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ বয়োবৃদ্ধ পুৰুষ মহিলা, গ্ৰামাঞ্চলৰ জনা-বুজা লোক, বিভিন্ন জাতি-জনজাতিৰ অনুষ্ঠান-সংস্থা আদিৰ বিষয়ববীয়া, গৱেষক, সংস্কৃতি সংগঠক, সাংস্কৃতিক কৰ্মী আদিক সাক্ষাত কৰি ব্যক্তিজীৱনৰ ভিন ভিন উপলক্ষক কেন্দ্ৰ কৰি অনুষ্ঠিত ঘৰুৱা বা পাৰিবৰিক লোকাচাৰ, পৰ্ব আদিৰ বিষয়ে জানিব বিচাৰিছিলো। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন লোকক লগ ধৰাৰ লগতে এইক্ষেত্ৰত অসমীয়া লোক-সংস্কৃতিৰ গৱেষক পণ্ডিতসকলৰ গৱেষণা গ্ৰন্থইও মোক এইক্ষেত্ৰত প্ৰচুৰ সহায় কৰিছে। এটা কথা অৱশ্যেই উল্লেখ কৰিব লাগিব, পূৰ্বৰ অসমীয়া সমাজত জন্ম, মৃত্যুক কেন্দ্ৰ কৰি যিবোৰ আচাৰ, নীতি, পৰ্ব প্ৰচলিত আছিল, সেইবোৰৰ বহুখিনি আজিৰ আধুনিক অসমীয়া সমাজত বিলোপ পাইছে। তাৰমাজতো বহুখিনিয়েই এতিয়াও চলি আহিছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে লোকাচাৰ সমূহেও নিজৰ সাজ সলাইছে, মানুহে নিজৰ সুবিধা অনুযায়ী সেইবোৰ গঢ় দি লৈছে বা অনুশীলন কৰি গৈছে। কিন্তু যি ৰূপতেই পালিত নহঁওক , লোকাচাৰে তাৰ নিজৰ ধৰ্ম সৰ্বদা পালন কৰিছে। সেই ধৰ্ম হৈছে-- মানুহক একতাৰ বান্ধোনেৰে ধৰি ৰখা। লোকাচাৰৰ মাধ্যমেৰে মানুহে নিজকে সামজিক কৰি ৰাখিছে, সমাজত বাস কৰাৰ সুফল লাভ কৰিছে, সন্তুলিত জীৱন-যাপন কৰিব পাৰিছে।

লোকাচাৰ সম্পৰ্কে জানিবৰ বাবে বিভিন্ন লোকক লগ কৰা সময়ত আমি এটা কথা বহুতৰে মুখত শুনিছিলো যে অতীজৰ নিয়ম-নীতিবোৰ আছিল সৰহসংখকেই অধিক সময় খৰচী। আজিৰ ব্যস্ততাপূৰ্ণ দৈনন্দিন জীৱনত ঘৰুৱা, পাৰিবাৰিক লোকাচাৰ , ধৃতি-নীতি পালন কৰি সময় খৰচ কৰিবলৈ বহুতৰে সময়ৰ অভাৱ। সেইবাবে নিতান্তই যিখিনি পালন নকৰিলে নহয়, তেনে নিয়ম-নীতিখিনিহে আজিৰ সমাজত পালন কৰা দেখা যায়। তাৰ মাজতো কিছু কিছুৱে দুই-এক প্ৰাচীন লোকাচাৰ ধৰি নৰখা নহয়।

**জন্ম সম্পৰ্কীয় লোকাচাৰ ঃ**

মানৱ সমাজত লোকাচাৰ সমূহৰ বিশেষ গুৰুত্ব আছে। জন্ম সম্পৰ্কীয় লোকাচাৰসমূহ সাধাৰণতে নাৰীৰ সৈতে বেছিকৈ জড়িত।স্ত্ৰীজনিত লোকাচাৰসমূহে এগৰাকী নাৰীৰ জীৱনৰ আদিৰ পৰা অন্তলৈ সামৰিলৈ কেবাটাও ভাগত বিভক্ত হৈ থাকে।

নাৰীক ভাৰতীয় সামজত দেৱী ৰূপে জ্ঞান কৰা হয়, কিয়নো নাৰীৰ মাজতে লুকাই আছে মাতৃত্বৰ দৰে গৌৰৱ। অসমীয়া সামজো ইয়াৰ ব্যতিক্ৰম নহয়। মাতৃ এগৰাকীৰ গৰ্ভত স্থিতি লোৱা এটি ভ্ৰুণে তিল তিলকৈ বাঢ়ি অৱশেষত এটি শিশু ৰূপে জন্মগ্ৰহণ কৰে। গৰ্ভধাৰণৰ এই সময়ছোৱাত আমাৰ সমাজত বহুতো লোকাচাৰ প্ৰচলিত আছে।

শিশু এটি জন্ম হোৱাৰ পূৰ্বৰে পৰা অসমীয়া সমাজত বাস কৰা অসমীয়া পৰিয়াল এটাত বিভিন্ন লোকাচাৰ আৰম্ভ হয়। সাধাৰণ অসমীয়া বৰ্ণহিন্দু পৰিয়ালৰ বোৱাৰী এগৰাকী প্ৰথমবাৰ সন্তানসম্ভৱা হোৱা মানেই ঘৰখনত এটি উৎসৱমুখৰ পৰিৱেশৰ শুভাৰম্ভ ঘটে।

**পঞ্চমৃত ঃ** জন্মৰ লগত সাধাৰণ অসমীয়া বৰ্ণহিন্দু সমাজত প্ৰচলিত সৰ্বপ্ৰথম লোকাচাৰ পঞ্চামৃত। মাতৃ হ'বলৈ ওলোৱা মহিলা এগৰাকীক গৰ্ভধাৰণৰ পঞ্চম মাহত শুভদিন চাই মাকৰ ঘৰলৈ আনি (কোনো ঠাইত স্বামীগৃহতে মাতৃগৃহৰ জ্যেষ্ঠ নাৰীসকলে গৈ ) পঞ্চমৃত খুৱায়। এই অনুষ্ঠানটো পুৰুষৰ অনুপস্থিতিত কৰা হয়। গৰ্ভৱতী মহিলাগৰাকীৰ মাকৰ উপস্থিতি অত্যন্ত জৰুৰী। পঞ্চাম্যৃত খুওৱা অনুষ্ঠানত এটা কোঠাৰ ভিতৰত চাদৰ এখন তৰি লোৱা হয় আৰু সেই চাদৰৰ তলত বহি এঁৰা গাখীৰ , দৈ , চেনি, ঘিউ আৰু মৌ --এই পাঁচবিধ অমৃত আৰু পৰমান্ন গৰ্ভৱতী মহিলগৰাকীক খুওৱা হয়। আয়তী সকলে উৰুলি-জোকাৰ দি আৰু নাম গাই গৰ্ভৱতী মহিলাগৰাকীক পাঁচবাৰ খুৱাই আশীৰ্বাদ দিয়ে।

**জেউৰা ঃ** এই অনুষ্ঠানটি গৰ্ভৱতী মহিলা এগৰাকীৰ সাত বা ন মাহত অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত চুবুৰীয়া আয়তীসকল আৰু বংশ-পৰিয়ালৰ লোককো আমন্ত্ৰণ জনোৱা হয়। গৰ্ভধাৰণ কৰা মহিলাগৰাকীৰ মাকৰ

পৰিয়ালে এই অনুষ্ঠানৰ সমস্ত খৰচ বহন কৰে। আয়তীসকলে নাম-প্ৰসংগ কৰি মহিলগৰাকীক আশীৰ্বাদ দিয়ে । পঞ্চামৃত, পৰমান্নৰ উপৰি সেইদিনা গৰ্ভবতী মহিলাগৰাকীক সমাজৰ সৈতে একেলগে বহি ভাতো খাবলৈ দিয়া হয়। আমন্ত্ৰিত সকলকো আমিষ ভোজ খুওৱা হয়। নামনি অসমৰ ফালে এই অনুষ্ঠানত গৰ্ভধাৰণ কৰা মহিলাগৰাকীৰ মাকৰ পৰিয়ালে ঘৰতে তৈয়াৰ কৰা পিঠা-লাড়ুও খুওৱা নিয়ম আছে। নামনি অসমত এই অনুষ্ঠানটোক ভাত খুওৱা বুলি কোৱা হয়।

**অশৌচ খেদোৱা ঃ** শিশু এটি জন্মৰ সময়ত অসমীয়া শিশুটি আৰু মাকক পৰিয়ালৰ আন সদস্য তথা বাহিৰা লোকৰ পৰা নিলগাই ৰখা হয়। জন্মৰ এঘাৰ দিনলৈকে শিশু আৰু মাকক অস্পৃশ্য হিচাপে ৰখা হয়। আন কোনোবাই চুলে গা ধুব লাগে। শিশুটিৰ প্ৰয়োজনীয় সামগ্ৰী বা কাপোৰ-কানি পৰিয়ালৰ মহিলা সদস্যই যোগান ধৰে। জন্মৰ পাঁচদিনৰ দিনা ঘৰৰ গোটেই কাপোৰ-কানি ধুই প্ৰথম শুদ্ধি কৰা হয়। ৰাতি চুবুৰীৰ মহিলাসকলে নাম-কীৰ্তন কৰে। সেইদিনা ৰাতি অপদেৱতাই কেঁচুৱাটোৰ অমংগল কৰিব পাৰে বুলি পূৰ্বতে অন্ধবিশ্বাস প্ৰচলিত আছিল। সেয়ে মহিলাসকলে নাম-কীৰ্তন কৰি কেঁচুৱা আৰু মাকক সুৰক্ষা দিয়ে। আজিকালি হাস্পতালত শিশু জন্ম দিয়াৰ নিয়ম হোৱাৰে পৰা এনে লোকাচাৰসমূহ বিলুপ্ত হ'বলৈ ধৰিছে। জন্মৰ এঘাদিনৰ দিনা মাক আৰু কেঁচুৱাক দ্বিতীয়বাৰৰ বাবে শুদ্ধি কৰোৱা হয়। প্ৰসূতিয়ে ব্যৱহাৰ কৰা সকলো কাপোৰ ধোৱাৰ লগতে ঘৰ-চোতাল সাৰি-মচি নিকা কৰা হয়। কেঁচুৱাক ভালদৰে গা-পা ধুৱাই দিয়া হয়। সেইদিনাৰ পৰা পৰিয়ালৰ আন সদস্য অথবা বাহিৰা লোকে মাক আৰু কেঁচুৱাক চুব পাৰে।

আজিৰ দিনত প্ৰসূতি মাতৃ আৰু কেঁচুৱাৰ এই এঘাৰদিনীয়া অস্পৃশ্যতাৰ কথাটো অনেকেই সমৰ্থন নকৰে আৰু মানি নচলাৰ লগতে সমালোচনাও কৰে। কিন্তু দকৈ ভাবি চালে অসমীয়া সমাজৰ এই নিয়মটো প্ৰকৃততে বিজ্ঞানসন্মত আৰু স্বাস্থ্যসন্মত। কিয়নো প্ৰসূতি মাতৃ আৰু সদ্যজাত কেঁচুৱা এটিৰ গালৈ সহজে ৰোগ সংক্ৰমণ হোৱাৰ আশংকা থাকে। তেনেস্থলত বাহিৰৰ মানুহে আনি তেঁওলোকক চুলে বাহিৰৰ ধূলি-মাকতি, ৰোগৰ বীজাণুৰ সংস্পৰ্শলৈ আহি প্ৰসূতি মাতৃ আৰু সদ্যজাত কেঁচুৱাটি ৰোগাক্ৰান্ত হ'ব পাৰে। কিন্তু অস্পৃশ্যতাৰ দোহাই দি মাতৃ-শিশুক নিলগাই ৰখা মানে বহু ৰোগ সংক্ৰমণৰ পৰা ৰক্ষা কৰিব পৰা যায়। গতিকে অসমীয়াসকলৰ এই অস্পৃশ্যতাৰ বিশ্বাস প্ৰকৃততে বিজ্ঞাসন্মতয়েই আছিল বুলি ক'ব পাৰি।

এঘাৰদিনীয়া চুৱা খেদোৱাৰ পাছত ল'ৰা সন্তান হ'লে একৈশ দিনৰ দিনা আৰু ছোৱালী হ'লে এমাহৰ দিনা চুবুৰীয়া আয়তীসকলক মাতি নাম-প্ৰসংগ কৰি অশৌচ খেদোৱা নিয়ম কৰা হয়।

অৱশ্যে সাধাৰণ বৰ্ণহিন্দু অসমীয়া সকলতকৈ নৃগোষ্ঠীয় অসমীয়া সম্প্ৰদায়সমূহৰ অশৌচ খেদোৱা নিয়ম বেলেগ। বড়ো, ৰাভা, কাৰ্বি, তিৱা, হাজং আদি জনজাতিৰ লোকসকলে কেঁচুৱাৰ নাড়ী সৰাৰ দিনা অৰ্থাৎ শিশুটিৰ নাভিৰ পৰা Umbilical cord ডাল নিজে নিজে ছিঙি যোৱাৰ দিনা বা তাৰ পিছত কোনো এদিন কুকুৰা কাটি অশৌচ খেদায়। সেইদিনাই কেঁচুৱাৰ নামো ৰখা হয়। জনজাতীয় সমাজত সাধাৰণ অসমীয়া বৰ্ণহিন্দু পৰিয়ালৰ দৰে নামকৰণ বা ভাত মুখত দিয়াৰ বাবে বিশেষ কোনো পৰ্ব পতাৰ নিয়ম নাই।

**গণনা বা নামকৰণ ঃ** অসমীয়া বৰ্ণহিন্দু সমাজত সন্তানৰ নামকৰণ পৰ্ব সাধ্য অনুসাৰে ওচৰ-চুবুৰীয়া, জ্ঞাতি-গঞা, সকলোকে নিমন্ত্ৰণ কৰি আড়ম্বৰেৰে পতা হয়। যাৰ ঘৰৰ কেঁচুৱাক নামকৰণ কৰা হ'ব, তেঁওলোকৰ গৃহস্থই পূৰ্বতে দি অহা নিমন্ত্ৰণ অনুসৰি নিৰ্দিষ্ট দিনটোত ৰাতিপুৱাই এজন গণক আহে। তেঁও কেঁচুৱাটোৰ ৰাশিফল গণনা কৰি কুশল-মংগল চোৱাৰ লগতে নামকৰণ কৰে। অৱশ্যে জন্মৰ পিছতেই পৰিয়ালে কেঁচুৱাটোৰ ৰাশি গণনা কৰোৱাই কি বৰ্ণৰে নাম দিব লাগিব সেয়া চোৱাই থয়। গণনাৰ দিনালৈকে পৰিয়ালৰ লোকে এটা ভাল নাম বাছনি কৰি ৰাখে। গণকে সেই নামটো উপস্থিত লোকসকলৰ আগত ঘোষণা কৰাৰ লগতে এটা গুপ্তনামো দিয়ে। গণনা চাবলৈ অহা লোকসকলে কেঁচুৱাৰ পৰিয়াললৈ নাৰিকল, চেনি, বুট আদি অনাৰ নিয়মো আছে।অভ্যাগতসকলক চাহ-মিঠাই আদিৰে আপ্যায়ন কৰা হয়।

**অন্নপ্ৰাসন বা ভাত মুখত দিয়া ঃ** ল'ৰাই হওঁক ছোৱালীয়ে হওঁক, কেঁচুৱা এটি ছমাহ হৈ যোৱাৰ পাছত ভাল দিন বাৰ চাই অন্নপ্ৰাসন পতা হয়। কিছুমানে নামকৰণ পৰ্বটো আগতে নকৰি অন্নপ্ৰাসনৰ লগত একেলগেও কৰে। অন্নপ্ৰাসনৰ দিনা সাধাৰণ অসমীয়া বৰ্ণহিন্দু পৰিয়ালে নিজ গৃহত বা কোনো মঠ-মন্দিৰ প্ৰাংগনত পূজা-পাঠ, নাম-কীৰ্তন কৰাই আত্মীয়-কুটুম্ব,বন্ধু-বান্ধৱ সকলোকে আমন্ত্ৰণ জনাই মাছে-মঙহে এসাঁজ ভাত খুৱায়। অভ্যাগতৰ ভোজন-পৰ্বৰ পূৰ্বে শিশুটিৰ মুখত ভাত দিয়াৰ নিয়ম কৰা হয়। সাধাৰণতে শিশুটিৰ মোমায়েকে বা দেউতাকে ভাত মুখত দিব লাগে। সেইদিনা শিশুটিক সকলো ব্যঞ্জন আৰু পায়স আঙুলিৰে মুখত চেলেকাই দিয়া হয়। ভাত মুখত দিয়াৰ আগে আগে এখন ডলাত ধান, টকা, কলম, সোণৰ অলংকাৰ, কিতাপ আদি লৈ শিশুটিৰ সমুখত ৰখা হয়। সেই সামগ্ৰীসমূহৰ যিবিধেই প্ৰথমে কেঁচুৱাটিয়ে হাতত লয়, সেই বিষয়ৰ প্ৰতি ভৱিষ্যতে শিশুটি আগ্ৰহী হ'ব বুলি ধৰা হয়। অৰ্থাৎ কলম চুলে লিখা-পঢ়াৰ প্ৰতি, টকা চুলে শিশুটি ভৱিষ্যতে ধনবান হ'ব বুলি, ধান চুলে কৃষিকাৰ্যৰ প্ৰতি আগ্ৰহী হ'ব— এনেধৰণে লোকবিশ্বাস প্ৰচলিত আছে। ব্ৰাহ্মণ সমাজত অন্নপ্ৰাসনৰ দিনা শিশুৰ জাত-কৰ্ম কৰা হয়। কিন্তু জনজাতীয় সমাজত অন্নপ্ৰাসন্ন বা ভাত মুখত দিয়া কোনো পৰ্ব নাই। অশৌচ খেদোৱাৰ দিনাই কোনো কোনো জনজাতিৰ লোকে শিশুৰ মুখত সামান্য মদ চেলেকাই দিয়ে। তাৰ পিছত যেতিয়াই শিশুটি খাব পৰা হয়, ঘৰৰ মানুহে ভাত খুৱাই দিয়ে।

**চূড়াকৰণ ঃ** ল'ৰা সন্তানৰ চুলি প্ৰথমবাৰ কটাৰ ক্ষেত্ৰতো অসমীয়া সমাজত আছে। এই নিয়মটো ব্ৰাহ্মণ সমাজত বাধ্যতামূলক যদিও আন আন সম্প্ৰদায়ৰ লোকেও চূড়াকৰণ পাতে। চূড়াকৰণ সাধাৰণতে ল'ৰাটোৰ আঢ়ৈ বছৰ, চাৰে-তিনি বছৰ আদি বয়সত কৰা হয়। চূড়াকৰণৰ দিনা ল'ৰাটোৰ পিতৃয়ে পূজা-পাতল কৰিব লাগে। আয়তীসকলে নাম গাই গাই ল'ৰাটোক গা ধুৱাবলৈ ওচৰৰ নৈ-বিল-পুখুৰী বা ৰাজহুৱা কুঁৱা আদিলৈ পানী তুলিবলৈ যায়। হোম-যজ্ঞ হোৱাৰ পাছত নাপিতে ল'ৰাটোৰ মুণ্ডন কৰাৰ পাছত নাম গাই গাই আয়তীসকলে ল'ৰাটোক গা ধুৱাই দিয়ে। নিমন্ত্ৰিত আলহী অতিথিক ভালদৰে এসাঁজ খুওৱা হয়।

**কৰ্ণবেধ অনুষ্ঠান ঃ** কন্যা সন্তান জন্ম হোৱাৰ সাধাৰণতে এবছৰ, তিনিবছৰ বা পাঁচবছৰ আদি অযুগ্ম বছৰত, এটি ভাল দিন চাই কাণ বিন্ধোৱা অনুষ্ঠান পতা হয়। সেইদিনা শিশুটিক নতুন বস্ত্ৰ পিন্ধাই হাতত দাপোণ দি আয়তীসকলে উৰুলি জোকাৰৰ মাজেৰে কাণ বিন্ধাই দিয়ে। এই অনুষ্ঠানত মোমায়েকৰ ঘৰৰ ফালৰ পৰা কন্যাটিক কাণত পিন্ধোৱাৰ বাবে সোণৰ গহণা দিয়া নিয়ম। পৰ্বৰ দিনা নামতীসকলে নাম-কীৰ্তন কৰে। ওচৰ-চুবুৰীয়া, আত্মীয় কুটুম্বক চাহ-জলপান খুওৱা হয়।

**তোলনী বিয়া ঃ** ছোৱালী এজনী ঋতুমতী হোৱাৰ উৎসৱটি নামনি অসমৰ বৰ্ণহিন্দু সমাজত বৰ আড়ম্বৰেৰে পতা হয়। ছোৱালীজনী প্ৰথম ঋতুমতী হোৱাৰ কথা জনাৰ লগে লগেই মাক আৰু ঘৰৰ আন মহিলাসকলে ছোৱালীজনীক নিলগাই ৰখাৰ ব্যৱস্থা কৰে।এটা কোঠালিত পুৰুষে নেদেখাকৈ ছোৱালীজনীক মাটিত বিছনা পাৰি থাকিবলৈ দিয়া হয়। ছোৱলীজনীৰ বিছনাৰ কাষত এগছি চাকি জলাই ৰখা হয়। এটা মাটিৰ দুণৰিত আৰৈ চাউল, দূৰৰি, পইচা দি চাকিৰ আগত ৰখা হয়। এটা ঘটিত পানী এঘটি থৈ তাত দূৰৰি ৰখা হয়। চুবুৰীৰ আয়তী বা ঋতুমতী নোহোৱা ছোৱালীসকলে আহি ঋতুমতী ছোৱালীজনীৰ গালৈ চাউল আৰু দূৰৰিৰে পানী ছটিয়াই দিয়ে। তাৰপিছত চাকিৰ বা' দিয়া হয় ছোৱালীজনী গাৰ ফালে। ইয়াৰ অৰ্থ আজিৰ পৰা তুমি ডাঙৰ হ'লা,তোমাক আনৰ ঘৰলৈ উলিয়াই দিলো। এই কাৰ্যক আগ দিয়া বুলি কোৱা হয়। ছোৱালীজনীক ঋতুমতী হোৱাৰ দিনাৰে পৰা চাৰিদিনলৈ এনেদৰে নিলগাই ৰখা হয়। চাৰিদিনেই পুৱা-গধূলি আগ দিয়া হয়। সেই চাৰিটা দিন ছোৱালীজনীক ফল-মূল, গাখীৰ, বুট-মাহ আদিহে খাবলৈ দিয়া হয়। ভাত বা চাউলৰ পৰা তৈয়াৰী আহাৰ বা অন্যান্য ব্যঞ্জন আদি খোৱা নিষেধ। চাৰিদিনৰ দিনা ছোৱালীজনী উলিয়াই আনি ঘৰৰ পিছফালে বেই সাজি গা ধুওৱা হয়। চুবুৰীয়া আয়তী আৰু আত্মীয় মহিলাসকলে নাম গাই গাই গা ধুৱায়। গা ধুৱাই নতুন কাপোৰ পিন্ধাই চোতালত সজা ৰভাতলত ঢাৰি পাৰি ছোৱালীজনীক বহুওৱা হয়। তাতে মামীয়েকে পাট বা মুগাৰ সাজ পিন্ধাই কইনাৰ দৰে ছোৱালীজনীক সজাই তোলে। আন আয়তীসকলে তোলনী বিয়াৰ নাম গায়। আলহী-

অতিথিয়েও পুষ্পিতা ছোৱালীজনীক কাপোৰ বা আন উপহাৰ দিয়ে। উপস্থিত সকলোকে চাহ-জলপান, ভাত এসাঁজ খুওৱা হয়। আজিকালি বহুতে চাৰিদিনৰ দিনা ধুওৱা নিয়মটো কৰি পিছত এদিন নিজৰ সুবিধামতে ভালদৰে খানা এটা পাতে। উজনি অসমত এনেদৰে তোলনী বিয়াক লৈ আড়ম্বৰপূর্ণ আয়োজন কৰা নহয়। সাতদিনৰ দিনা চুবুৰীৰ আয়তীয়ে লগ হৈ মাক আৰু পৰিয়ালৰ আন মহিলাসকলে ছোৱালীজনীক গা ধুৱায় আৰু শৰাই পাতি নাম-প্ৰসংগ কৰে। এই অনুষ্ঠানত পুৰুষে অংশ নলয়।

আনহাতে জনজাতীয় সমাজত ছোৱালী পুষ্পিতা হোৱাটো এটা গোপনীয় বিষয়। তাক লৈ কোনো আড়ম্বৰ কৰাৰ প্ৰশ্নই নাই। আনকি ঘৰৰ পুৰুষসকলকো এই কথাৰ ভু দিয়া নহয়। কিন্তু আজিকালি আন সম্প্ৰদায়ক দেখি দেখি নামনি অসমৰ কিছুমান জনাজাতীয় সমাজতো তোলনী বিয়া পতা দেখা যায় যদিও সি সমাজবিৰুদ্ধ। কামৰূপ মহানগৰ জিলাৰ বড়ো অধ্যুষিত অঞ্চল চপাইদাং, বাগসা জিলাৰ গোৰেশ্বৰ আদি ঠাইত তোলনী বিয়া পতাৰ বাবে সমাজে জৰিমনা বিহাৰো ব্যৱস্থা কৰিছে। অৰ্থাৎ কোনো লোকে ছোৱালী পুষ্পিতা হ'লে আত্মীয়-কুটুম্ব মাতি ভোজ-ভাত খুৱাই অনুষ্ঠান পাতিব বিচাৰিলে সমাজক জৰিমনা দিব লাগে। আজিৰ দিনত নতুনকৈ গঢ় লোৱা কিছুমান ঠাইত ভিন ভিন সম্প্ৰদায়ৰ লোক একেলগে বাস কৰাৰ ফলত লোকাচাৰ সমূহৰো আদান-প্ৰদান ঘটিছে। শিশু জন্মৰ সৈতে জড়িত অনুষ্ঠান-লোকাচাৰ আদিলৈও সেয়ে পৰিবৰ্তন আহিছে, সংমিশ্ৰণো ঘটিছে।

## মৃত্যুৰ সৈতে জড়িত লোকাচাৰ

অসমীয়া হিন্দু সমাজত মৃত্যুক লৈ বহুতো লোকাচাৰ প্ৰচলিত আছে। আপোনজন হেৰুৱাই শোকসাগৰত বুৰ যোৱা পৰিয়ালক সান্ত্বনা দিয়াৰ দায়িত্ব গঞা-ৰাইজে যিদৰে লয় সেইদৰে মৃতকৰ শেষ-কৃত্যও সমাপন কৰে। কাৰোবাৰ ঘৰত কোনোবা ঢুকোৱা খবৰ পোৱাৰ লগে লগে যিয়ে যেনেকৈ পাৰে উপস্থিত হয়। শৱদাহৰ ব্যৱস্থা কৰে গঞা ৰাইজে সকলোৱে লাগি-ভাগি।

চুবুৰিৰ ডেকাসকলে বাঁওহ কাটি আনি সাঙী সাজে শ্বদেহ সৎকাৰৰ বাবে নিবলৈ। চহৰত অৱশ্যে আজিকালি শৱ-সৎকাৰ বাহনত সাঙী থাকেই। আত্মীয় কুটুম্ব সকলো আহি উপস্থিত হোৱাৰ পাছত চুবুৰীয়াই মিলি শৱটো স্থানীয় শ্মশানলৈ লৈ যায়।

মৃত্যুৰ লগে লগেই গৃহস্থই ব্ৰাহ্মণ পুৰোহিতক শৱ সৎকাৰৰ কাৰণে মতাই আনে। পুৰোহিতৰ দিহামতে মৃতকৰ গাৰ কাপোৰ-কানি, পিণ্ড যি দিব লাগে তেঁও সলাই দি মৃতদেহৰ গাত মাহ-হালধি ঘহি , ফুলেৰে সাজই নতুন কাপোৰ পিন্ধাই দিয়ে। তাৰপিছত ঘৰৰ আটায়ে মৃতকৰ প্ৰতি মূৰ দোৱাই সেৱা আগবঢ়ায়-- মৃতকে পৰিয়ালৰ সকলোৰে দোষ-ত্ৰুটি মৰিষণ কৰিবৰ বাবে আৰু মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে।

তাৰপিছত সাঙীত তুলি, টঙালেৰে শ বান্ধি শ্মশান-যাত্ৰালৈ আটায়ে সাজু হয়। আই ওলাইও অৰ্থাৎ বসন্ত ৰোগত মৃত্যু হ'লে, সৰ্পদংশনত মৃত্যু হ'লে বা আত্মহনন কৰিলে সেই ব্যক্তিৰ শৱ দাহ কৰা নহয়, পুতি থোৱা হয়। সৰ্পদংশনত মৃত্যু হোৱা লোকক নদীত উটুৱাই দিয়া হয় এই বিশ্বাসত যে কোনো বেজ-বৈদ্যই পাইও যদি ভাল কৰিব পাৰে। মৃত শিশুকো দাহ নকৰি পুতি থোৱা হয়। শ্মশান যাত্ৰাত পূৰ্বতে তিৰোতা আৰু ছোৱালী যোৱা নিয়ম নাছিল যদিও আজিকালি যায়। শৱদাহৰ পিছত মৃতদেহৰ অস্থি সংগ্ৰহ কৰা হয়। শ্ৰাদ্ধাদি সম্পন্ন হৈ যোৱাৰ পিছত পৰিয়ালৰ লোকে গৈ প্ৰয়াগ আদি কোনো তীৰ্থস্থানত বিসৰ্জন দিব পাৰিলে মৃত ব্যক্তিজনৰ কল্যাণ হোৱা বুলি ভবা হয়।

**তিলনি বা চতুৰ্থা ঃ** শূদ্ৰসকলৰ মৃত্যু হ'লে মৃত্যুৰ তৃতীয় দিনত তিলনী কৰা হয় আৰু ব্ৰাহ্মণসকলৰ মৃত্যুত চতুৰ্থ দিনৰ দিনা চতুৰ্থা কৰা হয়। ঘৰখনৰ সকলো কানিকাপোৰ তিয়াই দিয়া , ঘৰ-চোতাল সাৰি মচি নিকা কৰা নিয়ম। পানীৰ কাষৰ পিণ্ড দিয়া ঠাইত চাৰিদাল নল বা বাৰহওৰ খুঁটা পুতি ওপৰত কলপাত বা নল-খাগৰি দি তিলনী বা চতুৰ্থাৰ পিণ্ড দান কৰা হয়। চতুৰ্থাৰ দিনা শৱদাহত উপস্থিত থকা সকলো মানুহকে মাতিব লাগে। গঞা ৰাইজ বাআত্মীয়সকলে মৃতকৰ পৰিয়াললৈ ফল-মূল, গাখীৰ , চাগুদানা, পিঠাগুৰি, তিওৱা বুট-মাহ আদি লৈ আনে। উপস্থিত লোকক কেঁচা পিঠাগুৰি, এৰা

গাখীৰ আৰু ,বুট-মাহ খুওৱা হয়। সেইদিনাৰে পৰা মৃতকৰ ঘৰৰ মানুহ, সন্তান, পতি-বা পত্নীয়ে সন্ধিয়া বেলি দুব যোৱাৰ পূৰ্বে এসাঁজ সিদ্ধ ভাত কলপাতত লৈ খোৱাৰ অনুমতি পায়। এই ভাতসাঁজক বৰতীয়া ভাত বুলি কোৱা হয়।

**দহা ঃ** দহদিনৰ দিনা দহা। সেইদিনা পুৱাতে উঠি ঘৰখনৰ সকলো কাপোৰ-কানি তিওৱা হয়। ঘৰ-চোতাল মচা হয়। ঘৰৰ আটায়ে তিতা কাপোৰ পিন্ধি প্ৰায়চিত্ত হৈ আকৌ স্নান কৰে। সেইদিনা মৃতকৰ পুত্ৰ সন্তানে চুলি খুৰাব লাগে।

**সপিণ্ডন ঃ** এঘাৰ দিনৰ দিনা সাতপুৰুষৰ শ্ৰাদ্ধ পাতি পিণ্ডদান কৰা হয়। ৰাতি নাম-কীৰ্তন দল মাতি নাম গোওৱা হয়।

**শ্ৰাদ্ধ ঃ** মূল শ্ৰাদ্ধৰ দিনা মাছকে ধৰি মৃতকে ভালপোৱা সকলো ব্যঞ্জন আৰু আধাসিজা ভাত কলপটুৱাত সজাই চিৰা-পিঠা আদিও লগতে দি পিণ্ড দিয়া হয়। সেই ব্যঞ্জনসমূহ আছুতীয়াকৈ মৃতকৰ আপোনজনে ৰন্ধন কৰি দিয়ে। শ্ৰাদ্ধৰ তৃতীয় দিনা মৎসস্পৰ্শ বা জ্ঞাতালি। সেইদিনা ৰাইজক মাছেৰে ভহজ দিহে গৃহস্থ ঘৰে নিৰামিষৰ ব্ৰত ভাঙিব পাৰে। তাৰপিছত মাহে মাহে মৃত্যু তিথিৰ দিনে দিনে পিণ্ড দি থকা হয়। পিণ্ডৰ আগৰ দিনা পুত্ৰই নিৰামিষাহাৰ কৰিব লাগে। ছমহীয়া আৰু বছৰেকীয়া শ্ৰাদ্ধত আকৌ অন্ন, জল, বস্ত্ৰ দি ডাঙৰকৈ সকাম পতা হয়। ৰাতিলৈ ৰাইজ নিমন্ত্ৰণ কৰি নাম প্ৰসংগ কৰা হয়। ইয়াৰ পিছত বছৰে পিণ্ড দান কাৰ্য চলি থাকে। মৃতকৰ সন্তানে এবছৰলৈ অন্য মানুহৰ ঘৰত অন্ন গ্ৰহণ কৰিবলৈ নেপায় বুলি কোৱা হয়। অসমীয়া জনজাতীয় সমাজত পিছে মৃত্যুক লৈ ইমান দীঘলীয়া সংস্কাৰ নাই। জনাজাতীয় লোকসকলে কোনো ব্যক্তি ঢুকোৱাৰ দিনাই শৰদাহৰ পূৰ্বে কুকুৰা কাটি সিজাই মৃত ব্যক্তিজনলৈ বাহত এসাঁজ আগবঢ়ায়। শৰদাহ আৰু মৃতকৰ পৰিয়ালৰ খবৰ ল'বলৈ অহা লোকস্কলে কণী, চাউল, কুকুৰা, হালধি, আলু আদি লৈ আহে। তাৰপিছৰ পাঁচদিন পৰিয়ালটোৱে নিৰমিষ আহাৰ গ্ৰহণ কৰে। পাঁচদিনৰ দিনা গঞা ৰাইজক মাতি মৃতকলৈ ভাত আগবঢ়োৱাৰ উপৰি ৰাইজক কুকুৰা মঙহৰে সৈতে মদ খুৱায়। বড়োসকলে এই নিয়মটোক খাৰমাছ উঠা বুলি কয়। তাৰপিছত সাধ্যানুসাৰে এদিন সকাম পাতে।

চতুৰ্থ অধ্যায়

# বিবাহ সম্পৰ্কীয় লোকাচাৰ, উৎসৱ-পাৰ্বন তথা লোকবিশ্বাস

ভাৰতবৰ্ষৰ প্ৰায় সকলো জনগোষ্ঠীৰ দৰেই অসমৰো জাতি-জনগোষ্ঠীৰ লোকসকলৰ মাজত বছৰৰ বিভিন্ন সময়ত বিভিন্ন পূজা-পাতল, লোকধৰ্মীয় অনুষ্ঠান ৰীতি-নীতি আদি অতীজৰে পৰা পালিত হৈ আহিছে। এটা কথা অৱশ্যেই উল্লেখ কৰিব লাগিব,পূৰ্বৰ অসমীয়া সমাজত বিবাহক কেন্দ্ৰ কৰি যিবোৰ আচাৰ, নীতি, পৰ্ব প্ৰচলিত আছিল, সেইবোৰৰ বহুখিনি আজিৰ আধুনিক অসমীয়া সমাজত বিলোপ পাইছে। তাৰমাজতো বহুখিনিয়েই এতিয়াও চলি আহিছে। অসমীয়া অজনজাতীয় লোকসকলৰ যিদৰে ভিন ভিন বৈবাহিক ৰীতি-নীতি আছে ঠিক সেইদৰে অসমীয়া জনজাতীয় সমাজতো বিবাহক লৈ বিভিন্ন ৰীতি-নীতিৰ প্ৰচলন আছে। মুঠতে অসমীয়া মানুহৰ সমাজ ব্যৱস্থাত বিয়া বা বিবাহ এটি উল্লেখযোগ্য অনুষ্ঠান। ভিন ভিন জাতি, জনগোষ্ঠীৰ বাসস্থান অসমত বিবাহৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান জাতিভেদে, অঞ্চলভেদে বেলেগ বেলগে হ'লেও সকলোৰে জীৱনত বিয়া বা বিবাহে এক উল্লেখযোগ্য স্থান দখল কৰি আহিছে। বৈবাহিক আচাৰ নীতিৰ ভিতৰত জোৰোণ দিয়া, পানী তোলা, সুৰাগুৰি তোলা, দৰা কইনাক নোওৰা-ধুওৰা, গাঁঠিয়ন খুন্দা, আখৈ তোলা, হোম পোৰা, দৈয়ন দিয়া আদি প্ৰধান।

**জোৰোণ ঃ** বৈদিক পদ্ধতিৰ বিবাহ অনুষ্ঠানত জোৰোণ এক অনিবাৰ্য বৈবাহিক প্ৰথা।সাধাৰণতে বিয়াৰ আগদিনা বা কিবা অসুবিধা থাকিলে তাৰ

আগদিনা অথবা বিয়াৰ দিনা পুৱাই কইনাক জোৰোণ দিয়া হয়। কোনো কোনো ঠাইত দৰাক জোৰোণ দিয়া ৰীতিও প্ৰচলন আছে। কইনাক জোৰোণ দিবলৈ আহোতে কইনাৰ বাবে বস্ত্ৰ, আ-অলংকাৰৰ লগতে দৈ, মিঠাই, মাছ, পানীলাও, তামোল এথোক, কল, নাৰিকল আদি দ্ৰব্য কইনাঘৰলৈ নিয়াৰ নিয়ম। কইনাই বিয়াৰ দিনা পিন্ধিব লগীয়া মূল কাপোৰসাজৰ লগতে গা ধোৱাৰ সময়ত পিন্ধিবলগীয়া বস্ত্ৰও দৰাঘৰে লৈ যোৱাৰ নিয়ম। জোৰোণ দিবলৈ অহা দৰাঘৰীয়া সমাজক কইনাঘৰৰ চোতালৰ এফালে আৰু জোৰোণ চাবলৈ অহা কইনাঘৰৰ ওচৰ-চুবুৰীয়া, আলহীসকল এফালে বহে। মাজত এখন বৰপীৰাত কইনাক বহুওৱা হয়। মাংগলিক নিয়ম-নীতিৰ পাছত দৰাৰ মাক বা অন্যান্য আত্মীয় আয়তী বা কন্যাসকলে কইনাক জোৰোণ পিন্ধায়। অৰ্থাৎ দিবলৈ অনা আ-অলংকাৰ সমূহ পিন্ধাই সেন্দুৰৰ ফোঁট দি সজোৱাৰ লগতে কাপোৰ কেইসাঁজ মূৰত দিয়ে। তাৰপিছত অন্যান্য দ্ৰব্যসমূহ কইনাক চুবলৈ দিয়ে। দৰাঘৰে অনা খাদ্যসামগ্ৰীৰ অৰ্দ্ধেক পুনৰ দৰা ঘৰক ওভোতাই দিয়াৰ নিয়ম।

**দৈয়ন দিয়া ঃ** বিয়াৰ দিনা পুৱা চৰাই-চিৰিকটি মাটিত নৌপৰোতেই বা কুকুৰাই ডাক নিদিওতেই দোকমোকালিতে দৰা বা কইনাক মাকে দৈয়ন দিয়া প্ৰথা প্ৰচলিৰ হৈ আহিছে। দৈয়ন দিবৰ বাবে গা ধুবলৈ লোৱা তামুলী পীৰা, কলপাত, খেৰৰ মুঠি আৰু শিল দৰা বা কইনাৰ  শোৱা কোঠাৰ দুৱাৰমুখত সজাই থোৱা হয়। এটা বাণ বাটিত দৈ ,পাণ ধূপ-চাকি  এখনি শৰাইত সজাই লৈ তাত থোৱা হয়। পানী তুলিবলৈ নিয়া ঘট আৰু দূণৰিও দুৱাৰমুখত থোৱা হয়। শোৱা কোঠাৰ দুৱাৰৰ ভিতৰফালে কন্যা বা দৰা পীৰাত বহি বাহিৰফালে সজাই থোৱা কলপাতত ভৰি থোৱা নিয়ম। মাকে বাহিৰফালে বহি দৈয়ন দিব লাগে। দৈয়ন দিয়াৰ আগতে আম সাৰ, চাকি সাৰ দি দৰা বা কইনাৰ মূৰত দুটা বা তিনিটা চাউল ছটিয়াই দি দৈয়ন দিয়ে। দৈয়ন দিওতে আঁঠু কাঢ়ি কইনা বা দৰা থকা কোঠাৰ বাহিৰফালে পৰ্দাৰ ফাঁকেৰে মূৰ সুমুৱাই লৈ শৰাইত সজাই লোৱা বাণ বাতিৰ দৈত দুখিলা পাণ জুবুৰিয়াই লৈ দৰা কইনাৰ দুই গালত, দুই আঁঠুত আৰু দুই ভৰিত তিনিবাৰকৈ লগোৱাৰ নিয়ম। প্ৰতিবাৰেই দৈত জুবুৰিয়াই লোৱা পাণ নিজৰ গাৰ ফলেও এছাটিকৈ মৰা নিয়ম। দৈয়ন দিয়াৰ সময়ত আয়তীসকলে দৈয়নৰ নাম গায় এনেদৰে--

“সোণাৰীৰ ঘৰৰে ৰূপৰে কটাৰী  
গোৱালৰ ঘৰৰে দৈ  
আজি প্ৰভাততে মায়ে দৈয়ন দিয়ে  
সিংহ দুৱাৰতে ৰৈ”  
“দৈয়ন দিয়া দৈয়ন দিয়া  
আপোনাৰে আই  
ভাল কৰি দৈয়ন দিয়া  
হৃদয় জুৰায়”  
“পূবে দিছে ৰেণু উঠা শ্যাম কাণু  
কিয় কৰি আছা হেলা  
দৈয়ন দিব লাগে মাতৃ ৰৈয়া আছে  
যায় ধৰমৰে বেলা”

দৈয়ন দিয়া কাম শেষ হ’লে দৰা বা কইনাৰ খুৰীয়েক, মামীয়েক, পেহীয়েক আদি পৰস্পৰে গালে-মুখে দৈ সানি লৈ ৰং-তামাছা কৰা নিয়মো ঠায়ে ঠায়ে প্ৰচলিত আছে দৈয়ন দিয়াৰ পাছত কোনো অঞ্চলত পানী তোলা প্ৰথাও  আছে।

দৈয়ন দি উঠি কন্যাক লৈ আয়তীসকল পদূলিৰ বাহিৰলৈ ওলাই যোৱা নিয়ম। কন্যাক সূৰ্যক প্ৰণাম জনাই লাগনি গছ আৰু মাতৃস্থানীয় সকলক চাবলৈ দিয়া হয়। এই সকলোবিলাক নীতি-নিয়ম উৰ্বৰা শক্তিৰ লগত জড়িত বুলি বিশ্বাস কৰা হয়।

দৈয়ন দিয়াৰ এই প্ৰথা উজনি অসমতহে দেখিবলৈ পোৱা যায়। নামনি অসমত এই প্ৰথা অলপ বেলেগধৰণে পালন কৰা হয়। দৰা-কইনা ঘৰত সোমোৱাৰ পিছত আঙঠি সলোৱা কাম শেষ কৰি দৈয়ন দিয়ে। নামনি অসমত বিয়াৰ পিছত দৈয়নৰ কাম শেষ হ’লে দৰা ওলাই আহি কইনা ঘৰৰ জ্যেষ্ঠসকলক সেৱা জনাই নিজৰ ঘৰলৈ যায়। দৈয়ন দিয়া প্ৰথা অসমীয়া বিবাহ অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে আজিও পালিত হৈ আছে।

**আহোমসকলৰ বিবাহ পদ্ধতি ঃ**

আহোমসকলৰ বিবাহ পদ্ধতি সুকীয়া। ভিন্ন ভাষা , ধৰ্ম, আৰু সংস্কৃতিৰ মানুহ আাহোমসকলে তেঁওলোকৰ  বিবাহ পদ্ধতিৰ স্বকীয়তা আজিও বজাই ৰাখিছে। চকলং প্ৰথা মানে আহোম  ভাষাত বিয়া। আদিম সমাজ ব্যৱস্থাৰ ফলস্বৰূপে পুৰণি অসমৰ জনজাতি বিলাকৰ মাজত পলুৰাই নিয়া, সাধাৰণ অনুষ্ঠান আদিৰে বিয়া দিয়া আদি মুকলিমূৰীয়াকৈ চলি আহিছিল যদিও আহোমসকলে কিন্তু তেনে ব্যৱস্থাক বেছি উৎসাহিত নকৰিছিল। আহোমৰ একে খেলৰ মাজতো বিবাহ নিষিদ্ধ আছিল। আভিজাত্য অটুট ৰাখিবলৈ আৰু সামাজিক মৰ্যদা পাবলৈ আহোমসকলে চকলং প্ৰথাৰে বিবাহ সম্পন্ন কৰাত গুৰুত্ব দিছিল। ড° পদ্মেশ্বৰ গগৈৰ মতে আহোমসকলৰ বিবাহৰ প্ৰথানুগত অংশটো প্ৰাচীন টাই-আহোম, বৌদ্ধ আৰু হিন্দু বিবাহৰ আনুষ্ঠানিকতাৰ এক সংমিশ্ৰিণ। ৰিক-খন বা আয়ুতোলা, আপ-তাঙ, দেওবান, সাত পুৰুষৰ বংশাৱলী(বুৰঞ্জী) কোৱা প্ৰথা, টেমী কটাৰী সলোৱা, হেংদান দিয়া, আঙুঠি সলোৱা, পঞ্চদেৱতাৰ শৰাই আদি নিশ্চিতভাৱে  টাই আহোমসকলৰ ৰীতি-নীতি। পদ্মাকৃতিৰ মৰল সাজি এশ-এগছি চাকি জলোৱাটো বৌদ্ধধৰ্মৰ পৰা আহিছে আৰ উৰুলি আদিৰ ব্যৱহাৰ হৈছে হিন্দু বৈবাহিক আচাৰৰ উপাদান।

চকলং প্ৰথা আহোমসকলৰ বিশেষ বৈশিষ্টপূৰ্ণ বৈবাহিক প্ৰথা। আহোম পুৰোহিত , শাস্ত্ৰ আৰু ভাষাৰে চকলং প্ৰথা অনুষ্ঠিত হয়। চকলঙতো জোৰোণ দিয়া নিয়ম আছে যদিও আহোম ভাষাৰে মন্ত্ৰ উচ্চাৰণ কৰে। জোৰোণৰ পিছতো সম্প্ৰদানলৈকে টেকেলি দিয়া, দেওবান কৰা, মূৰত তেল দিয়া, গাঁঠিয়ন খুন্দা, ৰিকখন কৰা, আপদাঙ কৰা দৈয়ন দিয়া আদি ভালেমান অনুষ্ঠান আছে। গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, টেকেলি দিয়া আদি বৈদিক পদ্ধতিৰ লগত মিলে যদিও বাকীকেইটা অনুষ্ঠান সম্পূৰ্ণ আহোম পদ্ধতিৰ।

**টেকেলি দিয়া নিয়ম ঃ** টেকেলি লৈ দৰা বা কইনাৰ দিঙিত এখন গামোছা মেৰিয়াব। দৰালৈ সজোৰা টেকেলিত এধাৰ মণি ৰাখিব। কইনাৰটোত নালাগে। দুয়োটা টেকেলিতে সৰু বাটি দুটাত মাহ-হালধি বটি ল'ব। বিয়া ৯ দিনীয়া হ'লে ৯আঙুল, ৭ দিনীয়া হ'লে ৭ আঙুল আৰু ৩ দিনীয়া হ'লে ৩ আঙুল কৈ হালধি লব। লগতে মাটিমাহ দুতোলা আৰু আৰৈ চাউলৰ গুৰি দুতোলা  খুন্দি  দুতোলা তেলৰ লগত মিহলাই লয়।

**নোওৱাৰ নিয়ম ঃ** ন দিনীয়া, সাত দিনীয়া, পাঁচ দিনীয়া আৰু তিনি দিনীয়া বিয়া হ'লে টেকেলিৰ মাহ হালধি বঁটা ৯, ৭, ৫, ৩ ভাগ কৰি লৈ একো একোভাগ প্ৰত্যেক দিনেই বাটি লৈ নোওৱা কাৰ্য কৰিব আৰু সেই টেকেলিৰেই পানী তুলি আনিব। সেই বাটিটোৰে মাহ হালধিক সাত  ভাগ কৰি লৈ ১ম ভাগ মুখত, ২য় ভাগ, ৩য় ভাগ হাতত, ৪ৰ্থ ভাগ ককালত, ৫ম ভাগ উৰুত, ৬ষ্ঠ ভাগ জানুত আৰু ৭ম ভাগ ভৰিত সানি টেকেলিৰে তুলি অনা পানী প্ৰথমে ঢালি তাৰপিছত অন্য কলহৰ পানী ঢালিব। নোওৱা আসনৰ পৰা দৰা বা কইনা নামি যোৱাৰ লগে লগে আসনখন ভাঙি পেলাব। নোওৱা টেকেলিও  দূণৰি মৰলৰ মাজত থব।

**জ্ঞাতি ভোজঃ** বিয়াৰ দুই-এদিন আগতে দৰা আৰু কইনাৰ ঘৰত ন পুৰুষৰ উদ্যেশ্যে এটি জ্ঞাতি ভোজ দিব।

**দেওবান ঃ** বিয়াৰ আগদিনা দৰা আৰু কইনাৰ ঘৰত দেওবান কৰে। এই দেওবান হৈছে আহোমৰ ইষ্ট গুৰু যেনে লাংকুৰি, জ্যনছাইহুং, লাৰেং, লেংডন আৰু জাছিংফা, এই সকলক তামোল-পাণৰ শৰাই আৰু নানা দব্য দি আৰাধনা কৰা। দৰা ঘৰৰ পৰা কইনাৰ ঘৰলৈ ৭ টা কলপটুৱাৰ পেৰাত আগগুৰি কটা তামোল ভৰাই পঠিয়াব। সেই তামোলেৰে কইনাৰ ঘৰত দেওবান কৰিব লাগে। তদুপৰি ১২টা চাউল, ৰহি, ছিংকৰা ফুল, জুকিওৱা তামোল ১২খনেৰে পুৰোহিতে মন্ত্ৰ মাতি উপাসনা কৰাব। তাৰপিছত একে শাৰীতে ঘৰৰ মৃতকৰ কাৰণে এখন শৰাই দিব। তাৰপিছত ভকত আৰু আইসকলক একোখনকৈ  দিব।

**মূৰত তেল দিয়া ঃ** দেওবান কৰাৰ পিছত মূৰত তেল দিব।

**ৰিকখন বা আয়ুতোলা ঃ** দেওবান কৰাৰ আগদিনা ৰিকখন বা আয়ুতোলা নিয়ম কৰিব লাগে। দুজন বা তিনিজন পুৰোহিতে এখন জাকৈ লৈ বিল বা পুখুৰীত তামোল-পাণ কণী চাউল লৈ খাওখাম জন-দেৱতাক পূজা কৰিব লাগে। মন্ত্ৰ উচ্চাৰণ কৰাৰ পিছত খাওখাম বৰুণ দেৱতাক চিন্তি তিনিবাৰ জাকৈ মাৰিব। তাত যি মাছ উঠে তাক টোপোলা বান্ধি লৈ আহিব।

পিছদিনা দোকমোকালিতে সেই ,মাছ ৰান্ধি দৰা বা কইনাক নামমাত্ৰ খুৱাব। এইদৰে পৰমায়ু তুলি মংগল কামনা কৰাকে ৰিকখন বা আয়ুতোলা বোলে।

**আপ-তাঙ ঃ** ইয়াৰ পিছতে আপ-তাঙ আৰু সৰ্বঔষধি লৈ দৰা বা কইনাই গা ধুব। ধোওতে এখন চালনীৰ ওপৰত উঠি লৈ এটা সৰু কুকুৰা পোৱালি ভৰিৰে গছক মাৰি ধৰি লব। এজোপা ডাল-পাত ভৰপূৰ হৈ থকা গছলৈ চাই ইশ্বৰৰ নাম লৈ সেই পানী মূৰত ঢালিব। ধোৱাৰ শেষত গাত থকা বস্ত্ৰ খহাই পেলাই নতুন বস্ত্ৰ পিন্ধিব। হাতত কাচি লৈ পাচ হুহকি ইশ্বৰৰ নাম কৰি মাটিত তিনিটা আঁক মাৰি গুচি আহিব। আহোতে ক'ব,"আজিৰ পৰা কোনো বিপদ-আপদ এই আঁক পাৰ হৈ মোৰ গালৈ নাহিবা।"

**গাঁঠিয়ন খুন্দা ঃ** বিয়াৰ আগদিনা মাজৰাতি আদিয়ে গাঁঠিয়ন খুন্দি দৰা বা কইনাক ফোঁট দিব।

**চকলং ঃ** আহোমৰ বিবাহ প্ৰথা অনুসৰি চকলংটোৱেই মূল অনুষ্ঠান। চকলং কৰিবলৈ সাতোটা বৰণেৰে এখন মৰল সাজে। মৰলত এশ এটা ভাগ কৰে। এশ এটা ভাগত এশ এগছ চাকি থাকে। সেই চাকিৰে ভৰা মৰলৰ আগত বহি দৰা-কইনাই দাম্পত্য জীৱনৰ মন্ত্ৰ আৰু সংক গ্ৰহণ কৰে। চকলং কৰিবলৈ এশ এপাহ ফুল থকা দুধাৰ মালা, তিনিখন থুৰীয়া তামোল , এখন গামোচা, এটা দূৰ্ণৰিত চাউল, দুটা মাইহাঙত আখৈ-পৰমান্ন আৰু পঞ্চামৃত, দুযোৰ লোটা-চৰিয়া, তিনিডাল খৰিকা আৰু এখন হেংডাং লাগে। কন্যা সম্প্ৰদানৰ সময়ত কন্যাদাতাই কয়, "আজি পৰমেশ্বৰকসাক্ষী কৰি মোৰ জীক তোমাক দান কৰিলো। তুমি সদায় মৰমেৰে ৰাখিবা।" দৰাই তাৰ উত্তৰত কয়," মই আপোনাৰ দান সাদৰেৰে গ্ৰহণ কৰিলো। তাৰ পিছত দাম্পত্য জীৱনৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে পুৰোহিতে শাস্ত্ৰসন্মত উপদেশ দিয়ে। এই উপদেশৰ পিছত কন্যাই শৰাইত থকা হেংদান লৈ দৰালৈ আগবঢ়াই কয়, "এই অস্ত্ৰৰে নিজৰ দেশ, নিজৰ পুত্ৰ ভাৰ্যা আৰু ঐশ্বৰ্য ৰক্ষা কৰিবলৈ সমৰ্থ হওক।"

হেংদান গ্ৰহণ কৰি দৰাই কয়, " দুষ্টক দমন, শিষ্টক পালন কৰিবলৈ এই হেংদান হাতত লৈ সংকল্প গ্ৰহণ কৰিলো।" তাৰপিছতে কইনাই এখন কাপোৰ দি দৰাক কয়--"হে বঙহৰদেউ , এইখনি কাপোৰ কবচৰূপে পৰিধান কৰি অজেয় হওক।' দৰাই সেই কাপোৰ লৈ কয়," এই বস্ত্ৰৰে টঙালি বান্ধি শত্ৰুক জয় কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হলোঁ। এই সময়ত দৰা-কইনা উভয়ে কমেও সাতপুৰুষৰ বুৰঞ্জী কব লাগে। এই সময়তে বৰ কন্যাৰ পক্ষৰ পৰা ৰাজ্য আৰু ৰজাৰ বাবে দি যোৱা বৰঙনিৰ কথা বিৱৰি কয়। ৰাজহুৱাকৈ এইখিনি কাৰ্য হোৱাৰ পিছৰ ঘৰৰ ভিতৰত আঙঠি সলোৱা, পঞ্চমৃত ভক্ষণ, টেমী-কটাৰী সলোৱা, পাশা বা কড়ি খেল আদি দৰা-কইনাক খেলোৱা হয়।

আজিকালি ৰিক-খন, দেওবান আদি চকলঙৰ সৈতে সম্পৰ্কিত সমস্ত ৰীতি-নীতি পালনৰ পৰিবৰ্তে আহোম সমাজত চকলঙৰ মূল ৰীতিটোহে কেৱল পালন কৰা দেখা গৈছে। সম্ভবতঃ সময়ৰ অভাৱতে আজিৰ মানুহে দীঘলীয়া বৈবাহিক আচাৰ নীতি পালনৰ পৰম্পৰা পৰিহাৰ কৰি সংক্ষিপ্ত আকাৰে লোকাচাৰ সমূহ ধৰি ৰখাৰ প্ৰয়াস কৰিছে।

### কাৰ্বিসকলৰ বিবাহ প্ৰথা ঃ

বৰ্তমান কাৰ্বি সামজত চাৰিবিধ বিবাহ প্ৰথাই বিশেষভাৱে প্ৰচলিত-- আদামআচাৰ, হৰহাক কাংথুৰ , আদাম থনকক আৰু কেমেন। এই চাৰিও প্ৰথাতে কইনা খোজা নিয়মটো একে। কইনা খুজিবলৈ নেংপি-নেংছ' কাংচিকি, কেংহাং, কাপাতিনি আৰু আজ'-আৰ্ণিকেফা, এই চাৰিবাৰ যোৱাৰ পিছতহে কাংপাৰি অৰ্থাৎ বিয়া পতাৰ নিয়ম। দ্বিতীয়বাৰৰ পৰাহে বংক্ৰক, আৰু কাংছিৰ আৰ্জলাং নিব পাৰি। মুঠতে বিবাহ কাৰ্য সামধান নোহোৱালৈকে, ঠাই বিশেষে পাঁচটাৰ পৰা প্ৰায় ষাঠিটালৈকে বংক্ৰক নি কইনাঘৰীয়াক মাননি হিচাপে দিয়া নিয়ম আছে।

'হৰহাক কাংথুৰ' নিয়মত তিনিটা হৰহাক বিয়াৰ দিনা দৰাঘৰীয়াই নিব লাগে। দৰাৰ পক্ষৰ হৈ 'আৰি' (দৰাঘৰীয়া) ৰ এটা, ইংজিৰ আৰ্ল (বাই বা ভনী) ৰ এটা আৰু ছুছু ফিলি (ভাগিণী) ৰ এটা। প্ৰতিটো হৰহাককত দামদাম এটা বংক্ৰক , হৰতিবুক (মদৰ কলহ) এটা। দামদাম আৰু হৰতিবুকৰ দিংত নডালকৈ বগা সূতা (এঁৰা সূতা) ৰে তিনিপাককৈ বান্ধি দিব লাগে। এইবোৰ মাননি কইনাৰ বাপেকক দিব লাগে। অৱশ্যে আদামআছাৰ আৰু আদাম থনকক বিবাহত এইবোৰ প্ৰস্তুতিৰ দৰকাৰ নাই।

আদাম থনকক নিয়মত সকলো একে হ'লেও দৰাঘৰীয়াই সেই দিনাই

কইনাক লগত নিব নোৱাৰে, দৰাকহে কইনাৰ ঘৰত এৰি থৈ আহিব লাগে। এৰাতি বা কেইদিনমানৰ পিছতহে দৰাই নিজেই কইনাক ঘৰলৈ নিব পাৰে।

বিবাহ কাৰ্য সম্পন্ন কৰিবলৈ, এই তিনিবিধ প্ৰথা কিছু বেলেগ হ'লেও আদামৰ গীতটো একেধৰণে গোৱা হয়। ইশ্বৰৰ স্তুতি মন্ত্ৰ পাঠ কৰাৰ পিছত ভোজনপৰ্ব আৰম্ভ হয়। তাৰপিছত কাংপাৰি অৰ্থাৎ দৰা কইনাৰ মাজত কোনো এটা আছুতীয়া কোঠাত এখন ঢাৰিত বহিবলৈ দিয়া হয় আৰু সেই অনুষ্ঠানত ডেকা-গাভৰুবোৰেও তেওঁলোকক ঘেৰি ধৰে।

পিছদিনা ৰাতিপুৱা দৰা-কইনাৰ দাম্পত্য জীৱনৰ মংগলাৰ্থে হেম্ফুলৈ পূজা এভাগ দিয়া হয়। । ইয়াক হেম্ফু আবুৰ কামাথা বোলে। সেইদিনা ভোজন পৰ্ব শেষ কৰি কইনাৰ উদ্যেশ্যে দেউতাকে এঁফাকি গীত গায়। ইয়াক অছ কাচিনেম বোলে। গীতফাকিৰ মাজেৰে পিতৃয়ে কন্যাক দৰাঘৰলৈ চিৰদিনৰ বাবে যাবলৈ অনুমতি প্ৰদান কৰে।

সেইদৰে কইনাজনীয়ে দেউতাকৰ ঘৰৰ পৰা ওলাই যোৱাৰ অনুমতি পোৱাৰ পিছতে মাক-দেউতাক কাপোৰ-কানি খুজি এঁফাকি গীত গোৱা নিয়ম আছে। আচলতে কাৰ্বি সামজত বিবাহত বহা কইনাই গাবলৈ লাজ পায় কাৰণে এই গীত ফাকি দৰাঘৰীয়াই গাই শুনায়। তাৰপিছত কইনাক আদৰিবলৈ দৰাৰ পিতৃয়ে এঁফাকি গীত গায়, ইয়াক মুনচাৰণে বোলে।

এই খিনি হোৱাৰ পিছত দৰাঘৰীয়াই বিদায় গ্ৰহণ কৰি ন কইনাৰে সৈতে ঘৰমুৱা হয়। ন কইনাক থৈ আহিবলৈ কইনা ঘৰীয়াই যোৱা নিয়ম আছে আৰু লগতে মাক-দেউতাক নগলেও খুৰা বা দাদা কোনোবা এজন যোৱাটো নিয়ম। কাৰণ পিছ দিনা দৰাৰ ঘৰৰ পৰা ঘূৰি আহিবৰ সময়ত কইনাৰ উদ্যেশ্যে এঁফাকি গীত গাব লাগে , ইয়াক আছ' আংজিৰ চেপাৰে বোলে।

দৰাৰ ঘৰৰ পৰা কইনাঘৰীয়াই গুছি যোৱাৰ এক বা দুসপ্তাহৰ পিছত কইনাই মাক-দেউতাকৰ ঘৰৰ পৰা দি পঠোৱা 'সাজ-পোছাক' যোৰ বংক্ৰক এটিৰে সৈতে সন্মান সহকাৰে ঘূৰাই দিয়া নিয়ম আছে, এই নিয়মক পেছ' ৰিছ' কাচেথন বোলে। এই নিয়ম পালনৰ পাছতেই বিয়া এখন সমাপন হয়।

## মিচিংসকলৰ বিবাহ পদ্ধতি ঃ

মিচিং সমাজৰ বিবাহ-পদ্ধতি স্বকীয় বৈশিষ্ট্য আৰু আকৰ্ষণীয় নীতি-নিয়মেৰে পৰিপূৰ্ণ। বিবাহ-কাৰ্য সকলো সমাজৰ চিৰন্তন ৰীতি। তদুপৰি সকলোৰে বিবাহ পদ্ধতি সুকীয়া সুকীয়া হোৱাটো লক্ষণীয়। মিচিংসকলৰ বিবাহকাৰ্য দুটা পদ্ধতিৰে সম্পন্ন হয়। এটা পদ্ধতিক মিদাং (চোৰা-মেলা কৰি হোৱা বিয়া ) আৰু আনটোক দুগলা লাঃনাম (পলুৱাই নিয়া) বোলে। দুয়োটা পদ্ধতিয়েই মিচিং সমাজত সামাজিকভাৱে স্বীকৃত আৰু সমানেই প্ৰচলিত ।

মিচিং সমাজত গুঃমৃন( গোত্ৰ)ভেদে উপাধি পৃথক পৃথক হয়। একে গুমৃন্ বা একে উপাধি ৰ ডেকা গাভৰুৰ মাজত বিবাহ নিষিদ্ধ। উদাহৰণ হিচাপে দলেঃ উপাধি লিখা ডেকা এজনে দলেঃ উপাধি লিখা গাভৰু এগৰাকীক বিয়া পাতিব নোৱাৰে। তদুপৰি কিছুমান বেলেগ বেলেগ ুপাধিৰ গোত্ৰ একেই হোৱা বাবে তেঁওলোকৰ মাজতো বিয়া নিষিদ্ধ। আনহাতে মিচিং সমাজত সাধাৰণ মিতিৰ-কুটুমৰ ল'ৰাছোৱালীৰ মাজত আৰু মোমায়েকৰ পক্ষীয় আৰু পেহীয়েকৰ পক্ষীয় ল'ৰা-ছোৱালীৰ মাজতো বিবাহ হয়।

মিচিংসকলে সাধৰণতে আঘোণ, মাঘ, ফাগুন আৰু ব'হাগ মাহত বিয়া পতাৰ বাবে দিন নিৰ্ধাৰণ কৰে।ছোৱালী পছন্দ হ'লে ল'ৰাৰ মাক-দেউতাক বা অভিভাৱকে ছোৱালীৰ ঘৰত খবৰ দিয়ে। সেইমতে ছোৱালীৰ মাক-দেউতাক বা অভিভাৱকে ল'ৰাৰ ঘৰৰ লোকৰ থকা-মেলা আৰু খোৱা-লোৱাৰ বাবে সকলো যোগাৰ কৰি থয়। নিৰ্দিষ্ট দিনা ল'ৰাৰ পক্ষৰ মানুহ আহিলে ছোৱালীৰ পক্ষই সম্বন্ধীয় লোক আৰু গাঁৱৰ মুখিয়ালসকলক লৈ বিয়া দিয়া-নিদিয়া সম্পৰ্কে মতামত দিয়ে। ইয়াক 'য়ামনৌ তাদনাম্' বোলে। সকলোৰে মত থাকিলেহে ছোৱালীক বিয়া দিয়া নিয়ম। বিয়া দিবলৈ মন নকৰিলে সেই কথাটো পাছত জনাব বুলি সেইবাৰলৈ ন্বিদায় দিয়ে। বিয়া ঠিক হ'লে সেইদিনাই মুকলিকৈ ল'ৰা পক্ষক জনাই দিয়া হয়। অৱশ্যে দিনবাৰ আৰু বিয়াৰ যাবতীয় বন্দোবস্তিৰ বাবে পিছত আকৌ দুয়োপক্ষৰ মাজত ছোৱালীৰ ঘৰত এনে আলোচনাৰ অনুষ্ঠান পতা হয়। ইয়াক 'য়ামনৌ তাদপৃৰ্' বোলে।

দুয়োপক্ষৰ আলোচনা বিলোচনাৰ অন্তত বিয়াৰ বন্দোবস্ত হ'লে ল'ৰাই ছোৱালীৰ ঘৰত মাজে মাজে এসপ্তাহ হ'লেও কাম কৰি দিব লাগে। এই নিয়মক 'মাগব্-দুগনাম্' বোলে। পুৰণি কালত 'মাগব্-দুগনাম ' তিনিবছৰৰ পৰা পাঁচ বছৰ পৰ্যন্ত সময়ৰ বাবে ধাৰ্য কৰা নীতি আছিল।

মূল বিয়াৰ সময়ত নতুন পোছাকেৰে সজাই পৰাই দৰাক কইনাৰ ঘৰলৈ লৈ যোৱা হয়। দৰাৰ লগত দুজন সমবয়সীয়া ডেকা আৰু দুজনী গাভৰু 'য়ামগুৰ্' হিচাপে সজাই সোঁমাজত দৰাক বহিবলৈ দিয়া হয়। দৰাৰ দুফালে দুটা পাছিত শুকান মাছ ভৰাই দুজনে পাছিটো কঢ়িয়াই নিয়ে। দৰাপক্ষই সেইদিনা কন্যাঘৰৰ বাবে পূৰ্বে বন্দোবস্ত কৰা মতে নিৰ্দিষ্টসংখ্যক দঁতাল গাহৰি, পঃৰ-আপঙৰ চুঙা আৰু তামোল-পাণ লগত নিয়ে। এই প্ৰথাত দৰাপক্ষই কন্যাপক্ষক টকা-পইচা দিয়াৰ নিয়ম নাই। দৰা আহি পোৱাৰ লগে লগে কন্যাপক্ষৰ বয়সীয়া মহিলাসকলে দৰাক আদৰে। সাধাৰণতে কন্যা ঘৰৰ চোতালত চালি এখন সাজি তাতে সেইনিশা দৰাক থাকিবলৈ দিয়া হয়। পিছদিনা পুৱাৰ পৰাহে আচল বিয়া আৰম্ভ হয়।

বিয়া মানেই উৎসৱ। গতিকে সেইদিনা ডেকা-বুঢ়া, বয়সিয়াল মহিলাই হওক বা গাভৰু বা ল'ৰা-ছোৱালী সকলোৱেই সুন্দৰ সাজ-পোছাক পৰিধান কৰে। মিচিংসকলৰ বিয়াত ঢোল-তাল, নাচ-বাগৰ পয়োভৰ বেছি। বিয়াত সমবেত ৰাইজে কন্যাক নানা উপহাৰ দি শুভেচ্ছা জনায়। যথাসময়ত দৰাক কন্যাঘৰৰ চাঙৰ ওপৰলৈ তুলি নিয়া হয় আৰু তাতে দৰা-কন্যা দুয়োকে একেলগে 'পিন্ পু-আপিন' ভাত খাবলৈ দিয়া হয়। সমজুৱাসকলক মাংস আৰু আপঙৰ সৈতে ভোজভাত খুওৱা হয়। সমবেত সকলোৱে খোৱা-বোৱা শেষ হ'লে দৰা-কইনাই পুৰোহিত, মাক-দেউতাক আৰু সমজুৱাক সেৱা জনায়। আশীৰ্বাদ লোৱা পৰ্ব শেষ হোৱাৰ পিছত দৰাই কন্যাক নিজ ঘৰলৈ লৈ যায়।

মিচিংসকলৰ বিয়াত দৰা-কইনাৰ ঘৰত নতুন জখলা 'কঃবাং' , পীৰা 'কুং কেঃ' , জখলাত বন্ধা পাতেৰে সৈতে 'পিঃৰ' গছ, দুৱাৰ মুখত দুফালে দুকলহ পানী, চাউল আৰু ধানৰ পাচি আদিৰ ব্যৱহাৰ আজিও প্ৰচলিত আৰু এইবোৰ অনিবাৰ্য প্ৰথা। নতুন জখলা আৰু পীৰা এবিধ বিশেষ কাঠেৰে তৈয়াৰ কৰা হয়। দৰা-কইনাক আদৰি গোৱা বিয়ানামবোৰত আজিকালি অসমীয়া ভাষাৰ বিয়ানামৰ প্ৰচলন ঘটিছে যদিও পূৰ্বে কেৱল বিশুদ্ধ মিচিং বিয়ানামহে প্ৰচলন আছিল। তদুপৰি বিয়াৰ দিনা কইনাক নোৱাই ধুৱাই দৰাৰ লগত উলিয়াই দিবলৈ সাজু কৰাৰ সময়ত কইনাই এক বিশেষ ধৰণৰ সুৰীয়া কান্দোন 'য়ামনৌ কাবনাম্' কান্দে। এই কান্দোন শুনিলে সমবেত লোকৰ অন্তৰ সেমেকি যায়। উপমা আৰু সুন্দৰ বৰ্ণনা থকা 'য়ামনৌ-কাবনাম্'বোৰ মিচিং লোকসাহিত্যৰ অন্যতম সমল।

মিচিং সমাজত দুগলা-লাঃনাম অৰ্থাৎ ছোৱালী পলুৱাই নিয়া প্ৰথাৰেও বিয়া পতা হয়। প্ৰণয় -পাশত আৱদ্ধ ডেকা-গাভৰুৰ কোনো পক্ষৰ পিতৃ-মাতৃৰ বিবাহত অমত থাকিলে কিম্বা আৰ্থিক স্বচ্ছলতা নাথাকিলে এই প্ৰথাৰে বিবাহ সম্পন্ন হয়। এই প্ৰথামতে ল'ৰা-ছোৱালীৰ মাজত হোৱা গোপন সিদ্ধান্ত অনুসৰি ল'ৰাই নিৰ্দিষ্ট দিনত ছোৱালীক পলুৱাই নি গোপন স্থানত কিছুদিনৰ বাবে ৰাখে। পলুৱাই অনাৰ এদিন বা দুদিনৰ পিছতেই ছোৱালীৰ ঘৰত খৱৰ দিবলৈ 'দুগ্তাদ্' দূত এজন পঠিওৱা হয়। দুগ্তাদজন ল'ৰাৰ সম্পৰ্কীয় নাইবা গাঁৰৰ কোনো জ্যেষ্ঠ ব্যক্তি হ'ব পাৰে। কিন্তু তেঁও চতুৰ আৰু বাকপটু হোৱাটো বাঞ্চনীয়। দুগতাদৰ জাননীৰ পিছত ছোৱালীক ঘৰত তোলা হয়।

ন-ছোৱালীক ঘৰত তোলাৰ সময়তো সাধাৰণ মিদাং বিয়াৰ দৰে নতুন জখলা , দুৱাৰমুখত দুকলহ পানী, দুপাচি ধান বা চাউল আদিৰ ব্যৱস্থা কৰা হয়। পানী দুকলহৰ মুখ পাতেৰে ঢাকি টানকৈ বন্ধা থাকে। নৱ-দম্পতীয়ে একেলগে নতুন জখলাৰে উঠি গৈ কলহৰ মুখ বন্ধা পাত ফালি কলহৰ পানী স্পৰ্শ কৰে। পাচিৰ ধান বা চাউল স্পৰ্শ কৰে আৰু মাক-দেউতাকৰ ভৰি-চুই 'কুম্নাম্' সেৱা কৰে। ন-বোৱাৰী অনাৰ দিনা সাধাৰণতে ৰাতি 'য়ামনৌ-তনচাং' পৰ্ব অনুষ্ঠিত হয়। ইয়াত ন-বোৱাৰীয়ে যচা পঃৰ-আপঙেৰে অভ্যাগতসকলক আপ্যায়ন কৰা হয়।

ছোৱালী অনাৰ এমাহ-দুমাহপিছত ল'ৰাপক্ষৰ ঘৰলৈ 'অৰায়-আলৃগ্' দিবলৈ যায়। 'অৰায় -আলৃগ্'ৰ অৰ্থ ছোৱালীৰ কন্যামূল্য বা গা-ধন। এই উদ্দ্যেশ্যে ল'ৰাপক্ষৰ ছয়-সাতজন আদহীয়া মুনিহ-তিৰোতাক লগত লৈ এজন

বাকপটু অভিভাৱক 'পাতিৰি' ৰূপে যায়। তেঁওলোকে লগত আপং, তামোল-পাণ আদি দিয়ে। 'অৰায়-আলৃগ্'ৰ কাৰ্য সাধাৰণতে ৰাতি কৰা হয়। 'আলৃগ্'ৰ মূল্য নগদ ধন বা পোহনীয়া জন্তুৰ ৰূপতো দিয়া হয়। তামোল-পাণ আৰু শৰাই এটাত ধন আগবঢ়াই ল'ৰাপক্ষই ছোৱালীপক্ষক 'আলৃগ্' গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। আলৃগৰ ধনৰ পৰিমাণ লৈ কেতিয়াবা দুয়োপক্ষৰ মাজত বাক-বিতণ্ডাও হয়। ধেমালিতে হ'লেও ছোৱালী পক্ষই অধিক পৰিমাণওৰ ধন দাবী কৰাটো এটা প্ৰচলিত নিয়ম। দুয়োপক্ষৰ মাজত ৰং-তামাচা, বাক-বিতণ্ডাৰ মাজতে প্ৰচুৰ আপং-পানীৰ যোগান ধৰা হয়। আলৃগৰ নিৰ্দিষ্ট নিৰিখ নাই। আলৃগ্ উপলক্ষ্যে ছোৱালী পক্ষই ওচৰ-চুবুৰীয়া একোযোৰ তামোল-পাণ যাচি আলৃগৰ কথা জনায়।

মিচিংসকলৰ মাজত বাল্য বিবাহ নিষিদ্ধ। কিন্তু পুনৰ্বিবাহ পদ্ধতি প্ৰচলিত। কম বয়সতে বিধৱা হ'লে নতুবা বিপত্নীক হ'লে পুনৰ বিবাহ কৰিব পাৰে। অৱশ্যে ডেকা-গাভৰুৰ বিয়াৰ দৰে এই বিয়াত জাক-জমকতা নাথাকে। ইচ্ছা কৰিলে দেওৰেকে বিধৱা বৌৱেকক বিয়া কৰিব পাৰে। কিন্তু বিধৱা ভাই-বোৱাৰীয়েকক বিয়া কৰাব নোৱাৰে। সেইদৰে খুলশালীয়েককো বিয়া কৰাব পাৰে।

## বড়ো-কছাৰী সমাজৰ বিবাহ প্ৰথা ঃ

বড়ো-কছাৰীসকলে ছয় প্ৰকাৰে বিবাহ কাৰ্য সমাধান কৰে।

১) সামাজিক বিয়া

২)ঘৰ-জোঁৱাই ৰাখি দিয়া বিবাহ

৩)ছোৱালীয়ে গা-যাচি সোমোৱা বিবাহ( খাৰছন্নায়)

৪) ঢোকা (ঢকা) প্ৰথাৰে বিবাহ

৫) টানি লৈ গৈ কৰোৱা বিবাহ আৰু

৬)পলুৱাই নি কৰোৱা বিবাহ

ইয়াৰে প্ৰথম চাৰি প্ৰকাৰ সমাজে স্বীকৃতি দিয়া প্ৰথা, বাকী দুটা অবৈধ কাৰ্য বুলি ধৰা হয়। আজিকালি বড়ো-কছাৰী সমাজত শিক্ষিতৰ হাৰ বৃদ্ধি পোৱাৰ লগে লগে এনেবোৰ অবৈধ কাৰ্যৰ হাৰ কমি আহিছে। সেয়ে ছোৱালীয়ে গা-যাচি সোমোৱা বিবাহ, ঢোকা (ঢকা) প্ৰথাৰে বিবাহ, টানি লৈ গৈ কৰোৱা বিবাহ আৰু পলুৱাই নি কৰোৱা বিবাহৰ দৰে কামবোৰৰ সংখ্যা আজিকালি তাকৰ।

১) সামাজিক বিয়া বা সমাজৰ দস্তুৰমতে হোৱা বিবাহঃ বড়ো আৰু কছাৰীসকলে বিবাহৰ কাৰণে দৰা আৰু কইনাৰ ৰাশি-লগন আদিৰ বাবে কোনো জ্যোতিষীৰ দ্বাৰা গণনা নকৰায়। তেঁওলোকে মুখে মুখে চলি অহা প্ৰথামতে দিন-বাৰ লৈ কন্যা চাবলৈ যাত্ৰা কৰে। কন্যা চাবলৈ যাত্ৰাকালীন প্ৰকৃতিৰ ৰেহৰূপ আৰু পশু-পক্ষীৰ দৰ্শনৰ লগতহে যাত্ৰাৰ শুভাশুভ আৰু দম্পতীৰ ভৱিষ্যৎ মংগল আৰু অমংগল ঠাৱৰ কৰে। বড়ো-কছাৰীৰ মতে কন্যা চাবলৈ যোৱাৰ বাবে যাত্ৰাৰ দিন যিকোনো দিশে দেওবাৰে শুভ বুলি ধৰি লয়।

কোনো ল'ৰাৰ লগত ছোৱালীৰ বিবাহৰ বাবে উভয়পক্ষৰ অভিভাৱকৰ লগত সন্মতি আদান-প্ৰদান হোৱাৰ পিছত দৰা চোৱাৰ নিয়ম আছে। দৰা হোৱা ল'ৰাই কন্যা হ'ব খোজা ছোৱালীৰ ঘৰত এবাৰ দেখা দি অহা নিয়ম। কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণপাৰ আৰু নগাঁও জিলাৰ বড়ো-কছাৰীসকলৰ মাজত হ'বলগীয়া দৰাই কন্যাৰ ঘৰলৈ গ'লে ছোৱালীয়ে নিজে বোৱা ফুলাম ৰুমাল, ফুলাম গামোচা দি সেৱা কৰি সন্মান জনোৱা নিয়ম আছে। কোনো ল'ৰাই ছোৱালীৰ ঘৰত তেনে সন্মান নাপালে তেতিয়াই ছোৱালীয়ে ল'ৰাক পছন্দ কৰা নাই বুলি ধৰি লয়। তেতিয়াই বিবাহৰ সম্বন্ধ ভাঙি দিয়া হয়।

**কন্যা জোৰোণ ঃ** কন্যা জোৰোণৰ বাবে দৰাঘৰীয়াই কন্যাৰ ঘৰলৈ গৈ কন্যাৰ গাঁৱৰ ৰাইজক তামোল-পাণ , মদ খুৱাই জোৰোণৰ কাম সমাধা কৰিব লাগে।

কন্যা জোৰোণৰ বাবে দৰাঘৰীয়াই কন্যাৰ ঘৰত যাবৰ বেলিকা আদিম বড়ো-কছাৰীৰ মতে মদৰ কলহ দুটা মাটিৰ কলহত বেলেগ বেলেগকৈ ভৰাই এভাৰ কৰা হয়। দুটা কলহৰ ভিতৰত এটা কলহৰ পেটত সূৰ্যৰ চিহ্ন আৰু আনটোত চন্দ্ৰৰ চিহ্ন চূণেৰে আঁকি দিয়া হয়। ভাৰ বান্ধিবৰ সময়ত সূৰ্যৰ চিহ্ন থকা কলহটো ভাৰ-মাৰিৰ বাঁহৰ গুৰিৰ ফালে আৰু চন্দ্ৰৰ চিহ্ন থকা কলহটো

ভাৰ-মাৰিৰ আগফালে বান্ধি লয়। কিছুমান বড়ো সম্প্ৰদায়ৰ লোকে জোৰোণ হৈ যোৱাৰ এবছৰ হৈ যোৱাৰ পিছতহে বিয়া পাতে। কিছুমান ঠাইত আকৌ ৰাইজৰ ভোজ-ভাত বা মদৰ বাবে দৰাঘৰীয়াৰ পৰা টকা লৈ নিজৰ সুবিধা অনুযায়ী কম দিনৰ ভিতৰতে বিয়া পাতে।

**বিবাহৰ নিয়ম ঃ** আৰ্যধৰ্মত দীক্ষিত হোৱা বড়ো-কছাৰীসকলে নিজৰ ভিতৰতে পুৰোহিত নিৰ্বাচন কৰি সেইজন পুৰোহিতৰ দ্বাৰা আৰ্যসকলৰ হোমবিধিৰ নিয়ম অনুসাৰে হোমাগ্নি কৰি বিয়া পাতে।আদিম-ধৰ্মী বড়োসকলে হাথাছুনি প্ৰথাৰে বিবাহকাৰ্য সম্পাদন কৰে। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰ আৰু কামৰূপ জিলাৰ  ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ ব্ৰহ্ম ধৰ্মাৱলম্বী বড়ো-কছাৰীসকলৰ বিবাহৰ দিনা ছোৱালীবিলাকে গীতহে গায়, নানাচে। তেঁওলোকে বিবাহ উপলক্ষ্যে মদৰ আয়োজনো নকৰে। আদিমধৰ্মী বড়ো-কছাৰীসকলৰ মাজত বিবাহ উপলক্ষ্যে মদ-মাংস খোৱাৰ লগতে লোক-গীত নৃত্যৰে বিবাহথলী উখলমাখল কৰাৰ নিয়ম। আদিমধৰ্মী বড়ো-কছাৰীসকলৰ বিয়াত প্ৰতিটো নিয়মতে লোকগীতৰ ব্যৱহাৰ আছে।

ব্ৰহ্ম আৰু আদিমধৰ্মী বড়ো-কছাৰীৰ উভয়ৰ ভিতৰতে বিবাহকাৰ্য সম্পাদন হোৱাৰ আগতে কন্যাৰ গা-ধন, নিৰিখ আদি সামাজিক কাৰ্য সমাধা কৰাৰ পিছতহে বিবাহৰ বাবে ছোৱালী উলিয়াই দিয়ে। বিবাহ উপলক্ষ্যে সামাজিক আলোচনাৰ বাবে কন্যাঘৰীয়াৰ গাঁৱৰ ৰাইজে কন্যাৰ ঘৰৰ ৰ চোতালত মাজতে খালী ঠাই ৰাখি চাৰিওফালে বহে। কন্যাৰ পিতাক আৰু অভিভাবক ৰাইজ বহা শাৰীতে পূবৰ শাৰীত বহিবলৈ দিয়া হয়।

দৰাৰ পিতাক নাইবা অভিভাবকে কন্যাৰ বাবে গা-ধন আৰু সামাজিক প্ৰচলিত নিয়ম-নীতিৰ দায় মাৰিবলৈ দুদোণ আৰৈ চাউল, তাৰে এটা দোণৰ ওপৰত কলপাত দি তাৰ ওপৰত এখন গামোচা, গামোচাৰ ওপৰত এযোৰ তামোল-পাণ আৰু ৰূপৰ টকা দিয়ে। দোণ দুটা কন্যাৰ অভিভাৱকৰ সন্মুখত থোৱা হয়। আনটো দোণত সৰু কলপাতৰ ওপৰত কইনাৰ বাবে গা-ধনৰ টকা দি প্ৰথমতে কন্যাৰ পিতাক বা অভিভাৱকক সেৱা জনাব লাগে। সেৱা কৰোতে কন্যাৰ পিতাক বা অভিভাৱকক ন-জোঁৱায়ে আঁঠু লৈ সেৱা কৰিব লাগে। উপস্থিত ৰাইজকো এটি সেৱা জনাব লাগে। কইনাৰ গা-ধনৰ পৰিমাণ অবিভক্ত গোৱালপাৰা জিলাত এশ টকা লোৱা হয়। অন্যান্য জিলাত এই পৰিমাণৰ প্ৰভেদ আছে। কিন্তু শিক্ষিত বড়ো-কছাৰী সমাজে গা-ধন নলয়।

বড়ো-কছাৰী সমাজত কোনো পৰিয়ালৰ ল'ৰা সন্তান নাথাকিলে ঘৰ -জোঁৱাই ৰাখি ছোৱালী বিয়া দিয়াৰ নিয়ম আছে। আনহাতে ছোৱালীঘৰৰ খেতি-বাতি, কাম-কাজ চোৱাচিতা কৰি আৰ্থিক সংস্থাপন দিও কোনো ল'ৰাক ঘৰ-জোঁৱাই কৰি অনা হয়। তদুপৰি কোনো বিধৱা মহিলাৰ মৃত স্বামীৰ সম্পত্তি আৰু নাবালক সন্তান থাকিলে চোৱাচিতা কৰিবলৈ কোনো লোকক সেই মহিলাৰ লগত বিয়া পাতি দিয়া প্ৰথা আছে। বিধৱা বিবাহত কোনো আড়ম্বৰ কৰা নহয়। বিবাহৰ দ্বাৰা কেৱল দুগৰাকী তিৰোতাৰ দ্বাৰা নিয়ম কৰি বিয়া পাতি দিয়া হয়।

কোনো ছোৱালীয়ে নিজে বিবাহত সোমাবলৈ পছন্দ কৰা কোনো ল'ৰাৰ ঘৰত গা-যাচি সোমালে দৰাঘৰীয়াই এযোৰ মদৰ কলহৰ ভাৰ  লৈ ছোৱালীৰ অভিভাৱকক খবৰ দিয়াৰ নিয়ম আছে। খবৰ নিদিলে দৰাঘৰীয়াই ছোৱালী পলুৱাই অনা বুলি পিছত দোষী সাব্যস্ত কৰিব পাৰে।

## ৰাভা জনজাতীয় সমাজৰ বিবাহ প্ৰথা ঃ

ৰাভা জনজাতীয় লোকসকলে পূৰ্বেচাৰি প্ৰকাৰে বিবাহ কাৰ্য সমাধান কৰিছিল।

১)একপত্নী বিয়া

২)বহুপত্নী বিয়া

৩)বহুস্বামী বিয়া

৪)সমূহীয়া বিয়া

যেতিয়া এজন মানুহে মাত্ৰ এগৰাকী পত্নীয়েই গ্ৰহণ কৰে , তেতিয়া তাক একপত্নী বিয়া বোলা হয়। আনহাতে ৰাভা সমাজত অতীজত বহুপত্নী গ্ৰহণৰ প্ৰথাও প্ৰচলিত আছিল। এজন লোকে দুই বা ততোধিক পত্নী গ্ৰহণ কৰিব পাৰিছিল। বহুপত্নী বিয়াৰ দৰে বহুস্বামী বিয়াৰো প্ৰচলন আছিল। আনহাতে কেবাযোৰা দম্পতীয়ে একেলগে বিয়া পাতি লোৱাৰ সমূহীয়া বিবাহ প্ৰথাও প্ৰচলন আছিল। এনে বিবাহত আটাইকেইহাল  দম্পতীৰ মাজত

যাৱতীয় বৈবাহিক সম্বন্ধ হ'ব পাৰিছিল। অতীজৰ এই বিবাহ প্ৰথা অৱশ্যে আজিৰ সমাজত নিষিদ্ধ।

ৰাভা সমাজত কোনো ল'ৰাৰ কোনো এজনী ছোৱালী পছন্দ হ'লে দৰাপক্ষৰ মানুহে এদিন দোকমোকালিতে গৈ কন্যাঘৰ ঘেৰাও কৰে। দৰাপক্ষৰ লগত যোৱা ছোৱালীবোৰে কইনাৰ কপালত সেন্দুৰ আৰু মিঠাতেল দিবলৈ চেষ্টা কৰে। ছোৱালীৰ সন্মতি থাকিলে সেন্দুৰ আৰু তেল দিবলৈ দিয়ে। সন্মতি নাথাকিলে কৰবাত গৈ লুকায়। ছোৱালীজনীক তেল-সেন্দুৰ দিয়া কাম কৰা হৈ গ'লে কন্যা ঠিক হোৱা চিন স্বৰূপে কইনাঘৰীয়াক এটোপোলা চাউল-চিৰা, এখন কাম্বুং আৰু এখন ৰুফান কন্যাক দি আহে। কন্যাৰ বিবাহৰ সম্পূৰ্ণ পোছাক, আ-অলংকাৰ বিয়াৰ দিনাখনেই পিন্ধায়।

দৰাঘৰীয়াই ছোৱালী চাবলৈ আহি আলোচনাৰ মাজেৰে বিয়াৰ দিন ঠিক কৰা প্ৰথাও আছে। এই বিয়াক ৰাভা সমাজত বৰিছেকায় বিয়া বোলে।আনহাতে বিবাহ উপযুক্তা ছোৱালীৰ বাবে ঘৰ-জোঁৱাই আনি বিয়া পতা প্ৰথাও ৰাভাসকলে মানে। এই বিয়াক ৰাভা সমাজত নোকধাংকায় বিবাহ বোলে।

কোনো কোনো ৰাভা সমাজত পাঁচটা কুকুৰা বলি দি বিয়া পাতে। এই কুকুৰাৰ মঙহেৰে ৰাইজক ভোজ-ভাত খুৱায়। ৰাংদানি ৰাভাসকলৰ বিয়াত আকৌ ৰাইজক বৰা চাউলৰ মদ খুওৱাৰ নিয়ম। পাতি, বিটলীয়া আদি ৰাভাসকলে পোনতে শুভদিন, শুভক্ষিণ চাই কেইজনীমান তিৰোতাই পছন্দ হোৱা কন্যাৰ ঘৰলৈ গৈ পাণ-তামোল কাটি থৈ আহে আৰু সেই দিনাখনেই চিৰা-টোপোলা লৈ যোৱাৰ দিন ঠিক কৰি আহে। কইনাঘৰীয়াই ছোৱালী দিবলৈ সন্মত নহ'লে চিৰা-টোপোলা ঘূৰাই দিয়ে।

আজিকালি ৰাভা সমাজতো পূৰ্বৰ বৈবাহিক নিয়ম-নীতি লোপ পাইছে। অনেকেই হিন্দু বৈবাহিক ৰীতি অনুসৰি বিয়া পাতে। অৱশ্যে পুৰোহিত হিচাপে হিন্দু পুৰোহিতৰ পৰিবৰ্তে ৰাভা সমাজৰ হুজি বা ওজাই ( পুৰোহিত) য়ে বিয়াৰ কাৰ্য সমাধা কৰে।

**কোচ- ৰাজবংশীসকলৰ বিবাহ ঃ**

কোচ-ৰাজবংশীসকলে বিয়ৰ ক্ষেত্ৰত বহুতো আচাৰ-বিধি মানি মানি চলে। কইনা চাবলৈ যোৱাৰ সময়ত মৃত ব্যক্তি দেখিলে, কোনো লোকে দা, কোৰ আদি লৈ যোৱা দেখিলে তেঁওলোকে অশুভ বুলি কয়। ভৰা কলহৰ পানী দেখিলে যাত্ৰা শুভ বুলি মানে। কইনা পছন্দ হ'লে দৈ-চিৰা আদি লৈ যায়। এই কাৰ্যক ভাৰ খোৱা বুলি কয়। দৰাঘৰে কইনাক ধান আৰু ছাগলী দিবলগীয়া হ'লে তাক আগধন দিয়া বা গা-ধন দিয়া বুলি কোৱা হয়।

বিয়াৰ দিনা পদূলিত কলপাত , কঁহুৱা বন , চাকি, আমপাত, কপাহৰ মালা দিয়ে। কোচ- ৰাজবংশীসকলৰ বিবাহৰ ৰভাৰ মাজৰ খুটাটো কলগছৰ দিয়ে। ৰভাৰ তলত আগলতি পাতত চাকি জলায়। গাতটোত পইচা, তামোল-পাণ আদি দিয়ে। দৰাৰ লগত তেঁওৰ মিত্ৰ, গাঁওবুঢ়া ব্ৰাহ্মণ আৰু নাপিত এজন যাব লাগে। আগৰ দিনত দৰা গৰু বা ম'হৰ গাড়ীত গৈছিল আৰু দৰাৰ গাড়ীখন ৰমকজমককৈ সজোৱা হৈছিল। নামতীয়ে গীত গাই উৰুলি দিয়ে আৰু ঢুলীয়াই ঢোলবাদন কৰে। কোচ-ৰাজবংশীসকলৰ বিবাহত গাঁথিয়ন ফুটোৱা নিয়ম। গাঁথিয়ন লোৰে নিৰ্মিত। ভিতৰত বাৰুদ, শিলৰ টুকুৰা, বালি আদি ভৰোৱা থাকে। দৰাযাত্ৰী কইনাঘৰৰ পদূলি ধি পোৱাৰ পিছত কিছু দূৰত গৈ গাঁথিয়ন ফুটায়। দৰাযাত্ৰী আহি বহাৰ পিছত প্ৰথমে মিত্ৰই তামোল-পাণ দি সেৰা জনাই দুআষাৰ কয়। তাৰ পিছতহে কাৰ্যসূচী আৰম্ভ কৰে। দৰাপক্ষৰ মানুহে বিবাহৰ কাৰ্যসূচী আৰম্ভ কৰাৰ পূৰ্ব নাপিতে মন্ত্ৰ মাতে। আঠমঙলাৰ কাম বিয়াৰ দিনা ৰাতিয়ে কৰে। বিয়া শেষ হোৱাৰ পিছত বাঁহ ফালি মেজিৰ নিচিনা কৰি সাতপাক ঘূৰায়। আঠদিনৰ দিনা দৰাঘৰত নাম পাতে।

## ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সময়ত লগ পোৱা বিভিন্ন ঠাইৰ লোকসকলৰ একাংশ—

| নাম | অঞ্চল | জিলা |
|---|---|---|
| প্ৰদীপ গগৈ | সাংবাদিক | ডিব্ৰুগড় |
| পৱিত্ৰ বৰগোহাই | সাংবাদিক | তিনিচুকীয়া |
| কাচে তেৰণপি | সাংস্কৃতিক কৰ্মী | ডিফু |
| ৰাজেন্দ্ৰ নাৰায়ন দেৱ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, | | |
| বীৰঝৰা কন্যা মহাবিদ্যালয় | পুৰণি বঙাইগাঁও | ,, |
| অশোক বৰ্মন, সাংবাদিক | কোকৰাঝাৰ | কোকৰাঝাৰ |
| ৰবিৰাম বসুমতাৰী, শিক্ষক, | | |
| বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় | জালাহ | বাগসা |
| জয়চৰণ বসুমতাৰী,শিক্ষক, | | |
| বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় | জালাহ | বাগসা |
| বৰকণ বড়ো,শিক্ষক, | | |
| বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় | গড় | বাগসা |
| সোণেশ্বৰ বড়ো, অৱসৰপ্ৰাপ্ত শিঞ্চক, | | |
| লোক-সাংস্কৃতিক কৰ্মী, শিল্পী | ভেবলা | বাগসা |
| যমুনা বসুমতাৰী, মূৰব্বী অধ্যাপিকা, বড়ো বিভাগ, | | |
| বগাধৰ ব্ৰহ্ম কিষাণ মহাবিদ্যালয় | জালাহ | বাগসা |
| মতিছন দৈমাৰী, প্ৰবক্তাৰড়ো বিভাগ, | | |
| বগাধৰ ব্ৰহ্ম কিষাণ মহাবিদ্যালয় | জালাহ | বাগসা |

## গৱেষক, পণ্ডি ত, সাংস্কৃতিক কৰ্মী, বিভিন্ন সংস্থা, সংগঠন, সমিতিৰ বিষয়ববীয়াসকল

১। নঞ্জু ইংলেং, কেন্দ্ৰীয় চৰকাৰৰ জ নসংখ্যা পঞ্জীয়ন বিভাগৰ কৰ্মচাৰী, কাৰ্বি কৃষ্টি-সংস্কৃতিৰ সক্ৰিয় কৰ্মী, নাজিৰাখাত, কামৰূপ

২। অজিত কুমাৰ বড়ো, সম্পাদক ,নোৱাগাঁও-কলিতাকুছি বড়ো সমাজ।

৩। ভৰকান্ত বড়ো, সভাপতি, ডিমৰীয়া আঞ্চলিক বাথৌ কমিতি

৪। অজিত খাখলাৰী, সভাপতি, ডিমৰীয়া আঞ্চলিক বড়ো ছাত্ৰ সন্থা

৫। চন্দ্ৰপ্ৰভা দাস, কমাৰকুছি গাঁও পঞ্চায়তৰ সভানেত্ৰী

৬। মঞ্জু ৰংহাং, স ভানেত্ৰী, নাজিৰাখাত সৃষ্টিকামী মহিলা সংঘ

৭। শেৰালি তুমুং, অঞ্জু ইংতি, সদস্যা,নাজিৰাখাত সৃষ্টিকামী মহিলা সংঘ

৮। তৰুণ চন্দ্ৰ ৰাভা, অধ্যক্ষ, ৰাভা-হাছং স্বায়ত্ব শাসিত পৰিষদ, দুধনৈ

৯। অনিল কুমাৰ ৰাভা, সদৌ ৰাভা কৃষ্টি সন্মিলনীৰ সম্পাদক

১০। জটিফ বড়ো,সভাপতি ,বৰপেটা জিলা সাহিত্য সভা

১১। ৰতন কুমাৰ ৰায় হাজং, লোক-সংস্কৃতি অন্বেষক, সংগঠক তথা প্ৰচাৰক

১২। লোহিত চৌধুৰী, সভাপতি, চিদলী-বিজনী কোচ-ৰাজবংশী সমাজ সংস্কাৰ সমিতি, বঙাইগাঁও

১৩। হেৰম্ব অধিকাৰী, সম্পাদক, চিদলী-বিজনী কোচ-ৰাজবংশী সমাজ সংস্কাৰ সমিতি, বঙাইগাঁও

১৪। ধনঞ্জয় বৰ্মন, কাৰ্যকৰী সভাপতি, কোচ-ৰাজবংশী কালচাৰেল চ'ছাইটী, কোকৰাঝাৰ

১৫। দীপকুঞ্জ ৰায়, সাধাৰণ সম্পাদক, কোচ-ৰাজবংশী কালচাৰেল চ'ছাইটী, কোকৰাঝাৰ

১৬। চম্পা খাখলাৰী, চপাইদাং, দুই নং খাৰঘূলি, কামৰূপ

১৭। অৰূপ কুমাৰ দাস, সঞ্চালক,চেণ্টাৰ ফৰ কোচ-ৰাজবংশী ষ্টাডিজ এণ্ড ডেভলপমেণ্ট,গুৱাহাটী।

১৮। দৈৰকী বড়ো, নাজিৰাখাত, নোৱাগাঁও, কামৰূপ

১৯। কবীন বড়ো, মূল পূজাৰী, নোৱাগাঁও কলিতাকুছি বড়ো সমাজ

২০। ধীৰেশ্বৰ কাথাৰ, পৰেশ কাথাৰ, নিৰঞ্জন কাথাৰ, মাণিক কছাৰী, প্ৰবীণ বড়ো, নৰ বড়ো, মহিম পূজাৰী, কৃষক, নোৱাগাঁও

২১। ধনঞ্জয় বৰ্মন, কাৰ্যকৰী সভাপতি, কোচ-ৰাজবংশী কালচাৰেল চ'ছাইটী, কোকৰাঝাৰ

২২। মনুচাঁদ সিং, লোক-সংস্কৃতি সংগঠক, লেখক, বঙাইগাঁও

২৩। হহৰা হুলোখোল ৰাভা কৃষ্টি দল

২৪। বৰবিতলী অৰেকিমি ছিংথুৰ আচেম (কৃষ্টি দল)

২৫। নাজিৰাখাত কাৰ্বি কৃষ্টি দল

# বিভিন্ন সহায়ক গ্ৰন্থ, প্ৰসংগ পুথি

১। ভৈয়াম কাৰ্বিৰ লোক-পৰম্পৰা আৰু গীত-পদ, ( অসম জনজাতি আৰু অনুসূচিত জনজাতি গৱেষণা প্ৰতিষ্ঠান, জৱাহৰ নগৰ , গুৱাহাটী,প্ৰথম সংস্কৰণ, ২০০১)

২। গোস্বামী প্ৰফুল্ল দত্ত, ১৯৬২, বাৰ মাহৰ তেৰ গীত, সাহিত্য একাডেমী, নতুন দিল্লী।

৩। গগৈ ড° লীলা, অসমৰ সংস্কৃতি, ১৯৯০, বীণা লাইব্ৰেৰী, গুৱাহাটী

৪। কৰতোৱা (কোচ-ৰাজবংশী জাতীয় সাংস্কৃতিক প্ৰকঞ্জৰ বছৰেকীয়া আলোচনী), দ্বিতীয় খণ্ড, ২০১৬,বৰপাৰা,বঙাইগাঁও)

৫। নাৰ্জি ভবেন, বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, (বীণা লাইব্ৰেৰী, গুৱাহাটী, চতুৰ্থ সংস্কৰণ, ২০০১)

৬। সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বছৰ, (বনলতা, দ্বিতীয় সংস্কৰণ মে, ২০১৩)

৭। ৰাভা ৰাজেন,ৰাভা জনজাতি, গুৱাহাটী, তৃতীয় সংস্কৰণ, ২০০৮)

৮। বৰ্মন শিৱনাথ, লোককৃষ্টিৰ উৎস, ১৯৮২, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

৯। ডেকা নলিনী, শৰণীয়া কছাৰী সমাজ আৰু সংস্কৃতি, ২০০২, তামুলপুৰ, বাকসা।

১০।শৰ্মা, ড° নবীন চন্দ্ৰ, অসমীয়া লোক-সংস্কৃতিৰ আভাস, ১৯৮১, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, গুৱাহাটী।

১১।বৰুৱা নীহাৰ বালা, প্ৰান্তবাসীৰ ঝুলি (অনুবাদ- প্ৰতিমা নিয়োগী), প্ৰকাশক-চেণ্টাৰ ফৰ কোচ-ৰাজবংশী ষ্টাডিজ এণ্ড ডেভলপমেণ্ট,গুৱাহাটী,২০১৬ )

১২।বৰদলৈ ড° নিৰ্মলপ্ৰভা, ১৯৭২, অসমৰ লোক-সংস্কৃতি, বীণা লাইব্ৰেৰী, গুৱাহাটী।

১৩।গগৈ ড° লীলা, অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, ১৯৬৮, গোলাঘাট।

১৪।গোস্বামী প্ৰফুল্ল দত্ত, ১৯৬২, বাৰ মাহৰ তেৰ গীত, সাহিত্য একাডেমী, নতুন দিল্লী।

**ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সময়ত লগ পোৱা বিভিন্ন ঠাইৰ লোকসকলৰ একাংশ—**

| নাম | অঞ্চল | জিলা |
|---|---|---|
| প্ৰদীপ বৰ্মন, শিক্ষক | চামতা | নলবাৰী |
| ৰাজেন বৰ্মন, শিক্ষক | চামতা | নলবাৰী |
| খৰ্গেশ্বৰ বৰ্মন | নদলা | নলবাৰী |
| কমলেশ্বৰ হালৈ | বৰবিলা | নলবাৰী |
| ৰমেশ চন্দ্ৰ কলিতা | গমাৰিমূৰি | নলবাৰী |
| নলিনী ডেকা, শিক্ষক | মটঙা চ'ক | বাগসা |
| ধৰণী ডেকা | পশ্চিম তামুলপুৰ | বাগসা |
| ৰেণু দাস | চাৰাংবাৰী, তামুলপুৰ | বাগসা |
| শ্যামল দাস | চাৰাংবাৰী, তামুলপুৰ | বাগসা |
| হৰ্ষ শৰ্মা, প্ৰবক্তা | পাটাছাৰকুছি | বৰপেটা |
| নিৰ্মল দাস | জলাহ বামুণ গাঁও | কামৰূপ |
| প্ৰদীপ দাস | | |
| তপন দাস | | |
| হিতেশ্বৰ তালুকদাৰ, | কুৰোবাহা | বৰপেটা |

**গৱেষক ,পণ্ডিত,সাংস্কৃতিক কৰ্মী, বিভিন্ন সংস্থা, সংগঠন, সমিতিৰ বিষয়ববীয়াসকল**

১। বিজয় শংকৰ বৰ্মন, লোক-সংস্কৃতিৰ গৱেষক কবি-সাহিত্যিক, গুৱাহাটী

২। নৃপেন দত্ত, লোক-সংস্কৃতি প্ৰচাৰক, লোক-নাট্যকৰ্মী, নলবাৰী

৩।মূৰুলীধৰ দাস, লোক-সংস্কৃতি প্ৰচাৰক, ক্ষেত্ৰী,

৪। যতীন্দ্ৰ ৰাভা, উপ-সভাপতি, নিখিল ৰাভা সাহিত্য সভা

৫। দীপাংকৰ ৰাভা, সভাপতি( বাগসা অঞ্চল) নিখিল ৰাভা ছাত্ৰ সন্থা

৬। সোমবৰ বৰুৱা, লোক-সংস্কৃতি কৰ্মী, লেখক, ৰঙিয়া, কামৰূপ জিলা

৭। ৰমেশ কলিতা, সভাপতি, শ্ৰী শ্ৰী গোপালথান মন্দিৰ সমিতি, গমাৰিমূৰি, চামতা , নলবাৰী

৮। উপেন্দ্ৰ নাথ পাঠক, হোম আৰু ভঠেলি উৎসৱ, গমাৰিমূৰি